
# কটন মহাবিদ্যালয় আলোচনী

৩৩ তম সংখ্যা

৭৮-৭৯ চন



সম্পাদক - প্ৰভাত প্ৰাণ কোঁৱৰ

# কানৈ মহাবিদ্যালয় আলোচনী

বছেৰেকীয়া প্ৰকাশ

৩৩তম সংখ্যা

১৯৭৮-৭৯ চন

সম্পাদক

—প্ৰভাত প্ৰাণ কোঁৱৰ

কানৈ মহাবিদ্যালয় আলোচনী

বছেৰেকীয়া প্ৰকাশ

৩৩তম সংখ্যা

১৯৭৮-৭৯ চন।

সম্পাদনা সমিতি ঃ

উপদেষ্টা—অধ্যাপক ডিম্বেশ্বৰ চলিহা

ভাৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপক ডঃ পৰীক্ষিত হাজৰিকা

সম্পাদক—প্ৰভাত প্ৰাণ কোঁৱৰ

সদস্য—

বীৰেন গগৈ

নব বৰুৱা

দিলীপ ভঁৰালী

সদস্যা—

জ্যোৎস্না সিনহা

মীৰা বৰগোঁহাঞি

প্ৰচ্ছদপট ঃ

'বিশ্ব শান্তি'

ভবানী বৰুৱা

প্ৰাক স্নাতক, বিজ্ঞান।

প্ৰকাশক ঃ


কানৈ মহাবিদ্যালয় ছাত্ৰ সংস্থা

ছপাশাল ঃ

নিউ ইণ্ডিয়া প্ৰেছ

নালিয়াপুল, ডিব্ৰুগড়।

॥ অৰ্পণ ॥



জন্ম ঃ ১৯৩১ চন মৃত্যু ঃ ২০ ডিচেম্বৰ ১৯৭৯


আমাৰ মহাবিদ্যালয়ৰ হিন্দী সাহিত্যৰ প্ৰথিতযশা মুখ্য অধ্যাপক, প্ৰবীণ শিক্ষাবিদ, অল্পভাষী, আমাৰ আটাইৰে চিৰনমস্য শিক্ষাগুৰু স্বৰ্গীয় ৰতন লাল জৈনৰ পৱিত্ৰ স্মৃতিত আমাৰ মহাবিদ্যালয় আলোচনীৰ এই সংখ্যাটি আন্তৰিকতাৰে অৰ্পণ কৰিলোঁ। তেখেতৰ মৃত্যুত আমাৰ যি অপূৰণীয় ক্ষতি হ'ল তাৰ বাবে আমি অতিশয় দুঃখিত। তেখেতৰ অৱিনশ্বৰ আত্মাই বৈকুণ্ঠত চিৰ শান্তি লাভ কৰক -এয়ে আমাৰ শোকাকুল মনৰ সবল প্ৰাৰ্থনা।

## ।। পদূলিতে যাচিছোঁ শ্বহীদৰ বেদীত একাঁজলী পুষ্পাঞ্জলী ।।

৺খৰ্গেশ্বৰ তালুকদাৰ

জন্ম

২৮ জুন
১৯৫৯ চন ।



মৃত্যু

১০ ডিচেম্বৰ
১৯৭৯ চন ।

'লুইতৰ পাৰঃৰ আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই' ঃ ভয় নোহোৱা লুইতপৰীয়া ডেকা, অসমী আইৰ আপোন সন্তান, ডেকা অসমৰ স্বপ্ন-দ্ৰষ্টা ছাত্ৰ নেতা শ্ৰীখৰ্গেশ্বৰ তালুকদাৰ, শ্ৰীদিলীপ হুজুৰী, আৰক্ষী বিষয়া শ্ৰীকমল বৰা, উত্তৰ কামৰূপৰ বিভিন্ন স্থানত, নাহৰকটীয়া আৰু ডুলীয়াজানত অকালতে মৃত্যুক সাৱতি লোৱা শ্বহীদসকলে আই অসমীৰ ন্যায্য অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত 'তেজৰে বলিশাল বোলাই' থৈ গ'ল । অসমীয়া জাতিৰ অস্তিত্ব প্ৰতিপন্ন কৰাৰ ন্যায্য দাবীত এই শ্বহীদসকলৰ পূৰ্ণাহুতিত আজি সমগ্ৰ অসম ম্ৰিয়মান । আজি এই শ্বহীদসকল আমাৰ মাজত নাই যদিও আমাক দি গ'ল এটা জীয়াঁ কঁপনি । এই শ্বহীদসকলৰ পূণ্য আত্মাই স্বৰ্গত যেন চিৰ শান্তি বিৰাজ কৰি থাকিব পাৰে—তাৰে প্ৰাৰ্থনাত পদূলীতে যাচিছোঁ শ্বহীদৰ বেদীত একাঁজলী পুষ্পাঞ্জলী । জয় আই অসম ।

## অশ্রু তৰ্পণ

★ প্ৰাক্তন বিধায়ক, ৰায়বাহাদুৰ শ্ৰীদৌলত চন্দ্ৰ বুঢ়াগোহাঁই,

★ অসম মাতৃৰ সুযোগ্য সন্তান, অসম সাহিত্য সভাৰ সপ্তত্ৰিংশতম অধিবেশনৰ সভাপতি, সুবিজ্ঞ অধ্যাপক শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰু,

★ অসমীয়া বোলছবি নিৰ্মাতাসকলৰ অন্যতম শ্ৰীদ্বিজেন্দ্ৰ নাৰায়ণ দেৱ,

★ উচ্চ স্তৰৰ শংকৰী কলা-সংস্কৃতি আৰু বৰগীতৰ ওজা শ্ৰীদয়াল চন্দ্ৰ সূত্ৰধৰ,

★ ভাৰতীয় মুক্তি আন্দোলনৰ অক্লান্ত যুঁজাৰু শ্ৰীচন্দ্ৰ কান্ত বৰকাকতী,

★ সু-সাহিত্যিক, অধ্যক্ষ শ্ৰীতাৰিণী কান্ত ভট্টাচাৰ্য্য,

★ শ্ৰমিক নেতা শ্ৰীছত্ৰ গোপাল কৰ্মকাৰ,

★ প্ৰাক্তন কানৈয়ান, উদীয়মান গায়ক, গীতিকাৰ শ্ৰীকমল স্বৰ্ণকাৰ,

★ স্বাধীন ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল শ্ৰীলৰ্ড মাউণ্ট বেটেন,

★ যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীকৃষ্ণ চন্দ্ৰ কাকতী,

★ বিপ্লৱৰ শ্বহীদ, লোক নায়ক শ্ৰীজয়প্ৰকাশ নাৰায়ণ,

★ বিধায়ক শ্ৰীভদ্ৰেশ্বৰ গগৈ,

★ প্ৰাক্তন কানৈয়ান, শিক্ষাবিদ, ডিব্ৰুগড়ৰ বিশিষ্ট নাগৰিক, সমাজকৰ্মী, প্ৰসিদ্ধ আইনজীৱি শ্ৰীবিমন্দ চন্দ্ৰ বৰুৱা

আৰু

★ যোৱা ৫।১।৭৯ তাৰিখে নগাৰ বৰ্বৰ আক্ৰমণত নিহত হোৱা নিৰীহ অসমীয়া সকলৰ—পবিত্ৰ স্মৃতিত আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী নিবেদন কৰিছোঁ। তেখেতসকলৰ অবিনশ্বৰ আত্মাই চিৰ শান্তি লাভ কৰক।

# সূচীপত্ৰ

কানৈ মহাবিদ্যালয় আলোচনী ॥ ৩৩তম সংখ্যা ॥ ১৯০১ শক ॥ ১৯৭৮-৭৯ চন

**সম্পাদকীয় ঃ**

**প্ৰবন্ধৰ শৰাই ঃ**

দেউৰী সমাজৰ সংস্কৃতিত এভুমুকি ★ দিলীপ ভ'ৰালী

সাম্প্ৰতিক অসমীয়া সাহিত্যত নিভাঁজ ৰচনা-ৰীতি ★ কোকিল কুমাৰ বনগঞা

বান্দৰ ★ অধ্যাপক ডিম্বেশ্বৰ চলিহা

নলিনী বালা দেৱীৰ কাব্য সাহিত্যলৈ অৱদান আৰু কাব্য সুৰৰ গতি ধাৰা ★ হেমন্ত বৰুৱা

**কবিতাৰ কৰণি ঃ**

আমি প্ৰস্তুতি চলাওঁ ★ জ্যোতিৰ্ময়ী ফুকন

এটা প্ৰশ্ন মোৰ জীৱনৰ ★ দিলীপ গগৈ

ফাগুনৰ ছবি ★ অমিয় কুমাৰ লাহন

যুগৰ আহবান ★ অঞ্জলি গগৈ

অসমীয়া ভাষা ★ অধ্যাপক মদন মোহন গোস্বামী

জন্মান্ধ ধৃতৰাষ্ট্ৰ আৰু আমি ★ লেখনী বৰুৱা

পুৰণি পৃথিৱীত এক নতুন ধুমুহাৰ আবিৰ্ভাৱ ★ কৃপাল কুমাৰ বৰুৱা

অপেক্ষা ★ দিপালী চেতিয়া

হো-চি-মিনৰ কবিতা ★ মাধুৰীমা বৰুৱা

তিনিটা প্ৰেমৰ কবিতা ★ যোগেশ লস্কৰ

চকা আৰু গতি ★ কবিতা ফুকন

**গল্পৰ কুকি ঃ**

দাগ ★ তিলক বৰা

সিহঁতে হাঁহিছে ★ নীলাক্ষি বৰুৱা

উপলব্ধি ★ শেৱালী চেতিয়া

স্বপ্ন ভংগ ★ মীৰা বৰগোহাঁই

ইণ্টাৰভিউ ★ সঞ্জীৱ কুমাৰ বৰঠাকুৰ

যৌতুক ★ গুণেশ্বৰ মহন্ত

নদী বৈ যায় ★ দুদুমণি কোঁৱৰ

প্ৰেতাত্মাৰ বিদ্ৰোহ ★ মুকেশ চুতীয়া

**মুখামুখি ঃ**

**ৰস ৰচনা ঃ**

চালাম ★ প্ৰভাত চন্দ্ৰ বৰুৱা

গাজা ★ প্ৰভাত প্ৰাণ কোঁৱৰ

**সুন্দৰৰ বৰচ'ৰা ঃ**


বিহংগম দৃষ্টিত কানৈ মহাবিদ্যালয়, ১৯৭৮-৭৯

**খেল জগত ঃ**

টেষ্ট ক্ৰিকেটত ভাৰতীয় ফাষ্ট ব'লাৰ ★ ধ্ৰুৱজ্যোতি চেতিয়া

বিশ্ববাসীৰ এক মিলণভূমি—অলিম্পিক ★ খগেন্দ্ৰ দিহিঙীয়া

সাধাৰণ সম্পাদকৰ কলম





## ॥ সংগ্ৰামী শ্বহীদৰ তপত ৰক্তৰ দাম লবলৈ অসমবাসী সংকল্পবদ্ধ ॥

সদৌ অসম ছাত্ৰ সংস্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ যুটীয়া আহ্বান ক্ৰমে অসমৰ ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম বাদ দিয়া আৰু সিবিলাকক বহিস্কাৰ নকৰা পৰ্য্যন্ত অসমত মধ্যকালীন নিৰ্ব্বাচনৰ স্থগিতকৰণৰ দাবীত একে পতাকাৰ তলত গঢ় লৈ উঠা সাম্প্ৰতিক গণ আন্দোলন এটা চৰম সন্ধিক্ষণত উপনীত হৈছেহি । এই আন্দোলনক গণতান্ত্ৰিক, ন্যায়সংগত, সুস্থ-সবল, অহিংস, ধৰ্মনিৰপেক্ষ আৰু সৰ্বাত্মক বিপ্লৱ বুলি আমি অভিহিত কৰোঁ । এই সংগ্ৰাম অসমবাসীৰ ন্যায্য অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম । ভাষা, বৰ্ণ, শ্ৰেণী নিৰ্বিশেষে সদৌ অসমবাসী ৰাইজে স্বতঃস্ফুৰ্ত্তভাৱে এই আন্দোলনৰ দাবানলত ঘৃতাহুতি দিছে । ব্যাপকতাৰ দিশৰ পৰা এই আন্দোলনে ১৯৪২ চনৰ গণ বিক্ষোভকো চেৰ পেলাইছে । যোৱা নবেম্বৰ মাহৰ পৰা অহৰহ চলি থকা বিভিন্ন জন সমাবোহ, অসম বন্ধ, ধৰ্মঘট, অৱস্থান ধৰ্মঘট, চৰকাৰী কাৰ্য্যালয় পৰিচালনাত বাধা প্ৰদান, গণ সত্যাগ্ৰহ আদি অশ্ৰুতপূৰ্ব আৰু অভুতপূৰ্ব কাৰ্য্যই অসমীয়া জাতিৰ অস্তিত্ব প্ৰতিপন্ন কৰাৰ উপৰিও অসমীয়া জাতিৰ নিজস্ব বৈশিষ্ট্য সু-প্ৰতিষ্ঠিত কৰিলে । আপোন অস্তিত্ব হেৰুৱাবলৈ যে অসমত অসমীয়া নতুন পুৰুষৰ জন্ম হোৱা নাই আৰু সৰলমতি অসমীয়াসকল যে মাটিৰ মূতি নহয়— প্ৰতিবাদ কৰিব জানে তাক এই গণ আন্দোলনে প্ৰমাণ কৰি দেখুৱালে । স্বাধীনোত্তৰ কালৰ যোৱা ৩২ বছৰৰ ভাৰতীয় বুৰঞ্জীত এনে বিস্ময়কৰ অভিলেখ বিৰল ।

এই আন্দোলন কোনো জাতি, ভাষা, বৰ্ণ বিৰোধী নহয়—কেৱল মাত্ৰ বিদেশী নাগৰিকৰ বিৰোধীহে । ভাৰতীয় সংবিধান অনুসৰি ১৯৪৮ চনৰ ১৯ জুলাইৰ পিচত অসমলৈ অহা আৰু ভাৰতীয় নাগৰিকত্ব নোপোৱা সকলো লোকেই বিদেশী । বে-আইনীভাৱে নিৰৱিচ্ছিন্নৰূপে সোমাই অহা আৰু আহিব থকা এই সকল লোকৰ অসম তথা ভাৰতভূমিত থকাৰ কোনো অধিকাৰ নাই । এই সকল লোকে অসমৰ ভাষা, কলা, সংস্কৃতিক এক গভীৰ সংকটৰ মাজলৈ ঠেলি দিয়েই ক্ষান্ত থকা নাই বৰং অসমৰ নানা সমস্যা যেনে খাদ্য, নিবনুৱা, মাটি, শিক্ষা, শিল্পোদ্যোগ, চাকৰি আদিৰ ক্ষেত্ৰতো প্ৰধান কাৰণ । চৰকাৰীভাৱে এই বিদেশী নাগৰিকৰ সংখ্যা যদিও দুই লাখ মানহে বুলি কোৱা হৈছে, প্ৰকৃততে বেচৰকাৰীভাৱে প্ৰায় ১৩ লাখৰো অধিক হব ।

কংগ্ৰেছৰ কু-শাসনৰ কালত নিজৰ প্ৰতিষ্ঠা আৰু ব্যক্তিগত লাভালাভৰ পৰিপেক্ষিততেই যে এই বিদেশীসকল আহি অসম ভৰি পৰিলহি— সি কাৰোৰেই অবিদিত নহয় । এই স্বাৰ্থান্ধ, মেৰুদণ্ডহীন,

ভদ্ৰতাৰ মুখা পিন্ধা তথাকথিত সৰ্বহাৰাৰ নেতাসকলে যাতে নিৰ্বাচনৰ সময়ত বিদেশী নাগৰিকৰ ভোটেৰে নিজৰ নিজৰ সমষ্টিৰ পৰা বিনা দ্বিধাৰে জয়লাভ কৰিব পাৰে তাকে ভাবি হেজাৰ হেজাৰ বিদেশী নাগৰিকৰ নাম ভোটাৰৰ তালিকাত ভৰাই ললে। দেশ আৰু দেশবাসীৰ স্বাৰ্থক তেনেই নগণ্য ভাবি ব্যক্তিগত স্বাৰ্থৰ ওপৰতহে এই নেতাসকলে অধিক গুৰুত্ব আৰোপ কৰিলে। এই সকলেই আমাৰ 'নেতা'— যি প্ৰকৃত দেশসেৱক বুলি ভাবি গঙ্গাটোপৰ দৰে ভেমত ওফন্দি থাকে। প্ৰকৃতাৰ্থত এই সকল 'ফোঁপোলা' দেশসেৱী। সেয়েহে বৰ্তমানৰ আন্দোলনত এই তথাকথিত নেতা সকলে ভাগ লোৱা দেখা নাযায়। এই নেতাসকলে ভাৱে নিৰ্বাচন হওক আৰু বিদেশীৰ ভোটেৰে তেওঁলোকে জয়লাভ কৰি দেশৰ গুৰি ধৰক। কিন্তু এই সৰ্বহাৰাৰ নেতাসকলে মনত ৰাখিব লাগে যে দেশী-বিদেশী সকলো ধৰণৰ উপৰ্যুপৰি ষড়যন্ত্ৰৰ মেৰপেঁচত সোমাই বিপদাপন্ন হৈ পৰা অসমীয়া জাতি, ভাষা-সাহিত্য-সংস্কৃতি, অসমৰ অৰ্থনীতিক মোকলাই ভাৰতীয় গণৰাজ্যৰ ভিতৰত অসমৰ যোগ্য প্ৰতিনিধিত্ব প্ৰতিপন্ন কৰাই এই সংগ্ৰামৰ মূখ্য উদ্দেশ্য। ইয়াক কোনেও প্ৰতিৰোধো কৰিব নোৱাৰে। সোণ গুটি অসমৰ অসমীয়া সকল পপিয়া তৰা নহয় যে নিমিষতে আকাশৰ পৰা খহি পৰিব!

কিছুমান 'কু-চক্ৰী' দলে আমাৰ এই গণতান্ত্ৰিক আন্দোলনক বিপথে পৰিচালিত কৰিবলৈ দিনে ৰাতিয়ে অহৰহ ষড়যন্ত্ৰ চলাই থকাৰ কথা কাৰো অবিদিত নহয়। এই কু-চক্ৰীদলৰ উচটনিৰ গইনা লৈ নাহৰকটীয়া, ডুমডুমা, তিনিচুকীয়া, লামডিং, ডিব্ৰুগড়, ডিগবৈ, ডুলীয়াজান আৰু উত্তৰ কামৰূপৰ বিভিন্ন ঠাইত গন্দগোলীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে আৰু যাৰ ফলত খৰ্গেশ্বৰ তালুকদাৰ, দিলীপ হুজুৰী, কমল বৰা আদিৰ দৰে যুৱকসকলে মৃত্যুক আকোঁৱালী লব লগা হৈছে। তাৰোপৰি হেজাৰ হেজাৰ নিৰপৰাধী লোক চি, আৰ, পিৰ গুলীত পানী হিলৈ ফুটাদি ফুটিছে। আমি প্ৰতিক্ৰীয়াশীল তথা সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে অসমবাসী ভাৰতীয় নাগৰিকসকল সদা জাগ্ৰত হৈ থাকিবলৈ লগতে অসম ৰাজ্যৰ ভৌগোলিক চাৰিসীমাৰ মাজত বাস কৰা এই ৰাজ্যৰ সমূহ খিলঞ্জীয়া জনগোষ্ঠী আজি গভীৰ সংকটৰ সন্মুখীন হোৱাটো প্ৰত্যেক অসমবাসী ভাৰতীয় নাগৰিকে বুজি উঠিবলৈ আৰু এই আন্দোলনক সুদূৰ প্ৰসাৰী, ব্যাপক আৰু তীব্ৰ কৰি তোলাত সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ আকুল আহবান জনালো। সাম্প্ৰদায়িক বক্তাক্ত বীজানুৰ বীজ অসমবাসীৰ ওপৰত ছটিয়াই দিয়াৰ যি দুৰ্ঘোৰ ষড়যন্ত্ৰ চলিছে সেই ষড়যন্ত্ৰই যাতে গা কৰি উঠিব নোৱাৰে তাৰ বাবে জনসাধাৰণক সজাগ থাকিবলৈ আমি গোহাৰি জনালো। জয় আমাৰ অনিবাৰ্য্য। ই ধান খেৰৰ জুই নহয় যে নিমিষতে তিমৰ দৰে চেঁচা পৰি যাব। ই অনিৰ্বাণ দীপশিখা। আকৌ নতুন প্ৰভাত হব আকৌ নতুন অসম হ'ব।

## ॥ অসমত ৰাষ্ট্ৰপতিৰ শাসন: ৰাজনৈতিক ষড়যন্ত্ৰ ॥

স্বাধীনতাৰ উত্তৰ কালৰ অসম ৰাজ্যৰ সংসদী ৰাজনৈতিক ইতিহাসত প্ৰথম বাৰৰ কাৰণে ৰাজ্যখনত যোৱা ১২ ডিচেম্বৰত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ভাৰতীয় সংবিধানৰ ৩৫৬ অনুচ্ছেদৰ অধীনত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰে। ৰাষ্ট্ৰপতিয়ে দিয়া ঘোষণা মতে খুউব কম দিনৰ কাৰণে অসম বিধান সভা নিষ্ক্ৰিয় কৰা হৈছে আৰু এখন সুস্থিৰ তথা স্থায়ী মন্ত্ৰী সভা গঠন হলেই এই নিষ্ক্ৰিয়তা বাতিল কৰা হ'ব। অসমৰ ৰাজ্যপালেও স্থায়ী মন্ত্ৰী সভা গঠন হলে ৰাষ্ট্ৰপতি শাসন প্ৰত্যাহাৰৰ পক্ষে কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়াৰ ইংগিত দিছে। ৰাজ্যপালে এনে ইংগিত দিছে

যদিও এই শাসন কিমান দিন অব্যাহত থাকিব তাক সদ্যহতে কোৱা টান। যিহেতু এখন স্থায়ী মন্ত্রী সভা গঠনৰ প্ৰশ্নটো অসম বিধান সভাৰ ৰাজনৈতিক দলকিটাৰ আচৰণ আৰু দূৰদৰ্শিতাৰ ওপৰতে প্ৰধানতঃ নিৰ্ভৰ কৰে। যিকি নহওক অসমত ৰাষ্ট্ৰপতি শাসনৰ দৰে এটা অগণতান্ত্ৰিক শাসনৰ সচাঁয়ে জাঁনো প্ৰয়োজন হৈছিল বা এই শাসন প্ৰযোজ্যৰ পৰিবেশ সৃষ্টি হৈছিলনে? সকলো দিশৰ পৰা পুংখানুপুংখ ভাৱে বিশ্লেষণ কৰি চালে দেখা যায় এটা বিশেষ পৰিবেশ যি পৰিবেশে ৰাষ্ট্ৰপতি শাসন মাতি আনিব পাৰে তেনে এটা পৰিবেশ অসমত সৃষ্টি হোৱা নাছিল। গতিকেই এই শাসন অগণতান্ত্ৰিক পদ্ধতিৰ চৰম নিদৰ্শন। অসমত এই অগণতান্ত্ৰিক পদ্ধতিৰ দোষ বা গুণৰ কাৰণে দায়ী কেৱল বিধায়কসকল বিশেষকৈ ৰাজনৈতিক দলবিলাক। এইখিনিতে উল্লেখযোগ্য যে যোৱা ন ডিচেম্বৰৰ দিনা এনা সংগ্ৰামী দলে ৰাজ্যপালক লগ ধৰোঁতে ৰাজ্যপালে ন-দি কয় যে তেওঁ অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰবৰ্তনৰ ঘোৰ বিৰোধী। কিন্তু সেই একে সন্ধিয়া অৰ্ছ কংগ্ৰেছৰ দুজন মুখ্য পিন্ধা তথাকথিত নেতা যি বিদেশী কোন তাৰ সংজ্ঞা নাজানে ৰাজ্যপালৰ সৈতে সাক্ষাত কৰি ৰাজ্যপালক পতিয়ন নিয়াই যে যিহেতু ৰাজ্যৰ সামগ্ৰিক পৰিস্থিতি অৱনতি হৈছে গতিকে ৰাষ্ট্ৰপতিৰ শাসনৰ বাদে আন গত্যন্তৰ নাই। যোৱা চেপ্টেম্বৰ মাহত অসম জনতা দলৰ মন্ত্ৰী সভা গঠন হওঁতে আৰ্ছ কংগ্ৰেছে চৰ্ত্তবিহীন ভাৱে অকুণ্ঠ সমৰ্থন দিছিল আৰু এই দলৰ নেতা গৰাকীয়ে বাৰে বাৰে জনাইছিল যে তেওঁ মন্ত্ৰীসভা গঠন নকৰে মন্ত্ৰী সভা গঠন নকৰে নলাগে, কথা হল যি সময়ত শদিয়াৰ পৰা ধুবুৰীলৈকে ছাত্ৰ শক্তিৰ নেতৃত্বত অসমলৈ কাকতি ফৰিঙৰ দৰে উৰি আহি গোজেই গজালি হৈ যহা বিদেশী লোকৰ নাম ভোটাৰ তালিকাৰ পৰা খাৰিজ আৰু তেওঁলোকক অসমৰ পৰা বহিষ্কাৰ কৰাৰ দাবীত আৰু তাকে নকৰিলে মধ্যকালীন নিৰ্ব্বাচন বৰ্জ্জন কৰাৰ দাবীত যি গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ আন্দোলন চলিছিল তেনে সময়ত আছ কংগ্ৰেছে কি যুক্তিত চৰ্ত্তবিহীন সমৰ্থন প্ৰত্যাহাৰ কৰিবলৈ সিদ্ধান্ত ললে? এয়াই আমাৰ সৰ্বভাৰৰ তথাকথিত নেতা যি বিদেশীৰ সংজ্ঞা নাজানে অথচ ভালেকেইছৰ অসমৰ মুখ্য মন্ত্ৰীত্বৰ গাদীত বহিছিল। আৰু এয়াই আমাৰ ৰাজনৈতিক দল যি দলে বৰ্ত্তমান অসমৰ দুৰ্দিনৰ কথা চিন্তা কৰি জনতাৰ লগত চামিল হৈ নতুন মন্ত্ৰী সভা গঠন কৰিবলৈ উদ্যত হৈছে অথচ সেই দলেই সৰলমতি অসমীয়াৰ প্ৰাণৰ দাবীক আওকান কৰি চিলচৰ আৰু কৰিমগঞ্জত লোকসভাৰ নিৰ্বাচনত প্ৰাৰ্থী থিয় কৰাইছিল। অসমৰ বৰ্ত্তমান সঙ্কটাপন্ন সন্ধিক্ষণত বিধান সভৰ সকলো দলে অসমৰ ভোটাৰ তালিকাৰ পৰা বিদেশী লোকৰ নাম কৰ্তন কৰা বিদেশী লোকক চিনাক্তকৰণ কৰি অসম ভূমিৰ পৰা বহিষ্কাৰৰ সন্দৰ্ভত এটা স্থিৰসিদ্ধান্ত লৈ এখন সৰ্ব্বদলীয় জনপ্ৰিয় মন্ত্ৰীসভা গঠন কৰি অগণতান্ত্ৰিক ৰাষ্ট্ৰপতি শাসনৰ ওৰ পেলোৱাৰ ঐক্যমতত উপনীত হোৱাটো অসমবাসীয়ে কামনা কৰে। কিন্তু ইতিমধ্যে কেন্দ্ৰত ইন্দিৰা কংগ্ৰেছে চৰকাৰ গঠন কৰিছে। অসমবাসীৰ অবিদিত নহয় যে ইন্দিৰা কংগ্ৰেছৰ সভানেত্ৰী শ্ৰীমতী গান্ধীয়ে নিৰ্ব্বাচনৰ আগেয়ে নানা ঠাইত প্ৰচাৰ কৰিছিল যে অসমত বিদেশী নাগৰিকৰ সন্দৰ্ভত ভালেমান ভাৰতীয় নাগৰিকো আন্দোলনৰ বলি হব লগা হৈছে। কিন্তু প্ৰধান মন্ত্ৰীৰ গাদীত বহি অসমৰ সমস্যাৰ প্ৰতি তেওঁ আশাবাদী ধ্বনি তুলিছে। আগৰ ইন্দিৰা কংগ্ৰেছ আৰু ক্ষমতাধিষ্ঠিত ইন্দিৰা কংগ্ৰেছৰ মাজত পাৰ্থক্য দেখা গৈছে। আমি আশা কৰো অসমৰ পৰা বিদেশী নাগৰিকক বহিষ্কাৰ কৰাৰ গণতান্ত্ৰিক আৰু সাংবিধানিক দাবীক তেওঁ যথোচিত মূল্য দিব।

## ॥ ভাষাবৰ্ষৰ স্বৰূপ ॥

উনৈছ শ উনাশী চনটো ভাৰত চৰকাৰে ৰাজ্য ভাষাবৰ্ষ হিচাপে উদযাপন কৰিছিল। ইয়াৰ মূল

উদ্দেশ্য আছিল ভাৰতীয় সংবিধান স্বীকৃত ভাষা কেইটাক সৰ্ব্বভাৰতীয় দৃষ্টি-ভংগীৰে সন্মান প্ৰদৰ্শন কৰা আৰু নিজ নিজ ৰাজ্যত সেই সেই ভাষাসমূহৰ সামগ্ৰিক বিকাশ আৰু কাৰ্য্যকৰী ব্যৱহাৰৰ খতিয়ান লোৱা ভাৰতৰ আন আন ৰাজ্যৰ ভাষাৰ তুলনাত অসমৰ ৰাজ্য ভাষা 'অসমীয়া' সম্পৰ্কে পৰ্যালোচনা কৰিলে দেখা যায় অসমীয়া ভাষাই সৰ্বভাৰতীয় ভিত্তিত নালাগে অসমৰ চাৰিসীমাৰ ভিতৰতো প্ৰাপ্য মৰ্য্যদা পোৱা নাই। ইয়াতকৈ দুখৰ বিষয় অসমীয়াৰ আৰু কিবা আছে বুলি আমাৰ বিশ্বাস নহয়। ভাৰতীয় সংবিধানৰ ৮ম তপচিল অনসৰি প্ৰত্যেক ৰাজ্যৰ প্ৰধান ভাষাটোক ৰাজ্যভাষা হিচাপে স্বীকৃতি দিয়া সত্বেও আজিকোপতি অসম চৰকাৰৰ সকলো কাম-কাজ অসমীয়াত নোহোৱাটো কেৱল দুখৰ কথাই নহয় পৰিতাপৰ কথাও। উনুকিয়াব পাৰি ১৯৫০ চনৰ পৰাই অসম সাহিত্য সভাই তাৰোপৰি ছাত্ৰ সংস্থা, অসমীয়া ৰাইজে দাবী জনাইয়ে আহিছে যে অসমৰ সকলো চৰকাৰী, বেচৰকাৰী কাৰ্য্যালয়সমূহৰ কাম-কাজ অসমীয়া ভাষাত হব লাগে। কিন্তু হোৱা নাই—কিয়? অসমত অসমীয়া ভাষাক অসমৰ প্ৰশাসনীয় ভাষা কৰিবৰ কাৰণে আন্দোলন কৰিব লগা হৈছে কিয়? ইয়াৰ মূলতে উৰ্ধতন মহলত থকা অসমীয়া বিৰোধী প্ৰশাসনীয় বিষয়াসকল বুলি কাকতে-পত্ৰই ওলাই আছে। এই বিষয়াসকলৰ উদাসীনতা, সময় সাপেক্ষ ষড়যন্ত্ৰমূলক তৎপৰতাৰ বলি হব লগা হৈছে অসমীয়া ভাষা। ফলত অসমীয়া ভাষা পূৰ্ণ পৰ্য্যায়ত অসমৰ কাৰ্য্যালয়বোৰত প্ৰয়োগ হৈ উঠা নাই। আন্তৰিকতাবোধ নাথাকিলে যিদৰে কোনো কাম-কাজ অথবা চিন্তা-চৰ্চ্চাৰ বাস্তৱ ৰূপায়ণ নহয় সেইদৰে আমাৰ মাতৃভাষা অসমীয়াক ৰক্ষা কৰা, ইয়াৰ পূৰ্ণ বিকাশ আৰু প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰতো আন্তৰিকতাবোধ অত্যন্ত জৰুৰী। অসমীয়া আৰু অসমীয়া ভাৱাপন্নলোকৰ আন্তৰিকতাৰ উপৰিও আমি প্ৰত্যেকেই ঘৰুৱা জীৱনত, সামাজিক পৰিৱেশত আৰু চৰকাৰী পৰ্য্যায়ত অসমীয়া ভাষা প্ৰয়োগ কৰি ব্যৱহাৰিক দিশত ইয়াৰ ঔচিত্য গুণ দেখুৱাব লাগিব। তেহে আমাৰ অসমীয়া ভাষাই প্ৰচাৰ, প্ৰসাৰ, বিকাশ আৰু পূৰ্ণ মৰ্য্যাদা লাভ কৰিবলৈ সক্ষম হ'ব।

## ॥ নেপথ্যত ॥

কানৈয়ানসকলৰ পৰা লিখনি আদি পোৱাৰ হতাশাই প্ৰথম অৱস্থাত মনত নানা প্ৰশ্নৰ উদয় হৈছিল। কিন্তু বাস্তৱ সদায়ে কঠিন। কঠিনতাৰ লগত ধৈৰ্য্য আৰু সাহসিকতাৰে সন্মুখীন হলেহে বাস্তৱক বাস্তৱ ৰূপত পোৱা যায়। ধৈৰ্য্য আৰু সাহসিকতাৰে সন্মুখীন হবলৈ গৈ সম্পাদক হিচাপে মই কিমান দূৰ সফলতা লাভ কৰিছোঁ—তাক বিবেচনা কৰাৰ দায়িত্ব আপোনালোকৰ। সাম্প্ৰতিক দেশৰ পৰিস্থিতি আৰু কিছুমান এৰাব নোৱাৰা সমস্যাৰ হেতুকে এই সংখ্যা আলোচনী প্ৰকাশত পলম হোৱাৰ বাবে আৰু আহিকাকত আদি চাই চিতি দি থাকোঁতেও দুই এটা ছপাৰ ভুল থাকি যোৱাত আমি দুঃখিত।


আলোচনীখনৰ প্ৰকাশত যিসকল সহৃদয় কানৈয়ানে লিখনি আদিৰে সহায় আগবঢ়ালে আৰু নানা বহুমূলীয়া পৰামৰ্শ, উৎসাহ-উদগনি, সহায়-সহানুভূতিৰে মোক আপ্লুত কৰিছিল সেই সকলৰ ভিতৰত অধ্যক্ষা লক্ষীদা দত্ত, ভাৰপ্ৰাপ্ত অধ্যাপক ডঃ পৰীক্ষিত হাজৰিকা, উপদেষ্টা অধ্যাপক ডিম্বেশ্বৰ চলিহা, অধ্যাপক ডঃ মহেন্দ্ৰ বৰা, অধ্যাপক প্ৰভুনাথ সিং, অধ্যাপক হৰেন গগৈ, মুখ্য সহায়ক শ্ৰীবেনু দাস, গাণনিক শ্ৰীপূৰ্ণানন্দ হাজৰিকা, সহঃ গ্ৰন্থাগাৰিক শ্ৰীপ্ৰফুল্ল দাস, ছাত্ৰ বন্ধু শ্ৰীকল্যাণ বৰুৱা, শ্ৰীভৱানী বৰুৱা আৰু সম্পাদনা সমিতিৰ সদস্যসকলৰ কথা সম্পাদকৰ স্মৃতিৰ মানসপটত উজ্জল হৈ ৰ'ব। নিউ ইণ্ডিয়া প্ৰেছৰ স্বত্বাধীকাৰী শ্ৰীৱাই চেৰিফলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পৰিশেষত ভৱিষ্যতে এই আলোচনীখনক এখন সৰ্বাংগ সুন্দৰ ৰূপে পাবলৈ কামনা কৰিলোঁ।

॥ জয় আই অসম ॥

—প্ৰভাত প্ৰাণ কোঁৱৰ

॥ ছাত্র একতা সভা, ১৯৭৮-৭৯ চন ॥

॥ ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় ॥



প্ৰথম শাৰী ( বাওঁ ফালৰ পৰা )—কুমাৰী কৃষ্ণা ফুকন ( সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা ), শ্ৰীকৃপাল কুমাৰ বৰুৱা ( উপসভাপতি ), শ্ৰীবেনু দাস ( মুখ্য সহায়ক ), অধ্যাপক জি, পি, কৌৰি ( ভাৰপ্ৰাপ্ত অধ্যাপক, শৰীৰ চৰ্চা বিভাগ ), অধ্যাপক ভামকান্ত কোঁৱৰ, অধ্যাপক নবীন চন্দ্ৰ দত্ত ( উপদেষ্টা, কাৰ্য্যকৰী সমিতি ), অধ্যক্ষা লক্ষ্মীদা দত্ত ( সভাপতি ), অধ্যাপক প্ৰফুল্ল চন্দ্ৰ চক্ৰৱৰ্তী ( ভাৰপ্ৰাপ্ত অধ্যাপক, সংগীত বিভাগ ), অধ্যাপিকা অলকা বৰুৱা ( ভাৰপ্ৰাপ্ত অধ্যাপিকা, ছাত্ৰী জিৰণী কোঠা ), অধ্যাপিকা ৰীতা বৰুৱা ( উপদেষ্টা, ছাত্ৰী জিৰণী কোঠা ), অধ্যাপক শান্তনু সেনগুপ্ত।

দ্বিতীয় শাৰী ( বাওঁ ফালৰ পৰা )—শ্ৰীহৰি, শ্ৰীতপন চন্দ্ৰ শৰ্ম্মা ( সাধাৰণ সম্পাদক ), শ্ৰীদিলীপ কুমাৰ দাস ( সম্পাদক, সংগীত বিভাগ ), শ্ৰীভূপেন বৰগোঁহাই ( সম্পাদক, শৰীৰ চৰ্চা ), শ্ৰীযোগেশ কুমাৰ চিৰিং ( সম্পাদক, সমাজ সেৱা বিভাগ ), শ্ৰীঅমিয় কুমাৰ দাস ( সম্পাদক, সাধাৰণ খেল বিভাগ ), শ্ৰীআলতাফ হুছেইন ( সম্পাদক, গৌণ খেল বিভাগ ), শ্ৰীজগত চন্দ্ৰ হাজৰিকা ( সম্পাদক, মুখ্য খেল বিভাগ ), শ্ৰীঅভিমন্যু বৰুৱা ( সম্পাদক, ছাত্ৰ জিৰণী কোঠা ), শ্ৰীপ্ৰভাত প্ৰাণ কোঁৱৰ ( সম্পাদক, কানৈ মহাবিদ্যালয় আলোচনী ), শ্ৰীজয়ন্ত মাধৱ ভূঞা ( সহঃ সাধাৰণ সম্পাদক )।

* তৰ্ক আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক শ্ৰীত্ৰৈলোক্য দাসক ফটোত দেখা নাই।

# দেউৰী সমাজৰ সংস্কৃতিত এভুমুকি

—দিলীপ ভুঁৱালী
স্নাতক মহলা, প্ৰথম বাৰ্ষিক (বিজ্ঞান)

প্ৰাকৃতিক সৌন্দৰ্য্যৰে পৰিবেষ্টিত অসম লোক সংস্কৃতিৰ উৰ্ব্বৰা উৎস ভূমি। বুৰঞ্জীৰ কোনোবা বিস্মৃত যুগতে অসমী আইৰ সুকোমল বুকুত মহাবাহু লুইতৰ পাৰে পাৰে অংকুৰিত হৈছিল বিভিন্ন জাতি, উপ-জাতি তথা জনজাতিৰ বাৰেবৰণীয়া সংস্কৃতি আৰু সেই সংস্কৃতিসমূহৰ সংমিশ্ৰিত জাতিপুঞ্জৰ ধৰ্ম্ম, দৰ্শন, ভাষা, সাহিত্য, ৰীতি-নীতি, গীত-মাত, জ্ঞান-বিজ্ঞানৰ আদান-প্ৰদানৰ মহামিলনত আলফুলকৈ আঁচুফুল বাচি আজি অসমৰ ভৌগোলিক পৰিবেষ্টনে ৰচনা কৰিছে এক অসমীয়া মহাজাতি, অসমৰ লোক-সংস্কৃতি, লুইতপৰীয়া সংস্কৃতি। এই লুইত-পৰীয়া সংস্কৃতিত এসময়ৰ অসমৰ উত্তৰ-পূব প্ৰান্তৰ শদিয়া অঞ্চলৰ বৰনৈ (লোহিত), কুণ্ডিল, দিবং, টেঙাপানী আদি নৈৰ পাৰে পাৰে সেই নৈসমূহৰ পৱিত্ৰ জলধাৰাৰ শীতল পৰশত জীপালে উঠা অসমৰ অন্যতম জনজাতি দেউৰী-সকলৰ সংস্কৃতিয়ে যি অৱদান যোগাইছে তাক কোনেও নুই কৰিব নোৱাৰে আৰু সেই বৰ-ঙনিয়ে অসমীয়া লোক-সংস্কৃতিক দুগুণে সোণত সুৱগা চৰাইছে।

অসমৰ অন্যান্য জনজাতিসকলৰ সংস্কৃতিৰ দৰে দেউৰীসকলৰ সংস্কৃতিও বৈশিষ্টপূৰ্ণ। কিন্তু অতি পৰিতাপৰ বিষয় যে দেউৰীসকলক আজিও বহুতে মিছিং বা মিৰি সকলৰেই এটি ঠাল আৰু তেওঁলোকৰ সংস্কৃতিক মিছিং সংস্কৃতিৰে এক অপভ্ৰংশ বুলি কব খোজে। সেইয়া প্ৰকৃততে ভুল ধাৰণা। কাৰণ, মাত-কথা তথা কৃষ্টি-সংস্কৃতিৰ ফালৰ পৰা দেউৰী আৰু মিছিং দুয়ো দুটা সুকীয়া সুকীয়া সম্প্ৰদায়। তথাপি বহুতৰে "দেউৰী-মিৰি এক" বুলি এটি ভুল ধাৰণা আছে। সেয়ে আমাৰ অলোচ্য বিষয়ৰ ওপৰত আলোচনা কৰিবলৈ যোৱাৰ আগে দেউৰীসকলৰ এটি পৰিচয় দাঙি ধৰাটো নিশ্চয় সমীচীন হব।

এই দেউৰীসকল ক'ৰ পৰা কেনেকৈ প্ৰব্ৰজন হৈ আহি অসমৰ বুকুত আশ্ৰয় ললেহি সেয়া সঠিককৈ কোৱা টান। বহুতো পণ্ডিতৰ মতে তেওঁলোক দক্ষিণ-পূব এচিয়াৰ পৰা প্ৰব্ৰজন হৈ আহি অসমত প্ৰবেশ কৰেহি। নৃতাত্বিক বিচাৰমতে দেউৰীসকল মঙ্গোলীয় গোষ্ঠীৰ তিৰ্ব্বতোবৰ্ম্মী শাখাৰ অন্তৰ্ভুক্ত আৰু

অতীত গৌৰৱেৰে গৌৰৱান্বিত ভীষ্মক ৰজাৰ কুণ্ডিল নগৰ—বৰ্ত্তমান শদিয়া অঞ্চলৰ অতি পুৰণি আদিবাসী। শদিয়াত চুতীয়াসকলে যি সময়ত ৰাজ্য পাতি মহাপ্ৰয়োভৱেৰে ৰাজ্য শাসন কৰিছিল, সেই সময়ত দেউৰীসকল চুতীয়াৰ পুৰোহিত ফৈদৰ লোক আছিল বুলি বুৰঞ্জীত পোৱা যায়। প্ৰকৃততে কিন্তু চুতীয়াসকলৰ মাজৰ পৰা যি কেইজন লোকক শদিয়াৰ দেওশাল বোৰৰ পৰিচালনাৰ বাবে দায়িত্বভাৰ অৰ্পণ কৰা হৈছিল, তেওঁলোককহে 'দেউৰী' বুলি জনা গৈছিল। অৰ্থাৎ দেউৰীয়েই আছিল দেওশালৰ পুৰোহিত। এক কথাৰ কবলৈ গলে, ষোড়শ শতিকাত চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ অধীনলৈ অহাৰ পাছত ছেদেলি-ভেদেলি হৈ পৰা চুতীয়া সকলৰ যিটো ঠালে শদিয়া অঞ্চল ত্যাগ নকৰি দেওশালসমূহত তান্ত্ৰিক প্ৰথা অনুসৰি বলি-বাহন দি নিজ ধৰ্ম্ম ৰক্ষা কৰি থাকিল, সেই সকল লোকেই কালক্ৰমত পুৰোহিত 'দেউৰী' বাবটোৰ পৰা দেউৰী নামেৰে জনাজাত হৈ পৰিল বুলি কলে হয়তো অত্যুক্তি কৰা নহব যেন লাগে। কিয়নো, চুতীয়াসকলৰ মাজত আজিও 'বৃকক' নামৰ এটি কুল আছে, যিটো দেউৰীৰ মাজতো দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰিও ডব্লিউ বি ব্ৰাউনৰ মন্তব্যত এনেদৰে পোৱা যায়ঃ "The people are generally called Deoris simply, the language is more popularly known as Chutiyas". *

বৰ্ত্তমান অসমৰ শিৱসাগৰ, ডিব্ৰুগড়, লক্ষীমপৰ আৰু দৰং জিলাত আৰু অৰুণাচলৰ লোহিত জিলাত সিঁচৰিত হৈ বসবাস কৰি থকা দেউৰীসকল প্ৰধানকৈ তিনিখেলত বিভক্ত—(১) টেঙাপনীয়া (২) বৰগঞা আৰু (৩) দিবঙীয়া। শদিয়াত থকা ঠাইৰ নামানুসাৰেই এই নামবোৰ পাইছে। টেঙাপানী নৈৰ পাৰত বাস কৰা খেলক টেঙাপনীয়া, বৰনৈৰ ( লোহিত ) পাৰত থকাসকলক বৰগঞা আৰু দিবং নৈৰ পাৰত বাসকৰা খেলত দিবঙীয়া বুলি জনা যায়। ইয়াৰ ওপৰি পাটবগঞা বুলি এটি খেল আছিল যদিও তেওঁলোকৰ বিষয়ে বৰ্তমান একো জনা নাযায়। চুতীয়াৰ কৌটিকলীয়া ভাষা, কলা-কৃষ্টি আৰু ধৰ্ম্ম-বিশ্বাস আজিও সংৰক্ষিত কৰি ৰক্ষা দেউৰী সকলৰ কেৱল দিবঙীয়াৰ মাজতহে চুতীয়া ভাষাটো কথিত হিচাপে জীয়াই আছে। বাকী দুটা খেলে অসমীয়া ভাষা গ্ৰহণ কৰিছে। অৱশ্যে পুৰোহিতসকলে এতিয়াও পূজা-পাতলৰ মন্ত্ৰসমূহ চুতীয়া ভাষাতে পাঠ কৰে। উল্লেখনীয় যে এই ভাষাৰ সতে বড়ো ভাষাৰ বহুতো সাদৃশ্য থকা দেখা যায়।

সৰ্ব্বসাধাৰণতে দেউৰী সমাজ নৈ কাষৰীয়া। য'তে নৈ, জান, জুৰি—ত'তে দেউৰী গাওঁ। যেন নৈৰ সতে দেউৰী সমাজৰ জীৱন জোৰা সম্পৰ্ক! পুৰণি বাসস্থান শদিয়াতো নৈৰ পাৰে পাৰে বাস কৰাৰ কথা ওপৰত উনুকিয়াই অহা হৈছে। তদুপৰি মান ভগনৰ কিছু পিছতেই মিচিমিৰ বিদ্ৰোহৰ বাবে শদিয়াত থাকিব নোৱাৰি তিনিও খেল দেউৰীৰ সকলো মানুহ চিৰ শাশ্বত লুইতৰ বুকুয়েদি ভটিয়াই আহি প্ৰথমে মাজুলী-তহে থাকিবলৈ লৈছিল। হয়তো সেই বাবেই

সঘনে পোৱা বানপানীৰ পৰা সকাহ পাবলৈ নতুবা ৰাতি বন্য জীৱ জন্তুৰ পৰা নিজকে আত্ম-ৰক্ষা কৰিবলৈ আৰু মুকলি বতাহ সকলো সময়তে পাবৰ সুবিধাৰ্থে নৈৰ পাৰে পাৰে দেউৰী সকলে চাংঘৰ সাজি বসবাস কৰিবলৈ ললে। চাংঘৰত বাস কৰাৰ এই মূখ্য কাৰণবোৰৰ ওপৰিও গৌণ কাৰণ যিমানেই নাথাকক লাগে পানী নোহোৱা ঠাইতো দেউৰীসকলে চাংঘৰাতেই বাস কৰে।

দেউৰী সমাজত ন্যূনতম পৰিয়ালতকৈ সংযুক্ত পৰিয়ালৰ ( Joint Family ) সংখ্যাহে বেছি দেখা পোৱা যায়। কেতিয়াবা এখন ঘৰতে ৬০।৭০ জনলৈকে থকা দেখা যায়। সেয়ে কাঠ, বাঁহ, ইকৰাৰে তৈয়াৰ কৰা ঘৰবোৰৰ ভিতৰ খন কেইবাটাও কোঠাত বিভক্ত কৰা থাকে। সাধাৰণতে কোনো খিৰিকি নৰখা দীঘলীয়া ঘৰ টোৰ একমাত্ৰ দুৱাৰখন ঘৰৰ সমূখৰ ফালে হয়। ঘৰৰ একেবাৰে শেষৰটো কোঠা পাক-ঘৰ ( নিয়ামা আঁচ )। ইয়াত গোটেই পৰি-য়ালটোৰ বাবে ৰন্ধা-বঢ়া কৰিবলৈ এখন ডাঙৰ জুহাল ( দুদেপাতি ) আৰু এখন ধোঁৱা চাং ( গিছুং ) থাকে। প্ৰত্যেক ঘৰতে আকৌ দুৱাৰ খনৰ পৰা পাকঘৰলৈকে দীঘে দীঘে এটা দীঘ-লীয়া বাট থয়। ইয়াৰ পৰা মাজৰ কোঠা-বোৰলৈ সোমাব পৰাকৈ বাট থয় যদিও কোনো দুৱাৰ নাৰাখে।

ঘৰৰ সমূখৰ ফালে গোটেই পৰিয়ালটোৱে গৰমকালি বতাহ লব পৰাকৈ ঘৰৰ চাঙৰে এখন আহল-বহল বাৰান্দা (মিছুং) কৰি লোৱা থাকে। কোনো কোনো গাৱঁত গাওঁৰ ডেকাল'ৰাই ডেকা চাং হিচাপে সেই মিছুংবোৰকেই ব্যৱহাৰ কৰে। অৱশ্যে যিবোৰে গাৱত 'ডেকা চাং' (এলেং ঘৰ) আছে, সেইবোৰ গাৱঁত ডেকাসকলে তাতেই ডেকা জীৱন কটায়। এলেং ঘৰত ডেকাসকলে তেওঁলোকৰ অগ্ৰজসকলৰ পৰা প্ৰতিৰক্ষা, গাৱঁৰ উন্নতিৰ অৰ্থে দলবান্ধি কাম কৰা ইত্যাদিৰ বিষয়ে নীতিশিক্ষা গ্ৰহণ কৰে। টেঙাপনীয়া খেলৰ মাজত গোত্ৰ অনুসৰি ঘৰৰ প্ৰথম কোঠা–টোক 'সুৱচনী কোঠা' বোলে। তেওঁলোকৰ মতে 'সুৱচনী' হ'ল ঘৰখনৰ ঘাই দেৱী আৰু সেইবাবে আছুতিয়াকৈ ৰখা সেই কোঠাতে 'সুৱচনী পূজা'ও পাতে। মনকৰিবলগীয়া যে দেউৰী সমাজত 'গাভৰু চাং'ৰ কোনো ব্যৱস্থা নাই।

দেউৰী গাওঁবোৰৰ এটি প্ৰধান বিশেষত্ব হৈছে যে এখন গাওঁত কেৱল এটা খেলৰ মানু-হকহে পোৱা যায় অৰ্থাৎ এটা খেলৰ লগত অন্য খেলৰ মানুহে লগলাগি কেতিয়াও বাস কৰা দেখা নাযায়। হয়তো পূজা অৰ্চ্চনাৰ সুবিধালৈ চাই দেউৰীসকলে এইদৰে খেল পাতি বাস কৰে। কাৰণ, টেঙাপনীয়া খেলৰ আৰাধ্য দেৱতাক বৰগঞাসকলে কেতিয়াও পূজিব নোৱাৰে। ঠিক সেইদৰে দিবঙীয়াসকলৰ আৰাধ্য দেৱ-দেৱী বৰগঞাসকলৰ বাবে অৰ্চ্চনীয় নহয়। শদিয়াত থকাৰ দৰে টেঙাপনীয়াসকলে 'বলিয়া বাবা', বৰগঞাসকলে তেওঁলোকৰ আৰাধ্য দেৱী 'তাম্ৰেশ্বৰী' বা 'কেঁচাইখাতী' আৰু

দিবঙীয়াসকলে 'কুণ্ডিমামা' বা 'গিৰা-গিৰাচী' শালৰ নামত প্ৰতিখন গাৱঁতে একোখন দেও-শাল পাতি পূজা-অৰ্চ্চনা কৰে। পুৰোহিত-সকলে দেওশালত হাঁহ, কুকুৰা, পাৰ, ছাগলী আদি বলি দি পূজা-পাতল কৰে। স্বৰ্গদেও গৌৰীনাথ সিংহৰ দিনলৈকে শদিয়াত তাম্ৰেশ্বৰী মন্দিৰত নৰবলি পৰ্য্যন্ত হৈছিল বুলি জানিব পোৱা যায়। দেওশালখন দেউৰীসকলৰ জাতিৰ মেৰুদণ্ড স্বৰূপ। কাৰণ, তেওঁলোকৰ কৃষ্টি সংস্কৃতিৰ ঘাই সোঁতটো এই দেওশালৰ বুকু-তেই সাঙোৰখাই আছে বুলিব পাৰি। সেয়ে দেওশালখনক সকলোৱে অগাধ ভক্তি আৰু ভয় কৰি চলে।

দেউৰীসকল ঘাইকৈ কৃষিজীৱী। শদিয়াত আন পাহাৰীয়া জনজাতিসকলৰ দৰে দা, কুঠাৰ, জোং আদিৰে পাহাৰৰ চুকে-কোণে 'ঝুম' খেতি কৰি জীৱন নিৰ্বাহ কৰিছিল যদিও ভৈয়ামলৈ নামি অহাৰ লগে লগে তেওঁলোক 'পানী খেতি'ত অভ্যস্ত হৈ পৰিল। সেয়ে গৰু বা ম'হৰ হাল-খনেই আজি খেতিৰ প্ৰধান হাতিয়াৰ। ধানেই প্ৰধান খেতি হোৱা বাবে দেউৰীসকলৰ প্ৰধান আহাৰ ভাত ( মক )। ভাতৰ পাছতেই মদ ( চুজে ) আৰু তাৰ সতে খোৱা শাক-মাংসৰ ভাজি (খাজি) অন্য এটি প্ৰধান খাদ্য। এই 'চুজে' আৰু 'খাজি' নহলেই নচলে। কাৰণ, দৈনন্দিন ব্যৱহাৰ কৰাৰ উপৰিও ধৰ্ম্মকেন্দ্ৰীয় উপাসনা আৰু সমূহীয়া ভোজত ঘৰতে ভাতৰ পৰা তৈয়াৰ কৰা এই মদ অপৰ্য্যাপ্ত পৰিমাণে ব্যৱহাৰ কৰা হয়।

দেউৰীসকলৰ খাদ্যৰ তালিকাত মাছো অন্য-তম। তেওঁলোকে সকলোধৰণৰ মাছকেই খাবলৈ ভাল পায়। মাছ ধৰিবলৈ সাধাৰণতেই জাকৈ, পল, জাল, চেপা, খোকা, বৰশী, পচা আদি সজুলি ব্যৱহাৰ কৰে। সৰহীয়া মাছ ধোঁৱাচাং 'গিছঙ'-ত শুকোৱাই খুন্দি শুকতি মাছ ( চুচা ) তৈয়াৰ কৰি বাঁহৰ চুঙাত সাঁচি থয় আৰু নোহোৱাৰ দিনত তাৰেই মাছৰ অভাৱ দূৰ কৰে। জীৱ-জন্তুৰ ভিতৰত যেনে, হাঁহ, কুকুৰা, পাৰ, ছাগলী, গাহৰীৰ মাংস দেউৰীসকলে খায়। অৱশ্যে টেঙাপনীয়া খেলৰ 'বুৰুক' কুলে পৰম্পৰাগত ৰীতি অনুসৰি ছাগলীৰ মাংস নাখায়। ইয়াৰ ওপৰিও দেউৰীসকল চিকাৰ প্ৰিয়। চিকাৰত পোৱা বনৰীয়া পহু, গাহৰী আৰু কেইবিধমান চৰাইৰ মাংস তেওঁলোকৰ প্ৰিয় খাদ্য।

গাওঁবোৰত সাধাৰণতে কাঁহ আৰু পিতলৰ বাচন-বৰ্তন ব্যৱহাৰ কৰে। কাঠৰ হেতা আৰু তলিয়াৰ ব্যৱহাৰ দেখা যায়। আগতে দেউৰীৰ পুৰুষসকলে বেতৰ এবিধ সজুলিৰ ওপৰত কাঁহি থৈ ভাত খাইছিল। সেই সজুলিক 'মেহেঙা' বা 'মেচুৱা' বোলে। বৰ্তমানতো দুই এটা পৰিয়ালত তেনে বস্তু দেখা পোৱা যায়। এইবিলাকৰ বাদেও ঘৰখনত দৈনন্দিন ব্যৱহৃত যেনে, পাচি, খৰাহী, কুলা, চালনী আদিৰ ওপৰিও দকু (বাঁহ বা বেতেৰে তৈয়াৰ কৰা কুকুৰাৰ সজা), হেঁচ (তিৰোতাসকলৰ অতি আৱশ্যকীয় এবিধ বেতৰ যতন), তাঁতশালৰ যাৱতীয় সা-সৰঞ্জাম আদি বিভিন্ন প্ৰকাৰৰ কাঠ, বাঁহ, বেতৰ সজুলিবোৰ ঘৰতে তৈয়াৰ কৰি লয়। ধাতুৰ অস্ত্ৰ-শস্ত্ৰৰ

ভিতৰত দা, কটাৰী, যাঠি, কুঠাৰ, কোৰ, মিট্‌দা আদিয়েই প্ৰধান ।

দেউৰীসকলৰ পোছাক পৰিচ্ছদ সাধাৰণ। আন জনজাতিসকলৰ দৰে তেওঁলোকৰ মাজত ৰঙীন কাপোৰৰ সমাবেশ সাধাৰণতে দেখা নাযায়। অৱশ্যে দিবঙীয়া খেলৰ মাজত তাৰ কিছু ব্যতিক্ৰম পোৱা যায়। পোছাক পৰিচ্ছদ সাধাৰন হলেও দেউ-ৰীৰ তিৰোতাসকলৰ সাজ-পাৰত এক বৈশিষ্ট্য সোমাই আছে। কিয়নো, তিৰোতাসকলে বয়স অনুসাৰে ভিন্ ভিন্ সাজ-পাৰ পৰিধান কৰে। কুমাৰীসকলে গাভৰু নোহোৱালৈকে নাৰীৰ প্ৰধান বস্ত্ৰ মেখেলাখন (ইগু) কৰ্কালত পিন্ধে। গাভৰু হোৱাৰ পাছত বুকুত লিপিত খাই থকাকৈ এখন কাপোৰ (বাইগা)মেৰিয়াই লয় আৰু সেই প্ৰথাক 'পাওগা মৰা' বোলে। সাধাৰণতে বয়স বিশৰ দেওনা পাৰ হোৱা গাভৰুৱে যেতিয়া বুকুত মেথনি মাৰি মেখেলা পিন্ধি কৰ্কালত এডাল বিভিন্ন ৰঙৰ সূতাৰে গোঁঠা ৰচি বান্ধি-বলৈ লয় তেতিয়া সেই গাভৰুৰ বিবাহৰ বাবে উপযুক্ত বয়স হৈছে বুলি সমাজৰ দ্বাৰা স্বীকৃতি লভে। গাভৰুৱে তেনেদৰে মেখেলা পিন্ধা প্ৰথাক 'বুকুত পিন্ধা' বুলি কয়। বিবাহিতাসকলে কিন্তু বুকুত মেথনি মাৰি মেখেলা পিন্ধি কৰ্কালত গামোছাৰ দৰে কাপোৰ এখনহে ব্যৱহাৰ কৰে আৰু সেই কাপোৰখনক 'মেৰণি' বা 'জকাচ্ছিবা' বোলে। মূৰৰ চুলি পৰিপাটিকৈ বান্ধি ৰাখিবৰ বাবে সৰু-ডাঙৰ সকলোৱে 'তকয়া' বা 'গাতেগী' নামৰ এখন কাপোৰ ব্যৱহাৰ কৰে। পুৰুষসকলে পিন্ধিবলৈ ধুতি (ইকুঁ) ব্যৱহাৰ কৰে। টেঙাপনীয়া আৰু বৰগঞাসকলৰ ধুতিৰ লগত দিবঙীয়াসকলৰ ধুতি আপেক্ষিত ভাবে কিছু চুটি আৰু ঠেক। ধুতিৰ পিছতেই গামোছা (বচে) পুৰুষৰ অতি প্ৰয়োজনীয় বস্ত্ৰ। গাটো ঢাকিবলৈ এটি চোলা (জিমা) ব্যৱহাৰ কৰে। আগৰ দিনত ব্যৱহাৰ কৰা হলৌ চোলা, চুতীয়া চোলা আজি পাবলৈ নাই। জাৰৰ দিনত এৰীয়া চাদৰখনেই হ'ল প্ৰধান সম্বল।

দেউৰী সমাজত তিৰোতাই কাপোৰ বব নজনাটো বৰ লাজৰ কথা। ঘৰৰ প্ৰয়োজনীয় কাপোৰ যেনে, বৰ কাপোৰ (দেঁইচা), চেলেং (ইমা), এৰিয়া চাদৰ, দলিচা আদি তিৰোতা-সকলে ঘৰতে বৈ উলিয়াই। গাটো ঢাকিবলৈ তেওঁলোকে বৰ্তমান ব্লাউজকে ব্যৱহাৰ কৰে। সোণ-ৰূপৰ অলঙ্কাৰ দেউৰী তিৰোতাৰ সমাজত অতি আদৰৰ। তেওঁলোকৰ মাজত কেৰু, থুৰীয়া, জাংফাই, গামখাৰু, দুগ্‌দুগী, মাদলী, আঙঠি, জোনবিৰি, নেক্‌লেচ্ আদি সোণ-ৰূপৰ অলঙ্কাৰ পোৱা যায়।

দেউৰীসকলৰ জীৱন দৰ্শন মতে সামাজিক নীতি-নিয়মৰ মাজেদি অনুষ্ঠিত হোৱা এহাল ডেকা-গাভৰুৰ শুভ মিলনেই হ'ল বিয়া (ছুঁয়)। অগ্ৰগণ্য বিবাহ (Cross cousin marriage) প্ৰচলিত থকা দেউৰী সমাজৰ বৈবাহিক সম্বন্ধ যাইকে বহিৰ্জাগ্ৰতিক (Exogamy)। স্বামী আৰু স্ত্ৰী দুয়ো বেলেগ বেলেগ ফৈদৰ হব লাগিব। উদাহৰণ স্বৰূপে, টেঙাপনীয়া খেলৰ বুৰুকে বুৰুকক বা মাচিয়ই মাচিয়ক বিয়া কৰাব নোৱাৰে। কিন্তু বুৰুকৰ লগত মাচিয়

ফৈদৰ বৈবাহিক সম্বন্ধ ঘটিব পাৰে। সেইবুলি মোমায়েক ভাগিনীয়েকৰ মাজত কোনো প্ৰকাৰৰ সম্বন্ধ ঘটিব নোৱাৰে। তদুপৰি নিজৰ মোমায়েক, মাহীয়েক, জেঠাই (মাক বা বাপেকৰ বায়েক) বা পেহীয়েক আদিৰ কোনো ছোৱালীকে বিয়া পতাৰ নিয়ম নহয়। টেঙাপনীয়া, বৰগঞা আৰু দিবঙীয়া—এই তিনিও খেলৰ মানুহে নিজৰ নিজৰ খেলৰ মাজত গোত্ৰ-কুল বিচাৰ কৰি বিয়া-বাৰু পতাৰ উপৰিও ইখেলে সিখেলৰ পৰাও অনা নিয়া কৰে।

এই বিয়াক প্ৰধানকৈ দুই প্ৰকাৰে বিভক্ত কৰিব পাৰি। যেনে, খোজা-মেলা বা বন্দৱস্ত কৰি পতা বিয়া আৰু পলুৱাই অনা বিয়া। খৰচৰ তাৰতম্যলৈ চাই প্ৰথম বিধ বিবাহ পদ্ধতিক আকৌ চাৰি ভাগত বিভক্ত কৰিব পাৰি। বৰ বিয়া, মাজু বিয়া, সৰু বিয়া আৰু ভকতৰূপীয়া বিয়া। ভকতৰূপীয়া বিয়াত সবাতোকৈ কম খৰচ হয়। এইবোৰৰ উপৰিও আৰু এক প্ৰকাৰ বিয়া দেখা যায়। ভকতৰূপীয়া আৰু পলুৱাই অনা বিয়াত কণ্যাৰ গোত্ৰ (বাপেকৰ বংশ) ছিঙি দৰাৰ ঘৰলৈ অহা নহয়। সেয়ে কণ্যাৰ গোত্ৰ ছিঙিবৰ বাবে তেনে বিয়াত আবদ্ধ লোকে কিছু বছৰৰ পাছত ৰাইজক এটা ভোজ দি অনুষ্টুপীয়াকৈ বিয়া এখন পাতিব লগা হয়। এই ধৰণৰ বিয়াক 'মেলনি বিয়া' বোলে। বিবাহ বিচ্ছেদ দেউৰী সমাজত সাধাৰণতে নহয়। যৌতুক প্ৰথা আছে যদিও সি ধৰাবন্ধা নহয়। নোৱাই তোলনী বিয়া অজ্ঞাত বস্তু। বিধবা বিবাহৰ প্ৰচলন আছে যদিও বিধবাই তেওঁৰ মৃত স্বামীৰ সম্পৰ্কীয় কোনো ককায়েক (বৰ জনা) বা ভনী জোঁৱাইৰ সতে বিবাহ পাশত আবদ্ধ হব নোৱাৰে।

শক্তিৰ উপাসক দেউৰীসকলৰ শ্ৰেষ্ঠ সাংস্কৃতিক উৎসৱ হৈছে বিহু। তেওঁলোকে বিহুক 'বিচু' বোলে। 'বি' মানে অতি আৰু 'চু' শব্দই আনন্দময় বুজায়। বিহু বুলিলেই আনন্দ, ৰংৰইচৰ কথা আমাৰ মনলৈ সাধাৰণতে আহে। সেই দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চালে বিহু শব্দটো 'বিচু'ৰ পৰাই উৎপত্তি হৈছে যেন লাগে। এই বিহু তিনিটা। বহাগীয় বিচু, কাতিয় বিচু আৰু মাঘীয় বিচু। এই তিনিওটা বিহু দেউৰী সকলৰ ধৰ্ম্ম আৰু কৃষি জীৱনৰ সৈতে ওতপ্ৰোতঃভাৱে জড়িত হৈ আছে।

তিনিটা বিহুৰ ভিতৰত বহাগ বিহুৰ মাদকতাই শ্ৰেষ্ঠতম। এই বিহুৰ উপলক্ষে গাবঁৰ ডেকা-গাভৰুৱে চ'তৰ নিশা বিহু পতাটো অতীজৰে পৰা প্ৰচলিত হৈ আহিছে। এই নিশা বিহু সাধাৰণতে গাবঁৰ দেওশালৰ পুৰোহিতৰ (বৰ দেউৰী) ঘৰৰ আগ চোতালত পাতে আৰু সেই বিহু পতা ঠাইকে 'বিহু খোলা' বোলে। গছ তলত বিহু কৰাৰ নিয়ম দেউৰী সমাজত নাই। দেওশালৰ আগ চোতালখনেই হ'ল তেওঁলোকৰ সমূহীয়া বিহুতলী। টেঙাপনীয়া আৰু বৰগঞা খেলত ডেকা-গাভৰুৱে একেলগে বিহু কৰাটো নীতিবিৰুদ্ধ কাম। দিবঙীয়া খেলত কিন্তু তাৰ বিপৰীতটোহে দেখা যায়। তেওঁলোকৰ মাজত ডেকা-গাভৰুৱে একেলগে হাতত ধৰা ধৰিকৈ প্ৰেমমূলক গীত গাই বিহু কৰে

দেওধ্বনি নৃত্য—বহাগ বিহুৰ অবিচ্ছেদ্য অংগ। গাৱঁৰ যি পুৰুষ বা নাৰীৰ গাত দেও লম্ভে তেওঁহে দেওধ্বনি হ'ব পাৰে। দেওশালত দেওধ্বনিয়ে দেৱবাণী কৰে, ভূত-ভৱিষ্যতৰ কথা কয় আৰু বলি কটা পশু-পক্ষীৰ তেজ খাই ঢোলৰ ছেৱত নৃত্য কৰে। এই বহাগ বিহু দহ দিনলৈকে চলে। উল্লেখনীয় যে বহাগেই হওক বা মাঘেই হওক, বিহু মাহৰ প্ৰথমটো বুধবাৰৰ পৰাহে আৰম্ভ হয়।

মাঘ বিহু আৰু কাতি বিহুৰ নীতি-নিয়ম অন্য অসমীয়া সমাজৰ সৈতে প্ৰায় একে বুলিব পাৰি। মাঘ বিহুত খোৱা-বোৱা আৰু ৰং-ধেমালি দুয়োটাকে সমানে গুৰুত্ব দিয়া হয়। ঘৰে ঘৰে বিহু কৰি বিহুৰ জা-জলপান উপভোগ কৰা এই মাঘ বিহু দেউৰীসকলে এসপ্তাহলৈকে পালন কৰে। আড়ম্বৰহীন কাতি বিহুত প্ৰতি ঘৰে মাহটোৰ ভিতৰত ভড়াঁলত আৰু পথাৰত কুকুৰা কাটি লখিমী পূজা পাতে। এনে পূজা নকৰিলে খেতিৰ উৎপাদিকা শক্তি বৃদ্ধি নহয় বুলি সৰল বিশ্বাস আছে। বিহুৰ বাদ্যসমূহৰ ভিতৰত ঢোল, তাল, পেঁপা, বাঁহী, গগণা, টকা আদিয়েই প্ৰধান।

এই বিহু উৎসৱৰ উপৰিও সুৱচনী, ন-পুৰুষীয়া, ছাঁয়াৱা, সৰগদেও, গাঁটিয়াল, জলশাই-থলশাই, ৰঙাচন, বুঢ়া-ডাঙৰীয়া, মিম হাৰেকুৱা (মৃত লোকক পিণ্ড দিয়া) আদি বহুতো পূজা উৎসৱ দেউৰী সমাজত পোৱা যায়। প্ৰায়বোৰ পূজা উৎসৱতে দেৱ-দেৱীৰ তৃপ্তি বিধানৰ অৰ্থে বলিৰ আয়োজন কৰে। মনকৰিবলগীয়া যে দেউৰী সমাজত দুই শ্ৰেণীৰ পুৰোহিত দেখা যায়। তেওঁলোক হ'ল 'দেউৰী' আৰু 'দেওধাই'। 'দেউৰী' হৈছে দেওশালৰ পুৰোহিত। এই দেউৰী পুৰোহিত চাৰিজন—বৰ দেউৰী, সৰু দেউৰী, বৰ ভৰালী আৰু সৰু ভঁৰালী। দেওশালক বাদ দি গাৱঁৰ ভিতৰত পতা পূজা-পাতলৰ পুৰোহিত জনক 'দেওধাই' বুলি জনা যায়।

মানুহ মৰিলে দাহ কৰি সৎকাৰ কৰে। তিনি দিনৰ মূৰত 'তেলনি' বা 'ছিক্‌ছাক্' কৰি ঘৰখন শুচি হয়। দহাকাজৰ সময় ধৰা-বন্ধা নহয়। দহাকাজ ব্যয়বহুল বাবে গৃহস্থই কিছু বছৰৰ পাছতহে পাতে। দহাকাজত মদ আৰু গাহৰীৰ মাংসৰে সৈতে ৰাইজক এটা ডাঙৰ ভোজ দিয়া হয়।

গাৱঁৰ শাসন সুদৃঢ় কৰিবলৈ প্ৰত্যেক গাৱঁতে এখন গাওঁমেল (মে) আছে। গাৱঁৰ সৰু-ডাঙৰ সকলো বিবাদ এই মেলতে মীমাংসা কৰে। 'দেউৰী' পুৰোহিতে কোনো অপকৰ্ম কৰি পাপ কাৰ্যত লিপ্ত হয় তেতিয়া গাওঁমেলে তেওঁক পদচ্যুত কৰি তেওঁৰ ঠাইত অন্য এজনক নিৰ্ব্বাচিত কৰে। পাপীলোকক বিচাৰ কৰি 'দেউৰী'ৰ দ্বাৰা প্ৰায়শ্চিত্ত কৰায়। তেনে দণ্ডেৰে দণ্ডিত লোকে ভৱিষ্যত জীৱনত কোনো কালে পুৰোহিত হ'ব নোৱাৰে।

সাধাৰণতে দেউৰী সমাজ স্বভাৱত আনন্দ-

মুখৰ আৰু সংগীত প্ৰিয়। তেওঁলোকৰ মাজত মৌখিক ভাষাত ৰচনা কৰা অনেক গীত-মাত সিঁচৰিত হৈ থকা পোৱা যায়। সেইবোৰৰ ভিতৰত বহাগ বিহুৰ গীত-মাতসমূহে অধিক ঠাই জুৰি আছে। বহাগ বিহুৰ গীতসমূহক তলত দিয়া ধৰণেৰে ভগাব পাৰি।

(১) দেওধ্বনি নৃত্যৰ গীত (২) আব'ব' (৩)হাঁচুটি (৪) হুচৰি (৫) হুৰাই-বাঙলি (৬) লহৰীয়া (৭) চিলম-চিলম আৰু (৮) সাধাৰণ বিহুগীত বনঘোষাসমূহ। এই গীত-মাত সমূহৰ উপৰিও দিবঙীয়া খেলৰ মাজত 'মজে' নামৰ এশ্ৰেণী প্ৰেমমূলক গীত পোৱা যায়। বিহুৰ গীত-মাত সমূহৰ লগতে আইনাম, বিয়ানাম, নিচুকনি গীত, টোকাৰী গীত, সাধু কথা, যোজনা-পটন্তৰ আদি অনেক চুকে-কোণে সিঁচৰিত হৈ আছে। এই বিভিন্ন প্ৰকাৰৰ গীত-মাত তথা যোজনা পটন্তৰ আদিত সন্নিবিষ্ট হৈ আছে দেউৰী সমাজৰ অতীজ দেৱ-দেৱীৰ মন্ত্ৰ, বুৰঞ্জী, সামাজিক ৰীতি-নীতি আৰু গাৱঁলীয়া চহা জীৱনৰ এখন মনোৰম প্ৰতিচ্ছবি।

সংস্কৃতি বোৱতি নৈ। যুগৰ গতি আৰু বিভিন্ন চিন্তাধাৰাৰ সমন্বয় সাধিত হওঁতে সংস্কৃতিয়ে ৰূপ লয়। মানুহৰ জীৱন-যাপন পদ্ধতিৰ ক্ৰমবিকাশৰ লগে লগে সংস্কৃতিৰো ক্ৰম-বিকাশ ঘটে। সেয়েহে সমগ্ৰ মানৱ সমাজৰ সাংস্কৃতিক জীৱনধাৰা আদিম অৱস্থাৰ পৰা একে ৰূপত নাই। সকলো সমাজৰে সংস্কৃতিত সময়ৰ হাতৰ বুলনি পৰিছে। তথাপি প্ৰতিটো জাতি, উপজাতি বা সমাজৰ কৃষ্টি-সংস্কৃতিৰ একোটা স্বকীয় বৈশিষ্ট্য সদায় থাকিব। আধুনিক শিক্ষাৰ ক্ষীণ ৰেঙণি নপৰা ভিতৰুৱা অঞ্চলত বাস কৰা আগৰ দেউৰী সমাজ আৰু বৰ্তমান যুগৰ দেউৰী সমাজৰ সাংস্কৃতিক জীৱনৰ ৰূপ কেতিয়াও একে নহয়। তথাপি মূল বা গোত্ৰৰ ৰূপ সদায় একেই আছে বা একেই থাকিব +++

**Referrence Book—**

* Brown, W. B.—"An outline Grammer of the Deori—Chutia Language spoken in Upper Assam"—1885.

# সাম্প্ৰতিক অসমীয়া সাহিত্যত নিভাঁজ ৰচনা-ৰীতি

—কোকিল কুমাৰ বনগঞা
২য় বাৰ্ষিক, কলা স্নাতক

বৰ্তমান শতিকাৰ বিজ্ঞানৰ অভূতপূৰ্ব অগ্রগতিৰ লগে লগে আমাৰ সাহিত্য, সংস্কৃতি, সমাজ আদিৰো বিভিন্ন ক্ষেত্ৰত নানা ধৰণৰ পৰিৱৰ্তন নিতৌ হবলৈ ধৰিছে। আজি ৫০ বছৰৰ আগৰ আমাৰ পাৰিপাশ্বিক সামাজিক পৰিবেশে সম্প্ৰতি পৰিবৰ্তিতহে ৰূপ সলাই এক বিচিত্ৰ আৰু অন্যান্য ৰূপ পৰিগ্ৰহণ কৰিছে। সমসাময়িক সমাজখনৰ কথা বাদ দি সাহিত্য সৃষ্টি হব নোৱাৰে। গতিকে বিজ্ঞান আৰু সমাজ - সংস্কৃতিৰ সমান্তৰালভাৱে সাহিত্যৰো নানান দিশত বৰ্তমানে পৰিবৰ্তন সাধিত হোৱাটো স্বাভাৱিক। কিন্তু এই বিষয়টোৱেই গভীৰভাৱে চিন্তনীয় কথাহে পৰে যেতিয়া এই পৰিবৰ্তনৰ লগে লগে আমাৰ প্ৰাচীন ঐতিহ্যসম্পন্ন সাহিত্য, পৰম্পৰাগত বাৰে-ৰহনীয়া সংস্কৃতি পৰিবৰ্তনৰ নামত হৈ পৰে স্বকীয় বৈশিষ্ট্য-বৰ্জ্জিত, মৌলিকতাহীন আৰু আধুনিকতাৰ নামত হোৱাই নোহোৱাই আচহুৱা ৰহনসনা। যুগৰ পৰিবৰ্তনৰ লগে লগে অসমীয়া সাহিত্য সংস্কৃতিৰ এনে ধৰণৰ অবাঞ্চনীয় ৰূপান্তৰৰ ভয়াবহ পৰিণতিৰ প্ৰতি লক্ষ্য ৰাখি এচাম চিন্তাশীল সাহিত্যসেৱীয়ে সাম্প্ৰতিক কালতো তেওঁলোকৰ ৰচনা ৰাজিত অসমীয়া জতুৱা ঠাঁচ, খণ্ড-বাক্য নিতান্ত পৰিচিত ঘৰুৱা শব্দ, ফকৰা-যোজনা ইত্যাদি ব্যৱহাৰ কৰি সাহিত্যত সম্পূৰ্ণ অসমীয়াত্ব বজাই ৰখাৰ যি আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখিছে সি অতি প্ৰশংসনীয়।

এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি থাউকতে চকুত পৰা দুজনমান সাহিত্যিক আৰু তেওঁলোকৰ ৰচনাৰ বিষয়ে এটি সাধাৰণ আলোচনা তলত দাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ।

এই ক্ষেত্ৰত পোনতেই আমাৰ মনলৈ আহে এটি নাম-শ্ৰীবেণুধৰ শৰ্মা, চাৰিকুৰি বছৰৰ দেওনা পাৰহৈ বাৰ্দ্ধক্যজনিত ৰোগত যিজনা প্ৰবীন সাহিত্যিক আৰু বুৰঞ্জীবিদ বৰ্তমান ৰোগশয্যাত পৰি 'জীৱন্তে মৃত'। এইজনা সাহিত্যিকৰ দ্বাৰা ৰচিত সৰু-বৰ কুৰিখনৰো অধিক পুথিৰ প্ৰতি পাতে পাতে নিভাঁজ অসমীয়া ঘৰুৱা মাত-কথাৰ অতি শুৱলা আৰু সাৱলীল অথচ গভীৰ অৰ্থ-বহ প্ৰয়োগ মন কৰিবলগীয়া। পাঠকৰ অৱগতিৰ অৰ্থে এটি মাত্ৰ উদাহৰণ আমি তলত তুলি দিলোঁ—উক্ত লিখকৰ 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' নামৰ সাহিত্য একাদেমীৰ পুৰস্কাৰ পোৱা পুথিখনৰ পৰা—"পূবৰ পাহকটা দীঘল

পকা চুলিখিনি মিহিকৈ আঁচুৰি, ফুলকলি যেন খোপাৰ গাঁঠিটো গলধনত পেলাই, লুইতপৰীয়া কঁহুৱাফুল যেন বগা ডাঠ গোঁফ কোচা ফণীয়াই মুগাৰ দীঘ পাটৰ বাণি দিয়া চুৰিয়া এখনি কঁকিলাসজীয়া গাৰ চিঞা কঁকালটিত লিপিত খুৱাই পিন্ধি, কঁকালত ফুলাম টঙালি এডালি বান্ধি, ডিঙিত মতামণি এধাৰ আৰু কাণত লংকেৰু এজুৰি আঁৰি, লচপচকৈ চিংফৌ খহুৱা মেলত ওলালহি।' ( পৃষ্ঠা - ৭৩, ২য় প্ৰকাশ )

এইখিনিতে যুৱ-সমাজৰ পৰা আপত্তি উঠিব পাৰে যে, আজিকালি অত্যাধুনিক সাজ-পোছাকৰ দিনত তেতিয়াৰ দৰে সামাজিক ৰীতি-নিতি আৰু সাজপাৰৰ প্ৰচলন নোহোৱা হৈ যোৱা বাবে তেনে ধৰণৰ ৰচনা ৰীতি আৰু বৰ্ণনা সাম্প্ৰতিক কালৰ সাহিত্যত ঠাই নেপায়। সঁচা কথা আজিৰ যুগত মানুহে মুগাৰ দীঘ পাতৰ বাণি দিয়া চুৰিয়া পিন্ধি, ডিঙিত মতামণি এধাৰ আৰু কাণত লংকেৰু আঁৰি নামঘৰৰ মেললৈ নেযায়, যায়—"ডাৰ্ক্ গ্ৰে কালাৰৰ হাত দীঘল নাইলনৰ ট্ৰাউজাৰ পিন্ধি মেৰুণ ৰঙৰ এম্‌বেচাদৰখনত উঠি" ৰাতি চেকেণ্ড্ শ্ব' চাবলৈ। এনেধৰণৰ সামাজিক চলন-ফুৰণ, আকাশ পতাল পাৰ্থক্যৰ লগতে সাহিত্যতো পৰিবৰ্তন নহব কিয়? কিন্তু ইয়াৰে গইনা লৈ এইটো প্ৰতিপন্ন কৰিবলৈ গলে মাৰাত্মক ভুল হব যে, সম্পূৰ্ণ নিজত্ব ৰক্ষা কৰি অসমীয়া ভাষাত বৰ্তমান কালৰ সাহিত্য ৰচিত হব নোৱাৰে। উক্ত মত পোষণ কৰা লোকসকলৰ ধাৰণা ভ্ৰান্ত বুলি প্ৰমাণ কৰি দিয়ে—কিছুদিন আগতে দুটা খণ্ডত প্ৰকাশ পোৱা শ্ৰীসত্যেন বৰকটকীৰ 'নাপলেয় বনাপাৰ্ট' গ্ৰন্থই। সদ্যহতে এই পুথিৰ ৩য় খণ্ডও প্ৰকাশ পাইছে। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ এখন দেশৰ প্ৰায় দুশ বছৰৰ পুৰণি অপৰিচিত সামাজিক পৰিবেশ সম্বলিত, ৰাজনীতি, অৰ্থনীতি, কূটনীতি, সমৰনীতিৰ পুঙ্খানুপুঙ্খ বৰ্ণনাযুক্ত, অসংখ্য ইংৰাজী আৰু ফৰাচী গ্ৰন্থৰ উদ্ধৃতি সন্নিবিষ্ট, সমগ্ৰ বিশ্বৰ সৰ্বকালৰ এজন অন্যতম্ শ্ৰেষ্ঠ পুৰুষ নাপলেয়ঁ বনাপাৰ্তৰ এই জীৱন চৰিত্ৰখনৰ প্ৰতিটো পাততে নিভাঁজ অসমীয়া শব্দ, জতুৱা ঠাঁচ, ফকৰা যোজনা ইত্যাদি বিদ্যমান। দৃষ্টান্ত স্বৰূপে মাথোঁ দুটি উদ্ধৃতি দাঙি ধৰিলোঁ তলত—"নাপলেয়ঁৰ অভিযানৰ বাতৰি পাই আলেকজাণ্ডাৰৰ মূৰেদিও সিপিনে ধনঞ্জয় বায়ু উৰিছে পিছুৱাইনো কিমান গৈ থাকিব? বৰকৈ পিছুৱালে জানোচা দাসহঁতে গইনা পাই গাগৰি দি জাঙুলখাই উঠে। ভিল্‌নাব পৰা ডেৰ-শ মাইল পিছুৱাই গৈ, ড্ৰিচা বোলা এডোখৰ ঠাইত খোপনি পুতি আলেকজাণ্ডাৰ যুঁজলৈ সাজু হ'ল। নাপলেয়ঁয়ো পিছে পিছে সেইপিনে খেদি গ'ল। নাপলেয়ঁ ড্ৰিচাৰ ওচৰ গৈ পালত ৰুচ সেনাপতিসকলৰ গুনা-গথা লাগিল। নাপলেয়ঁৰ সৈন্যবল বাটে বাটে টুটি আহিছিল হয়, কিন্তু জগত জাননী পতিত পাৱনী 'নাপলেয়ঁ' নামযাৰৰ মহিমা টুটা নাছিল। সেই দিনত সেই নাম শুনিলে, ৰুচিয়া কিয়, গোটেই বিশ্ব থৰহৰি কম্পমান।"—( পৃষ্ঠা - ৩১৪ )—আন এঠাইত এজনৰ চৰিত্ৰৰ বিষয়ে বৰ্ণাইছে এইদৰে—দৰাচললতে জচেফ্, কপটীয়া, শঠ প্ৰকৃতিৰ লোক নাছিল। তেওঁ আছিল এজন

ফটংগিৰী, হোলগোজ ভকত। ভেম্‌ফেৰা আছিল তেওঁৰ উধনীয়া, কিন্তু কামৰ পিনেদি আছিল তেওঁ ছেলোমণি। চকুত আঙুলি দি তেওঁক আভুৱা ভাঁৰিবলৈ কাৰো সৰহ পৰ নেলাগিছিল। তেওঁৰ চৌপাশে টোটক-নাটক কৰিব জনা নোম টেঙৰ এমথাৰো আকাল নাছিল। সেইমখাই তেওঁক ভোমোলা-ভকতি দেখুৱাই, তেওঁৰ ঘৰতে নিতৌ সন্ধিয়া বহি. তেওঁক আকাশলৈ তুলি দি, ভূ-চক্র মেলমাৰি চাৰিব আঁৰত ৰজাক চর্চে। সিহঁতৰ লগত উজাইছে জচেফ্ ভুচুংগছ সাজি-ছিল।" (পৃষ্ঠা ৩৭৮)—আচর্য্যজনকভাবে এই-জনা চৰিতকাৰে অতি দক্ষতাৰে আমাৰ সাহিত্যৰ বুকুৰ পৰা ক্রমান্বয়ে হেৰাই যাব খোজা অসংখ্য সুশ্রাব্য শক্তিমন্ত অর্থবাহক খাঁটি অসমীয়া শব্দ আৰু খণ্ডবাক্য, প্রবচন ইত্যাদি ব্যৱহাৰ কৰি পুথি-খনিৰ প্রতিটো কথাকে সূক্ষ্মভাবে ফুটাই তোলাৰ লগতে পাঠকৰ বাবেও অত্যন্ত আকর্ষণীয় আৰু সুখপাঠ্য কৰি তুলিছে। ইয়াতে প্রশ্ন হয়- সুদূৰ ইউৰোপ মহাদেশক পটভূমি স্বৰূপে লৈ এজন মহান সম্রাটৰ সমগ্র জীৱনক কেন্দ্র কৰি ৰচনা কৰা ইমান বিস্তৃত এক ৰচনাত প্রতিটো কথাই প্রতিটো ভাবেই যেতিয়া অকণো খেʼকোজা নলগাকৈ গভীৰ অর্থপূর্ণভাৱে প্রকাশ পায় তেনে ক্ষেত্রত সেই একে ধৰণৰ ৰচনাৰীতিৰ আশ্রয় লৈ অসমীয়া সাহিত্যৰ অন্যান্য দিশো বিকশিত নহব কিয় ? আমাৰ ধাৰণা তাৰ বাবে প্রয়োজন কেৱল লিখকৰ আন্তৰিক আগ্রহ, বিস্তৃত অধ্যয়ণ, গভীৰ অনু-শীলন আৰু কর্ষণ।

আৰু এই কেইটি বিষয়তে সচেতন হৈয়ে সুন্দৰ প্রচেষ্টা তথা বিশেষ সফলতাৰে বৈজ্ঞানিক তত্ব-গবেষণা আদিত ব্যস্ত থকা এজন বিলাত ফেৰত ইঞ্জিনিয়াৰে লিখি উলিয়াইছে দুখন উপ-ন্যাস 'অন্য যোগ অন্য পুৰুষ' আৰু 'কাল-পুৰুষ'। এইজনা কৃতিমান ঔপন্যাসিকেই হ'ল শ্রীদেবেন্দ্র নাথ আচার্য্য। 'অন্য যুগ অন্য পুৰুষৰ পাতনিত শ্রীহোমেন বৰগোঁহাঞিয়ে কবৰ দৰে লিখকে—"আমাৰ হেৰাই যাবলৈ ধৰা গাঁৱলীয়া সমাজ এখনৰ এটা নিখুঁত বাস্তব চিত্র বিষয়ো-পযোগী মনোগ্রাহী ভাষাৰে বর্ণনা কৰিছে।" ৰচোতাৰ ৰচনাৰীতিৰ বিষয়ে আমি সুকীয়া মন্তব্য নিদি পুথিখনিৰ পৰাই উদ্ধৃতি দিলোঁ। "...... পথাৰে-বাৰীয়ে কুটা এগছো দুগছ নকৰা হ'ল, সংতাহৰ মূৰত চাপৰিৰ পৰা অনা লাওটো কোমোৰাটো ভাৰসাঙী কৰি দেওবৰীয়া হাটত বেচিবলৈ নিনিয়া হ'ল, হাল বাবলৈ, ধান দাবলৈ বা ডাঙৰি আনিবলৈ পথাৰলৈ যোৱা দূৰত থাওক ৰোৱনী-দাৱনীক পানী দুনী এটোপা বা ৰবাব টেঙা এটা দিবলৈকো পথাৰে-সমাৰে নোলোৱা হ'ল। আঠ ন-জনী চেঁউৰী আৰু ছয়-সাতটা হালৰ বলদে গোহালিতে বেৰাই টেটু ফালিলেও কাণসাৰ নকৰা হ'ল, খুটিৰ ম'হে খুটিতে টেটাই থাকিল অচল অটল নন্দীৰামে হাতৰ ৰৰশী দুটা লৈ হোলা বিলত মাছ টোপাবলৈ ওলাই গ'ল।" (পৃষ্ঠা ২০) ৰৰশী বোৱাৰ দৰে সামা-জিক চিত্রৰ খুঁটিনাতি বর্ণনা আছে পুথিখনিৰ আন এঠাইত এইদৰে—"তেতিয়া আকৌ খৰালি কাল

নহয়, হোলা - বিলবোৰ খৰাংত শুকাই কৰপা মাৰিলে। তলি ফাটি ছিৰাছিৰ হ'ল। এলাগেচা পুখুৰীবোৰো তৰাং। গতিকে মই অধিকাৰ প্ৰভুৰ ঘাৰীৰ ৰজাদিনীয়া পুখুৰীটোতে চকৰি পুঠি আৰু মৰঠী মাছ টোপাই বহি থাকোঁ। পুঠিমাছবোৰ আকৌ ফুল বৰশীত তুলিবলৈ বৰ ভাল। আটা-গুৰিৰ টোপত আমৰলি পকুৰাৰ বগা ৰস মিহ-লাই সানিব লাগে। বৰশী ডাঁৰিটো লিক্লিকীয়া চেৰেপনি হেন, বটীয়াডাল মিহি মুগাৰ আৰু পুঙাটো পাখিকাপৰ হব লাগে—পুঠিমাছ আৰু তোলহে তোল" (পৃষ্ঠা ৪২)

এইজনা ঔপন্যাসিকৰে আন এখনি অনন্য সাধাৰণ সৃষ্টি 'কালপুৰুষ' উপন্যাসত সপ্তদশ শতিকাৰ অসম বুৰঞ্জীৰ এটি ঘটনা—প্ৰাচীন অসমীয়া সাঁচিপতীয়া পুথিত থকা বিশিষ্ট গদ্যৰ গদ্যশৈলীৰে ব্যক্ত কৰিবলৈ কৰা দুঃসাহসিক প্ৰচেষ্টা বিশেষভাৱে লক্ষ্যণীয়। এই পথিখনিক লৈ দুবছৰমান আগতে আলোচনী, বাতৰি কাকত আদিৰ পাতত বিতৰ্কৰ ধুমুহা পাৰ হৈ গৈছে যদিও স্বনামধন্য সমালোচক ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ এই পুথিখনিৰ ওপৰত কৰা মন্তব্য প্ৰণি-ধানযোগ্য। 'অসমীয়া উপন্যাসৰ গতিধাৰা' নামৰ গ্ৰন্থখনিত ডঃ শৰ্মাৰ মত "ইতিহাসৰ পটভূমিৰ পৰিপাৰ্শ্ব আৰু ঐতিহাসিক গন্ধ বা সৌৰভৰ ইন্দ্ৰ-জাল সৃষ্টি কৰিবৰ কাৰণে বুৰঞ্জীৰ কথনৰীতি আকাশীগঙ্গাৰ দৰে নমাই আনি তেওঁৰ কাহিনীত বুৰঞ্জীৰ সৌৰভ ঢালি দিছে।"—পুথিখনিৰ নিম্নোক্ত শাৰীকেইটিয়ে পাঠকক কিঞ্চিৎ ধাৰণা দিব পাৰিব। —"তাহানি লুক্লুখানৰ বৰগোহাঁই অৰাই বোলাজন হোলোঙ্-ৰখীয়া বৰুৱা হৈ আহোতে সেইবেলা ৰাতি হোলোঙত বৰঢাক বাজিল। সমস্তে গড়গাওঁ জাগিল, ডা-ডাঙৰীয়া সকলো চাপিকুঁচি আছিল—মনতে বোলে কিবা হ'ল। অবেলাত নিদ্ৰাভঙ্গ হৈ স্বৰ্গদেৱো মহা অস-ন্তোষ হ'ল। পুং খেদি উমান পালে হোলোং-ৰখীয়াই নিশা দুপৰত চাঙত উঠি ঘুমটি যায়, পুৱতি বেলিকাহে আলস্য কৰি আটিমুটিকৈ নামে।" ইত্যাদি। নিভাঁজ অসমীয়া গ্ৰামীণ কথনৰীতি প্ৰকাশ কৰাত এইজনা লিখক সিদ্ধহস্ত। একে ৰসযুক্ত অধিক আকৰ্ষণীয় সাহিত্য সৃষ্ট শ্ৰীআচাৰ্য্য দেৱৰ পৰা ভবিষ্যতে পাম বুলি আশা কৰিলোঁ।

সাহিত্যৰ এইটো বিষয়ৰ প্ৰতি বিশেষভাৱে সতৰ্ক আন এজন অসমীয়া সাহিত্যিক হ'ল— শ্ৰীলীলা গগৈ। নিতান্তই ঘৰুৱা অথচ ৰসাল কথাৰ মাজেৰে হাস্যমধুৰ পৰিবেশ সৃষ্টি কৰি ব্যঙ্গাত্মক সুৰেৰে বক্তব্য উপস্থাপন কৰাত এখেতে পাৰদৰ্শিতা লাভ কৰিছে। "কপ্লিং ছিগা ৰেল,' লিখকৰ বিশিষ্ট সাহিত্য কীৰ্তি। এই পুথিখনিৰ বিষয়ে লিখক শ্ৰীগগৈদেৱে নিজে—"যোৰহাট মৰিয়ণী ৰেলৰ পুৰণি স্মৃতি সুঁৱৰি লিখা "কপলিং ছিগা ৰেল" অসমীয়া সাহিত্যৰ এখনি মনোৰম ৰচনা।" বুলি কবলৈ প্ৰয়াস কৰিছে— 'মনো-ধৰ্মী খুহতীয়া ৰচনা' নামৰ প্ৰবন্ধত। পুথি-খনিৰ এছোৱা এনেধৰণৰ—"তাহানি কপলিং ছিগা ৰেল বুলিলে মানুহে যোৰহাট-মৰিয়ণী ৰেলখনহে বুজিছিল। সেইখন ৰেল কল ঠকুৱাৰে বান্ধও চলাব পাৰিছিল। পিছে আমাৰখন ৰেল

কুৰি শতিকাৰ বেল। ইয়াক বাটত ৰাখি কুঁহিয়াৰ খাব নোৱাৰিলেও গার্ড বা ড্ৰাইভাৰক কৈ শহৰেকৰ পদুলিমূৰত ৰখাই নামি যাব পাৰে, নাইবা মাজবাটতে ইন্‌জিনে ঠেঁহ্‌ পাতিলে কাষৰীয়া মিতিৰৰ ঘৰত কৰকৰা পঁইতা এমুঠিও খাই যাব পাৰে।"—এইজনা লিখকৰে ৰচিত একে গুণবিশিষ্ট আন এখনি ৰস-ৰচনাৰ পুথি হ'ল—'বিয়েৰিং চিঠি'। শ্ৰীগগৈ দেৱৰ এই ৰচনাৰ ঠাঁচ তেখেতৰ ভবিষ্যতৰ সকলো প্ৰকাৰৰ সাহিত্য কৰ্মতে অধিক মোহনীয়ভাৱে প্ৰকাশ পোৱাটোকে আমি বিচাৰোঁ।

লব্ধ-প্ৰতিষ্ঠ সাহিত্য সমালোচক, পণ্ডিত প্ৰবৰ ডঃ মহেশ্বৰ নেওগৰ কেতবোৰ ৰচনাতো অসমীয়া গদ্যৰীতিৰ এই বিশিষ্ট ভঙ্গী বিশেষ মাধুৰ্য্য আৰু গভীৰ ভাববোধক স্বৰূপে নিহিত হৈ থকাটো পৰিলক্ষিত হয়। তেখেতৰ "অ' মোৰ আপোনাৰ দেশ" নামৰ ৰচনাখনিৰ এই দুটি বাক্যই তাৰ উৎকৃষ্ট নিদৰ্শন হব - "আইৰ বাৰীৰ ৰমক-জমক ইন্দ্ৰজিত মালতীয়ে মোৰ হিয়াৰ বাৰীত ছুঁয়া দি বিৰিয়া বতাহৰ লগত হিয়াৰ বৰঘৰ, মাৰলঘৰ, চ'ৰাঘৰ মণিকূটলৈকে মলেমলি গোন্ধেৰে আমোলমোলাই থাকিব।......আইৰ চেনেহ সঁফুৰাৰ চাৰিওফালে উৰা ৰামধনু অঁকা পাখিৰে হাজাৰ বিজাৰ পখিলাহঁতে পিন্ধোৱা আইৰ বুটা তোলা ৰিহাখন চাই চাই, মোৰে আইৰ সেউজীবুলীয়া তেলপৰি পিছলা বনকৰা মেখেলাখনৰ ওপৰত মোৰ 'কুকুহাপৰিয়া যোৱা,' 'গুটি গুটি বন্ধা ধূলিয়ৰি, কুট্‌কৰা চুলিবোৱা' হেঁাহকা-পিছলা কৰি, আইৰ চালে চমক মাৰি ধৰা, চাই চাই হেঁপাহ পলাই আকৌ চাবৰ মন যোৱা, কৰুণাৰে ভৰা মোৰ আইৰ মুখখনিলৈ চকুৰ চেলাউৰীয়ে পলক নেপেলোৱাকৈ যেন চায়েই থাকিম," ৰচনাৰীতিৰ এই অসাধাৰণ ভঙ্গিমা লিখকৰ মজ্জাগত। ইচ্ছা কৰা হ'লে তেখেতে এইধৰণৰ বৈশিষ্টপূৰ্ণ ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাললৈ এক আপুৰুগীয়া তথা মূল্যবান বৰঙণি যোগাব পাৰিলেহেঁতেন।

সাহিত্য সমালোচনাৰ ভাষাতো মসৃণ চিত্ৰকল্পিতা আৰু উপমাৰঞ্জিত বাক্যৰ দ্বাৰা ৰচনাৰ এইটি বিশিষ্ট সুৰৰ ঝঙ্কাৰ তোলাৰ সফল প্ৰচেষ্টা ৰন্ধ্ৰে ৰন্ধ্ৰে অনুভূত হয় ডঃ মহেন্দ্ৰ বৰাৰ ৰচনাত; যদিও এখেতৰ সাহিত্য আলোচনাৰ গদ্যত ইংৰাজী ৰীতিৰ প্ৰভাব পৰিছে বুলি ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই 'সাহিত্যৰ আভাস' নামৰ পুথিত আঙুলিয়াই দেখুৱাইছে। ডঃ বৰাৰ ৰচনাৰ চানেকি বেছি দূৰলৈ নগৈ প্ৰাক স্নাতক শ্ৰেণীৰ পাঠ্যপুথি 'অসমীয়া কৱিতা চয়ণ'ত সন্নিবিষ্ট 'ভূমিকা'খনিৰ পৰাই এছোৱা দাঙি ধৰা হ'ল। "তেওঁৰ চকুত ভাঁহি উঠা ফটিক পানীত ধোৱা মুকুতাৰ মণি যেন নিয়ৰৰ সৰু এটি কণিকা যেন পুৰাণ কথাত পোৱা স্বাতী নক্ষত্ৰৰ চকুৰপৰা সৰি পৰা এটি চকুলোৰ টোপাল। ৰাতিৰ সোণালী তৰাৰ তপত চকুলো পৃথিৱীৰ সেমেকা বুকুত সৰি গোট মাৰি মুকুতা হৈ পৰিছে। নাইবা মানুহৰ চকুৰ আঁৰত নিশাৰ পৃথিৱীত কোনোবা আকাশী পৰীৰ নাচোনৰ উজান উঠিছিল। হয়তো সেই আকাশীপৰীৰ ডিঙিৰ সাতসৰী চিঙি মণিবোৰ সিঁচৰিত হৈ পৰিছিল"।

গাঁৱলীয়া সমাজৰ নিখুঁত পৰিবেশ চিত্ৰণ আৰু বৰ্ণনাৰ সাৱলীলতাৰ বাবে গল্পাকাৰ মহিম বৰাৰ কেতবোৰ বাচক-বনীয়া গল্পয়ো আমাৰ এই আলোচিত বৈশিষ্ট্য অটুট ৰখাৰ দাবী কৰিব পাৰে। আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰত কোনো কোনো মহলৰ পৰা দুৰ্বোধ্যতাৰ অভিযোগ তোলা হয় যদিও ডঃ নিৰ্মল প্ৰভা বৰদলৈৰ ঐতিহ্য আৰু সংস্কৃতি প্ৰীতিমূলক আৰু হীৰেণ ভট্টাচাৰ্য্যৰ প্ৰকৃতি আৰু দেশপ্ৰেমমূলক, সংখ্যাত তাকৰ, কিছুমান কবিতাত নিভাঁজ, শুধ্ অসমীয়া অন্তঃস্ৰোতা বচনভঙ্গি আৰু তাৰ প্ৰকাশৰ গাম্ভীৰ্য্য মনকৰিব লগীয়া। অনাতাঁৰ অনুষ্ঠানত প্ৰচাৰিত কেশৱ মহন্তৰ গভীৰ অৰ্থবোধক কোনো কোনোটিহঁত গীততো চিনাকি মাটিৰ গোন্ধ পোৱা যায়।

আমাৰ এই আলোচনাত উল্লেখ নথকা আন দুজনমান ন-পুৰণি লিখকৰ লিখনিতো ছেগা-চোৰোকাকৈ হলেও এইবিধ ৰচনাৰীতিৰ কিৰণ নপৰাকৈ নিশ্চয় থকা নাই। প্ৰসঙ্গক্ৰমে সেইসকলক এই আলোচনাৰ পটলৈ আনিব নোৱাৰাটো আমাৰ অধ্যয়ণৰ সীমাৱদ্ধতাহে – তাক থোৰতে স্বীকাৰ কৰি থলোঁ।

বৰ্তমান সমাজৰ সকলো স্তৰতে নগৰমুখী মনোভাব অধিক প্ৰগাঢ় হৈ পৰাৰ লগে লগে আমাৰ সামাজিক লোকসকলৰ মুখৰ পৰা প্ৰাচীন, বিশুদ্ধ অসমীয়া মাত-কথা, কথনৰীতি আদি ক্ৰমান্বয়ে লোপ পাবলৈ ধৰিছে। তাৰ প্ৰতি লক্ষ্য নেৰাখি নবীন সাহিত্যসেৱীসকলে যদি জধে-মধে বাৰে বওলুৱা শব্দ আৰু ঠাঁচ ব্যৱহাৰ কৰি সাহিত্য ৰচনা কৰে তেনেহলে অদূৰ ভৱিষ্যতে অসমীয়া ভাষা আৰু সাহিত্য মৌলিকতাহীন, বাৰেবিংকৰা বাক্যযুক্ত, দুৰ্বোধ্য এক মিশ্ৰিত অপভ্ৰংশলৈ ৰূপান্তৰিত হৈ যোৱাৰ আশংকা নুই কৰিব নোৱাৰি।

---

"অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হলেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ কেটেলেগ্ বা যাদুঘৰ নহয়। নিৰ্বাচন কৌশল কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ কেচা সজুলী গঢ়ি-পিতি ললেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়।"

—কৃষ্ণকান্ত সন্দিকৈ
সভাপতি, অসম সাহিত্য সভা
সপ্তদশ অধিবেশন, গোৱাহাটী।

সংগ্ৰাহক ঃ সম্পাদক।

# ঃ বান্দৰ ঃ

— অধ্যাগক ডিম্বেশ্বৰ চলিহা,
এম্, এচ্, চি
মুখ্য অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ।

বান্দৰৰ বিষয়ে বিভিন্ন আখ্যান, সাধুকথা আছে। কৌৰৱ-পাণ্ডৱৰ যুদ্ধত কৃষ্ণৰ যেনে ভূমিকা, ৰাম-ৰাৱণৰ যুদ্ধতো বান্দৰৰ প্ৰায় তেনে ভূমিকাই বুলিব পাৰি। ৰামায়ণ পঢ়াজনৰ বান্দৰলৈ ভক্তি-ভাৱ ওপজে। আকৌ বাৰীৰ আম-কঠাল, কল, অমিতা ইত্যাদি চুৰকৈ খাবলৈ অহা বান্দৰজাকলৈ দলি ফৰ্মুটি আৰু গুলি খাওক বা নাখাওক, বন্দুক টোওৱা মানুহৰো অভাৱ নাই। বাৰীৰ আশে-পাশে বান্দৰ থকা মানুহৰ ঘৰত বাটলু গুটি, কাঁড়ফাই ধনু সদায় সাজু থাকে আৰু অভাৱত ভাওনা-থিয়েটাৰত ব্যৱহাৰ কৰা নিফোগী কাঠৰ বন্দুক হলেও চলে। পাচে ইমানখিনি কৰা সত্বেও বান্দৰৰ চতুৰালিৰ আগত মানুহৰ চতুৰালিয়ে হাৰ মানিব লগা হয়।

ডাৰউইন চাহাবে ক্ৰমবিকাশ সূত্ৰ উলিওৱাৰ পাছৰে পৰা মানুহৰ মনত এটা ভ্ৰান্ত ধাৰণাই সদায় খোপনি পুতি আছে আৰু সেয়ে হ'ল যে বান্দৰৰ পৰা মানুহৰ উৎপত্তি হৈছে। প্ৰকৃততে ধাৰণাটো তেনেই ভুল আৰু ডাৰউইনেও তেনেকৈ কোৱা নাই। অৱশ্যে এইটো ঠিক যে মানুহ আৰু বান্দৰ ক্ৰমবিকাশৰ একেডাল গছৰ পৰাই ওলোৱা দুটা বেলেগ ডাল। বান্দৰৰ ডালটো মানুহৰ ডালটোতকৈ কিছু আগতে ওলোৱা। বান্দৰৰ পূৰ্ব্বপুৰুষসকল গছত থকা চিকা আদিৰ দৰেই আছিল বুলি অনুমান কৰা হৈছে।

প্ৰাচীন মহাদেশ কেইখনৰ বান্দৰসমূহক গোটানকা (Catarrhine) আৰু আমেৰিকা বা নতুন পৃথিৱীখনৰ বান্দৰসমূহক চেপেটানকা (Platyrrhine) বুলি কোৱা হয়। প্ৰাচীন মহাদেশ কেইখনৰ বান্দৰসমূহৰ নাকটো গোটা, নাকৰ ফুটাকেইটা তলমুৱা হৈ থাকে আৰু নসিকা নলী দুটাৰ মাজত এখন পাতল বেৰ থাকে। বহি থকা অৱস্থাতে শোৱাৰ অভ্যাস কৰাৰ কাৰণে দুয়োটা টিকাতে দুচটা পেডৰ (Pad) সৃষ্টি হয়। আনহাতে এই পেড বন-মানুহ আৰু আমেৰিকাৰ বান্দৰসমূহত নাথাকে। গোটানকীয়া বেচিভাগ বান্দৰৰে গালৰ দুয়োটা ফাল ওলমি দুটা মোনাৰ সৃষ্টি হয়। কৰোটিৰ অস্থিসমূহৰ ক্ষেত্ৰতো দুয়োবিধ বান্দৰৰ মাজত কিছু পাৰ্থক্য আছে। আমেৰিকাৰ

বান্দৰৰ নাকবিলাক চেপেটা আৰু বহল। নাকৰ আগটো ওপৰমুৱা। নসিকা নলীদুটাৰ মাজত থকা বেৰখন ডাঠ। ইহঁতৰ নেজডলো যথেষ্ট দীঘল আৰু যি কোনো বস্তুতে পকাই খোপনি পুতিব পাৰে।

বান্দৰৰ মুঠতে ১৩০ টা মান জাত আছে। সিহঁত সকলোৱেই দিনচৰ আৰু বেবুনক বাদ দি বাকী সকলোৱেই গছত থাকে। সাধাৰণভাৱে মাটিত খোজ কাঢ়োতে বা গছত বগাওতে চাৰিওটা ঠেঙৰ ওপৰত ভৰ দিয়েই খোজ কাঢ়ে বা বগায়। কিন্তু কেতিয়াবা মাটিত পাচ ঠেং দুটাৰ ওপৰত ভৰ দি জপিয়াই যাবও পাৰে। আধা গছত আৰু আধা মাটিত জীৱন কটোৱাৰ কাৰণে ইহঁতৰ নেজডাল ক্ৰমাৎ চুটি হৈ আহিছে, কিন্তু ঠেং কেইটা মজবুত হৈছে। গছত থাকোতে নেজডালে সমতা ৰক্ষা কৰাত সহায় কৰে সঁচা কিন্তু মাটিত দৌৰিব লগা হলে ই আকৌ বিধি পথালিহে দিয়ে। অৱশ্যে ম'হ-মাখি খেদাত নেজ ডালৰ অৱদানৰ কথা কোনেও নুই কৰিব নোৱাৰে। তদুপৰি নেজডাল বিভিন্ন ধৰণে লৰ-চৰ কৰি জাকটোৰ এটাই আনটোক বিভিন্ন বা-বাতৰি দিয়াতো সহায় কৰে। বাচৰ ওপৰত বস্তু নপৰিবলৈ ৰছি বন্ধাৰ দৰে পোৱালী বোকোচাত লোৱা বান্দৰবিলাকেও নেজডাল ঠিয় কৈ এনেভাৱে ৰাখে যে পোৱালী সতকাই সৰি নপৰে।

বান্দৰৰ ঠেং কেইখন বেচ অনুভূতিশীল আৰু প্ৰত্যেকটো ঠেঙেই যি কোনো ফালে ঘূৰাব পকাব পাৰে। হাত - ভৰি দুয়োৱে বুঢ়া আঙুলি এফালে আৰু বাকী কেইটা আঙুলি আনফালে থাকি চেপেনাৰ দৰে কাম কৰে আৰু সিয়েই গছত বগোৱাত সহায় কৰে। চাৰিওটা ঠেঙে সমানে কাম কৰিব পাৰে কাৰণেই বোধ হয় বান্দৰক চাৰিহতীয়া বুলি কোৱা হয়। হাত-ভৰিৰ তলুৱা কেইখন খহটা হোৱাৰ কাৰণেও খামুচি ধৰাত সুবিধা হয়। হাতখন ঘনাই ব্যৱহাৰ কৰাৰ কাৰণে ডিঙিৰ কলাৰ অস্থি ( collar bone ) ডালো ডাঙৰ হয়। বান্দৰৰ আঙুলিবিলাক মানুহৰ আঙুলিৰ দৰে আৰু আঙুলিৰ মূৰত নখ থাকে।

অন্য জন্তুতকৈ বান্দৰৰ দৃষ্টি শক্তিও বৰ প্ৰখৰ। দুয়োটা চকুৰে বহুত দূৰৈৰ বস্তুও ইহঁতে মণিব পাৰে। তদুপৰি এই দৃষ্টি-শক্তিৰ ওপৰত নিৰ্ভৰ কৰিয়েই কোনো এক নিৰ্দ্দিষ্ট ঠাইলৈ জপিয়াব পাৰে। বান্দৰে বিভিন্ন ৰঙৰ পাৰ্থক্যও ধৰিব পাৰে। বান্দৰৰ অন্য এটা বিশেষ গুণ হ'ল এয়ে যে গাৰ কোনো অংশত ঘা লাগিলে সি আপোনা আপুনি ভাল হয় আৰু হাড় ভাগিলেও সি নিজে নিজেই যোৰা লাগে। ডাঙৰ একো টুকুৰা ঘাও এনেকৈ ভাল হয় যে তাত কোনো দাগেই নাথাকে বা থাকিলেও নাম মাত্ৰহে থাকে। বয়সীয়াল বান্দৰৰ নাভিৰ গোটোকা পৰা অংশও মিহি হৈ পৰে। ভঙা কোৱাৰি আৰু কৰোটিৰ ভঙা অস্থিৰে জীৱন নিৰ্ব্বাহ কৰা বান্দৰো দেখা পোৱা গৈছে। বহুতো বান্দৰৰ আকৌ ঘা নুশুকোৱাৰ উদাহৰণো আছে। এটাৰ ঘা লাগিলে লগৰ বান্দৰবিলাকে ঘা টুকুৰা চাবলৈ

এনে ব্যগ্র হৈ পৰে যে তাৰে দুই এটাই ঘা টুকুৰা আঁচুৰি - পিচুৰি বেচি বহলাইহে পেলায়। এনে ক্ষেত্রত ঘা শুকাবলৈ সময় কিছু বেছি লাগে আৰু দুই এটাই আকৌ এনে ঘাতে ভুগি প্রাণ হেৰুৱাব লগাও হয়। ঘা আঘাট ইত্যাদি মাইকী বান্দৰতকৈ মতা বান্দৰৰ বেছি। কাৰণ ইহঁত বেছি দন্দুৰা, সাহীয়াল আৰু খঙালো।

বান্দৰৰ হাতৰ ঠাৰি আৰু আঠুৰ জোৰাটো বৰ লেতুসেতু। বাজহাড়ডাল দীঘল। বাহু আৰু শ্রোণীদেশৰ জোৰা কেইটাও লেতুসেতু। এই লেতুসেতু জোৰা কেইটা আৰু দীঘল ৰাজহাড়-ডালৰ কাৰণে ওপৰ পৰা জপিয়ালে বান্দৰে দুখ নাপায়। তদুপৰি জপিয়াওতে ভৰটো প্রথমতে আঙুলি কেইটাৰ মূৰত দিয়ে, তাৰ পাছত সেই ভৰ সৰু গাঠিটোৱে কিছু লৈ লাহে লাহে ওপৰলৈ পঠায়, ফলত শৰীৰটোৱে খুব কম জোকাৰ খায়। মানুহৰ জোকাৰ শোষণ কৰিব পৰা ক্ষমতা লোপ পালে। মানুহে যেতিয়া দুটা ভৰিৰ ওপৰত ভৰ দি খোজ কাঢ়িবলৈ ললে আৰু যি কাৰণেই ৰাজহাড়ডাল বেঁকা হৈ পৰিল তেতিয়াৰ পৰাই মানুহৰ ওপৰৰ পৰা জাপ মাৰিলে হয় হাত-ভৰি, নহয় কামিহাড় ভাগিব লগা অৱস্থা হ'ল।

বান্দৰে ইজোপা গছৰ পৰা সিজোপা গছলৈ যগাওতে সদায় সৰু সৰু ডাল বাচি লয়। ইয়াৰ কাৰণ হ'ল এই ডালবিলাকৰ ওপৰত জপিয়াই পৰিলে ডালটো তললৈ দোঁ খাই যায় আৰু তাৰ লগে লগে পুনৰ ওপৰলৈ গুছি যোৱাৰ লাচতে বান্দৰে অন্য এটা ডাললৈ জপিয়াবলৈ সুবিধা পায়। অৱশ্যে বহি জিৰণি লবৰ সময়ত ইহঁতে সাধাৰণতে ফেৰেঙণি একোটা বাছি লয় আৰু নপৰিবৰ কাৰণে নেজ বা হাতৰ আঙুলি কেই-টাৰে ডালত খামোচ মাৰি থাকে।

প্রাইমেট ( Primate ) জাতীয় অন্য প্রাণীৰ দৰেই ইহঁতৰো মতাবিলাক মাইকীবিলাকতকৈ আকাৰত ডাঙৰ। তুলনামূলকভাৱে মতাবিলাক বেছি বলী আৰু খঙালো। তিৰোতা সেৰুৱাৰ স্বভাৱ বান্দৰৰ গাত নাই বুলিবই পাৰি। আনকি যৌন মিলনৰ বেলিকাও মতা বান্দৰ-বিলাকে মাইকী বান্দৰৰ ইচ্ছা অনিচ্ছালৈ বৰ বেছি কেৰেপ নকৰে। মতাবিলাকৰ ইচ্ছাই ইচ্ছা। অৱশ্যে বহুতো সময়ত প্রথম অনুৰোধ মাইকীবিলাকৰ পৰাও নহা নহয়। গৰ্ভধাৰণৰ কাল বিভিন্ন জাতৰ বান্দৰৰ বেলেগ বেলেগ। কিছুমানৰ চাৰি মাহৰ পৰা কিছুমানৰ সাত মাহলৈকে। বান্দৰে সাধাৰণতে এবাৰত এটা পোৱালীহে দিয়ে। কিন্তু কেতিয়াবা দুই তিনিটা পোৱালী দিয়াৰো অনেক দৃষ্টান্ত আছে। প্রসৱৰ সময়ত বহুতো মাকে পোৱালীটো হাতেৰে টানি উলিয়াই আনে আৰু এয়ে হয়তো প্রসৱবেদনাৰ কিছু উপশম ঘটায়। প্রসৱৰ পাছতেই মাকে পোৱালীটো জিভাৰে চেলেকি চাফা কৰি দিয়ে। কেতিয়াবা এই চাফা কৰা কাম জল সৰাৰ আগতেও কৰা হয়। জলখিনি মাকে খাই পেলায় আৰু ইয়েই গাখীৰ ওলোৱাত সহায় কৰে বুলি কোৱা হয়।

জন্মৰ পাছতে বান্দৰৰ কেঁচুৱায়ো মানুহৰ

কেঁচুৱাৰ দৰে বৰ অসহায় বোধ কৰে। কেঁচুৱাৰ খুওৱা - বুওৱা আৰু ৰক্ষণাবেক্ষণৰ সম্পূৰ্ণ দায়িত্ব মাক-বাপেক বিশেষকৈ মাকেই লব লগাত পৰে। পোৱালীবিলাকে প্ৰথম অৱস্থাত মাকৰ পেটৰ ফালে খামুচি ধৰি থাকে। ইয়াৰ ফলত মাকৰ গাৰ পৰা কিছু উত্তাপো পায় আৰু দ্বিতীয়তে শত্ৰুৰ পৰাও ৰক্ষা পৰি থাকে। অলপ ডাঙৰ হলেই পোৱালীবিলাকে পেটৰ ফালৰ পৰা পিঠিৰ ফালে গৈ বোকোচাত উঠেগৈ। পেটৰ ফালে থাকিলে মাকে খোজ কাঢ়িবলৈ বা গছত বগাবলৈ কিছু অসুবিধা পায় কিন্তু পিঠিৰ ফালে থাকিলে মাকে দৌৰিও যাব পাৰে। বেলেগ বেলেগ জাতৰ বান্দৰৰ কেঁচুৱা কাল বেলেগ বেলেগ। কিছুমানে ছমাহলৈকে মাত্ৰ আৰু কিছুমানে দুবছৰ পৰ্য্যন্ত কেঁচুৱাবিলাক লালন-পালন কৰিব লগাত পৰে।

কিছুমান জাতৰ বান্দৰৰ পোৱালী সোনকালে ডাঙৰ হয় আৰু কিছুমানৰ পোৱালী ডাঙৰ হবলৈ সময় লাগে। কেঁচুৱা অৱস্থাটো দীঘলীয়া হোৱাৰ কাৰণে আৰু বহুদিন ধৰি মাকৰ পৰা বিভিন্ন প্ৰশিক্ষণ লৈ থকাৰ কাৰণে বান্দৰৰ বুদ্ধি বৃত্তি বেচ প্ৰখৰ। ইহঁতৰ মগজুও যথেষ্ট উন্নত। যি কোনো কামকে অতি সহজে নকল কৰা আৰু দুই একোটা কাম সৃষ্টিও কৰিব পাৰে। জাপানী বান্দৰ এজাকে নকল কৰিয়েই সাতুৰিবলৈ শিকিলে, আলুগুটিৰ বাকলি গুছাব পৰা হ'ল আৰু বালিৰ পৰা ঘেঁহু ধান বাচিবও জনা হ'ল। ইয়াৰ গুৰিতে এটি ঘটনা আছ। এবাৰ পানীৰ সোঁত এটাত আলুগুটি পেলাই দিয়া হৈছিল আৰু তাকে আনিবলৈ বান্দৰ এটা পানীত জপিয়াই পৰিছিল। বান্দৰটোক এনেকৈ জপিওৱা দেখি দলৰ বাকীবিলাকেও পানীত জপিয়াবলৈ ধৰিলে আৰু ফলত সাতুৰিবলৈকে শিকি পেলালে। বান্দৰৰ শিকাৰ হেঁপাহ বৰ প্ৰৱল। ইহঁতে সকলো কথা ডাঙৰক দেখি দেখিয়েই শিকি পেলায়। বিভিন্ন অৱস্থাত মুখৰ অঙ্গি-ভঙ্গী কেনে কৰিব লাগে, কেনেকৈ চিঞৰিব লাগে, কেনেকৈ নেজ জোকাৰিব লাগে ইত্যাদি সকলো কাম মাকৰ পৰাই শিকে।

বান্দৰৰ নিজৰ নোমৰ প্ৰতি এটি দুৰ্ব্বলতা আছে। বান্দৰে জাক পাতি এটাই আনটোৰ নোম খুচৰি খুচৰি ওকণী, চিকৰা আদি চোৱা দৃশ্য সঁচাকৈয়ে বৰ মনোমোহা। ওকণী, চিকৰা আদি ছালৰ পৰা খুচৰি আনি খন্তেকৰ কাৰণে চাইলৈ পাছত মুখত ভৰায়। ওকণী চাওঁতে দিগদাৰ কৰিলে দুচৰ এচৰ খোৱাটো সাধাৰণ কথা। আনকি এৰাই যোৱা ছালৰ বাকলি আদিও ইহঁতে খুচৰি খায়। কেতিয়াবা ওকণী, চিকৰা আদি নাথাকিলেও মৰম স্নেহতে ইটোৱে সিটোৰ নোম খুচৰি ভাল পায়।

বান্দৰে জীয়া মৰা চিনি নাপায় আৰু সেই কাৰণেই মৰা বান্দৰকো জীয়া বান্দৰৰ দৰেই ব্যৱহাৰ কৰে। মাকে গেলি পচি নোযোৱা পৰ্যন্ত মৃত কেঁচুৱা বুকুত বান্ধি লৈ ফুৰা দেখা গৈছে। কেঁচুৱা মৰিলে কেইদিনমানলৈ মাকে জীয়া কেঁচুৱাক ব্যৱহাৰ কৰাৰ দৰেই কৰে, নোমবিলাক খোচৰে অৰু গাটো চেলেকি থাকে। অৱশ্যে

গেলি-পচি যোৱাৰ লগে লগে মৰাশটো মাটিত পৰি যায় আৰু মাকো ওচৰলৈ নোযোৱা হয়। একেবাৰে শেষত অৱশিষ্ট ছালত লাগি থকা নোমবিলাকক দাঁতেৰে কুটিহে মাকজনী তেনে ঠাইৰ পৰা আঁতৰে।

যিমানেই ডাঠ হাবি নহওক লাগে বান্দৰে সাধাৰণতে কেতিয়াও বাট নেহেৰুৱায়। সিহঁতে পৰাপক্ষত সদায় একেটা বাটেৰেই অহা-যোৱা কৰে। কিছুমান বান্দৰে হেনো হাত-ভৰিৰ তলুৱাত প্ৰস্ৰাৱ সানি লয় আৰু খোজত থাকি যোৱা প্ৰস্ৰাৱ শুঙি শুঙিয়েই নিজৰ ৰাস্তা চিনি লয়। বান্দৰে যেতিয়া বিপদৰ আগজাননী পায় তেতিয়া এখোজো নলৰোৱাকৈ মনে মনে থাকে যাতে শত্ৰুৱে বান্দৰ থকা কথাটো ধৰিব নোৱাৰে আৰু আনহাতে চকুকেইটা পিৰিকিয়াই পিৰিকিয়াই শত্ৰুৰ গতিবিধিৰ উম লৈ থাকে। শত্ৰুৰ আগৰ পৰা সাৰিব পাৰিলে ডাঙৰ গছ বা জোপোহাৰ আঁৰত লুকাই পৰে আৰু যদি কেনেবাকৈ শত্ৰুৰ লগত মুখামুখি হ'ব লগা হয় তেন্তে এটা বিৰাট চিঞৰ মাৰি ডালে পাতে বগাই দৌৰি পলাই সাৰে। দূৰৈত শত্ৰু চিনিব পাৰিলেই সাধাৰণতে পিচ হোঁহকি পলায়। মানুহক বাদ দি বান্দৰৰ ঘাই শত্ৰু হ'ল মেকুৰী, গছত থকা সাপ আৰু কেইজাতমান চিকাৰী চৰাই। কিন্তু ইহঁত ইমান সিয়ান যে বিপদৰ সম্ভাৱনা দেখিলেই তেনে ঠাইৰ পৰা নিজেও আঁতৰে আৰু জাকটোকো আঁতৰাই নিয়ে।

বান্দৰ এবিধ সমাজপ্ৰিয় প্ৰাণী, ইহঁত সদায় জাকত থাকি ভাল পায়। জাকটোৰ এজন দলপতি থাকে আৰু এই দলপতিৰ কাম কৰে একোটা সাহসী মতাই। সাধাৰণতে একোটা ডাঙৰ মতাই মাইকী বিলাকক আৰু মাইকীবিলাকে নিজৰ পো-পোৱালী বোৰক শাসন কৰে। ডাঙৰ মতাবিলাকৰ ভিতৰত কিন্তু কোন দলপতি হ'ব সেই লৈ প্ৰায়ে হাই-কাজিয়া, খোৱা-কামোৰা ইত্যাদি হৈ থাকে। বান্দৰৰ ৰাজনীতি অদ্ভূত। কোনজন দলপতিৰ হাতত কিমান দিন শাসনভাৰ থাকে কোৱা টান। সাধাৰণতে শক্তিশালী মতাটোৱেই যদিও দলপতি হোৱাৰ নিয়ম কিন্তু কেতিয়াবা দুটা দুৰ্ব্বলী মতা লগ লাগিও যুটীয়া দলপতি হিচাবে শাসনভাৰ নিজৰ হাতলৈ আনে। মাইকীবিলাক কিন্তু শাসনৰ গাদীত বহিবলৈ কেতিয়াও নিবিচাৰে আৰু সিহঁতৰ ভিতৰত দন্দ্ খৰিয়ালো নাথাকে। অৱশ্যে গৰ্ভাৱতী আৰু কেঁচুৱা থকা মাকবিলাকৰ স্থান সমাজৰ আন মাইকীবিলাকতকৈ ওপৰত।

বান্দৰৰ একোটা জাকত কেইটামান বান্দৰৰ পৰা বহুতো বান্দৰলৈকে থাকিব পাৰে। খাদ্য, পানী আৰু থকা ঠাইৰ সুবিধা অসুবিধাৰ ওপৰতে এই কথা ঘাইকৈ নিৰ্ভৰ কৰে। খোৱাবস্তু আৰু পানী বেচিকৈ থকা ঠাইত কেইবাটাও জাক ওচৰা ওচৰিকৈও থাকিব পাৰে। যি কোনো জাকেই যেতিয়া সংখ্যাত খুউব সৰহ হয় তেতিয়া সৰু সৰু জাকত বিভক্ত হৈ পৰে। কেতিয়াবা দুই এটা মতাইয়ো এনেকৈ জাক তৈয়াৰ কৰি দলপতি হোৱাৰ সুবিধা লয়। কেৱল বলশক্তি থাকিলেই একোটা মতা দলপতি হ'ব নোৱাৰিবও পাৰে। দুৰ্ব্বল হলেও সাহীয়াল, খঙাল আৰু দন্দুৰা মতাবোৰেহে সাধাৰণতে দলপতিৰ আসন দখল কৰা দেখা যায়। দলপতি মতাটোৱে বাকীবিলাক

মতাৰ লগত প্ৰায়ে দুখন এখন খণ্ড যুদ্ধত লিপ্ত থাকিব লগা হয় আৰু এনে যুদ্ধত হাৰিলেও কিন্তু সতকাই দলপতিৰ গাদী এৰি নিদিয়ে। কিন্তু কেতিয়াবা সিহঁতে যদি তাৰ তিৰোতাজনী পলুৱাই নিয়ে আৰু তাৰ ফলস্বৰূপে হোৱা যুঁজত সি হাৰিব লগা হয় তেন্তে গোটেই জাকটোৰ আগতে সি বশ্যতা স্বীকাৰ কৰে আৰু দলপতিৰ আসনখনো এৰি দিয়ে।

প্ৰাণী জগতত একেজাতৰ প্ৰাণীৰ এটাই আনটোৰ ওপৰত শাসন কৰা এটা সাধাৰণ নিয়ম। বান্দৰো ইয়াৰ ব্যতিক্ৰম নহয়। বৰঞ্চ বান্দৰৰ সমাজত সামাজিক নীতি নিয়ম কিছুমান বেচি কটকটীয়াহে। সৰুৱে ডাঙৰক ভয় কৰি চলা আৰু সন্মান দেখুওৱা ইহঁতৰ এটা সাধাৰণ নিয়ম। আনকি দলপতি গৰাকীয়ে যেতিয়া কোনো ৰোগত ভোগে বা সন্মান হেৰুৱাব লগা হয় তেতিয়া গোটেই জাকটোৱেই তাৰ কাৰণে অনুতাপ কৰে আৰু সেই ভাৱ সিহঁতৰ চেহেৰা দেখিয়েই ধৰিব পাৰি। দলপতিজনে নিজৰ জাকটোৰ সকলো সুবিধাৰ প্ৰতি চকু ৰাখিব লাগে। এখন হাবিৰ পৰা আন এখন হাবিলৈ যাওঁতে দলপতিজনেহে প্ৰথমতে বাট দেখুওৱাব লাগে আৰু একো বিপদৰ সম্ভাৱনা নেদেখিলেহে জাকটো পাৰ কৰায়। বিশেষকৈ কেঁচুৱা থকা আৰু গৰ্ভাৱতী মাকবোৰক সকলো প্ৰকাৰে ৰক্ষা কৰাৰ দায়িত্ব দলপতিজনৰ। জাকটোৱে যেতিয়া কোনো বিপদৰ সন্মুখীন হব লগা হয় বা অন্য জাকৰ কোনো বান্দৰে যেতিয়া যুদ্ধং দেহি মনোভাৱ লয় তেতিয়া সেনাপতিৰ বাবো এই দলপতিজনৰ গাতে পৰে।

দলপতিৰ কিছুমান সুবিধাও আছে। কিবা ভাল খোৱা বস্তু পালে প্ৰথমে দলপতিজনেই তাৰ ভাগ পাব। জাকটোত তাৰ ভাল লগা যি কোনো এজনী বান্দৰীকে জীৱন সঙ্গিনী হিচাবে লোৱাৰ স্বাধীনতা দলপতিৰ থাকে। খাদ্যবস্তু উভৈনদী হলে জাকটোৰ সকলো বান্দৰে পেট ভৰাই খোৱাত দলপতিৰ আপত্তি নাই। কিন্তু খাদ্যবস্তু কম থাকিলে দলপতিক ভোকত ৰাখি আনে খোৱাটো নীতি বিৰুদ্ধ। তাতো যদি কোনোবাটো বান্দৰে লুকাই চুৰকৈ খাদ্য খাই শেষ কৰে আৰু সেই কথা দলপতিৰ চকুত পৰে তেন্তে দলপতি তেনে বান্দৰৰ ওপৰত পোনচাতেই জপিয়াই পৰে আৰু দুচকা এচকা দি খাদ্যখিনি বমি নকৰাই মানে নেৰে। মুঠতে দলপতিক অমান্য কৰি বা দলপতিৰ নিৰ্দ্দেশ নামানি জাকত থকা বৰ সহজ নহয়। সেই কাৰণেই দলপতি হব নোৱাৰা তল খাপৰ মতা বান্দৰবিলাকে হয় জাকৰ ওচৰে পাজৰে ঘূৰে আৰু তাতো উপায় নাপালে জাক এৰি পলাবলৈ বাধ্য হয়।

বহুতৰ মতে বান্দৰ জাকপাতি থকাৰ এটা মূল কাৰণ হ'ল, সিহঁতৰ মাজত থকা প্ৰেম প্ৰণয়। কিন্তু ভাৰতবৰ্ষত থকা সাধাৰণ বান্দৰ জাতৰ পোৱালী হয়, মাৰ্চ-এপ্ৰিল জাক নহয় চেপ্তেম্বৰ মাহতহে জগা দেখা যায়। এই কথাৰ পৰা

প্ৰেমেই যে কেৱল গোটেই বছৰটো জাকপাতি ফুৰাত সহায় কৰে, সেয়া বিশ্বাস কৰিবলৈ টান হয়। অৱশ্যে এইখিনিতে কেঁচুৱাৰ প্ৰতি থকা স্নেহৰ প্ৰশ্নটিও আছে। জাকটোত থকা কেঁচুৱা-বোৰক জাকটোৰ সকলো বান্দৰেই মৰম কৰে। আনকি কেঁচুৱা নথকা মাইকীবোৰেও লোকৰ কেঁচুৱাকে মৰম কৰি ভাল পায়। অৱশ্যে মাক-বোৰে নিজৰ কেঁচুৱা আনে মৰম কৰিবলৈ সত-কাই এৰি নিদিয়ে। ডাঙৰ মতা বান্দৰবোৰে কেঁচুৱাৰ বিপদ-আপদ দেখিলে জপিয়াই পৰে। বান্দৰৰ সমাজত কেঁচুৱা অপহৰণ কৰাৰ অলেখ দৃষ্টান্ত আছে।

বান্দৰবিলাক দিনত য'তেই নুফুৰক ৰাতি হলে সদায় নিজৰ থকা ঠাইলৈ ওভটে। প্ৰত্যেক-টো জাকৰে থাকিবলৈ একোটা এলেকা থাকে আৰু এই এলেকালৈ অন্য বান্দৰৰ জাক আহি-বলৈ নিদিয়ে। বান্দৰৰ আচৰণ-বিচৰণ মানুহে অনন্ত কালৰ পৰা উপভোগ কৰি আহিছে আৰু কৰি থাকিবও। চিৰিয়াখানাত বান্দৰৰ গৰাল-টোৰ ওচৰত দৰ্শকৰ ভিৰ বেচি। চিৰিয়াখানা-তেই হওক, দ'ল-দেৱালয়তেই হওক বা হাবিতেই হওক বান্দৰ জোকাই সিহঁতৰ ভাও-ভঙ্গী চোৱাৰ এটা চখ্ আছে। পোক-পৰুৱা আৰু কীট্-পতঙ্গৰ সংখ্যা কমাই ৰখাত বান্দৰে বৰ সহায় কৰে। কিছুমান চিৰিয়াখানাত বান্দৰক খুৱাবলৈকে পোক-পৰুৱা, কীট-পতঙ্গ পুঁহিব লগা হয়। দক্ষিণ-পূব এচিয়াত বান্দৰে ইঠাইৰ পৰা সিঠাইত নাৰিকল পেলাওঁতে বহু নাৰিকল গছ আপোনা আপুনি গজি উঠে। মনস্তত্ত্ব আৰু শৰীৰতত্ত্বৰ পিনৰ পৰাও মানুহৰ লগত ইহঁতৰ ঘনিষ্ঠ সম্পৰ্ক আছে। বিজ্ঞানাগাৰত বান্দৰৰ সহায় নোলোৱা হলে চিকিৎসা শাস্ত্ৰকে ধৰি বিজ্ঞানৰ বহুতো সৃষ্টি সম্ভৱপৰেই নহলহেঁতেন। মহাকাশ যাত্ৰাতো বান্দৰৰ অৱদান কম নহয়। তদুপৰি চাৰ্কাচ পাৰ্টি আৰু বান্দৰ-বান্দৰণী নচুৱাই পেট প্ৰৱৰ্ত্তোৱা মানুহ চামৰ কথাও চিন্তা কৰা উচিত হব।

× × ×

"বাস্তৱতে উচ্চ ভাৱৰ ভাবুক আৰু ওখ দৰৰ কাৰ্য্যকাৰক সকলেই পৃথিৱীৰ বুৰঞ্জীবোৰ ঘাই ভেঁটি। সেই সকলৰ মহান ভাৱ আৰু কাৰ্য্যৰ চিন আঁকিবৰ কাৰণেই বুৰঞ্জীৰ প্ৰথম সৃষ্টি হয় বুলি কব পাৰি।"

—পদ্মনাথ গোহাঁঞিবৰুৱা

সংগ্ৰাহক: সম্পাদক।

# নলিনীবালা দেৱীৰ কাব্য সাহিত্যলৈ অৱদান আৰু কাব্য সুৰৰ গতিধাৰা

– হেমন্ত বৰুৱা
স্নাতক মহলা, ১ম বাৰ্ষিক (কলা)

"ভাগি গ'ল বীণ খনি
ছিগি গ'ল তাঁৰ;
ৰই গ'ল অৱশেষ
অমিয়া জোকাৰ ।"
( অৱশেষ ; বেজবৰুৱা )

অসমীয়া কাব্য জগতত যুগজয়ী ঝংকাৰ সৃষ্টি কৰি অমৰ হোৱা পদ্মশ্ৰী নলিনী বালা দেৱী শাৰিৰীক ভাৱে আজি অনুপস্থিত, কিন্তু "পখী হৈ আকাশৰ বুকুত ফুৰিম উৰি" বুলি কোৱা কবিৰ আত্মাই আজিও যেন চিৰসেউজী অসমী আইৰ বুকুতে উৰি ফুৰিছে !

১৮৯৮ চনৰ মাৰ্চ মাহত নলিনী বালা দেৱীৰ জন্ম হয়। একালৰ সাহিত্য সভাৰ সভাপতি, ভাৰতৰ স্বাধীনতা যুৰ্জৰ আগশাৰীৰ নেতা আৰু অসমীয়া সাহিত্যত সু-পৰিচিত কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ তেওঁ জেষ্ঠ্যা কন্যা। নলিনী বালাৰ শিক্ষা, জ্ঞান-দৰ্শন আদিৰ পৰিচয় ঘৰতেই গোপাল দাসৰ তলত আৰম্ভ হয়। ১৯০৯ চনত নলিনী বালাৰ বিবাহ কাৰ্য্য সম্পন্ন হৈ ১৯১৬ চন পৰ্য্যন্ত পাঁচটি সন্তানৰ মাতৃ হয়। ১৯১৭ চনত স্বামীৰ অকাল মৃত্যুৰ হেতু পিতৃ গৃহলৈ ঘূৰি আহে। নিয়তিৰ কুটীল নীতিৰ পাক চক্ৰই দুটি সন্তান আৰু কন্যা পুতলীকো কাঢ়ি লৈ যায় তেওঁৰ বুকুৰ পৰা। পুত্ৰশোক আৰু বৈধব্য যন্ত্ৰনাত অধৈৰ্য্য নহৈ কবিয়ে ভগবানৰ ওচৰত আত্মসমৰ্পণ কৰি জগতৰ শোক তাপ বিভোৰেই আশীস্ নিৰ্ম্মালী বুলি শান্তনা লবলৈ চেষ্টা কৰে। কন্যা পুতলীৰ বিয়োগ যন্ত্ৰনাই নলিনীবালাৰ জীৱনৰ গতিপথ সলনি কৰাৰ লগে লগে কাব্য প্ৰতিভাৰ সুঁতিৰ ধাৰও প্ৰবাহিত কৰি দিলে। সেয়েহে তেওঁৰ এই জীৱন প্ৰবাহ ভেদি অশান্ত আত্মা আগবাঢ়ে শান্তিৰ পথ বিচাৰি—অনন্ত যাত্ৰা পথ বিচাৰি, কাব্য জগতৰ মাজেৰে। নলিনী বালাৰ ব্যক্তিগত দুখ-বিচ্ছেদ আধ্যাত্মিক বিচ্ছেদলৈ উন্নীত হয়। শৈশৱৰে পৰা ভগবৎ ভক্তিৰ বীজ নিহিত হৈ থকা

কবিৰ অন্তৰখন সাংসাৰিক শোক-দুখে ঈশ্বৰাভিমুখি কৰি তোলাত সহায় যোগালে। সেয়েহে নলিনী বালাৰ কবি মানসত এটি সনাতন সুৰৰ প্ৰকাশ চিৰবৰ্তমান হ'ল—যি সুৰ ভাৰতৰ বেদ উপনিষদৰ যুগৰ পৰাই চিৰ প্ৰবাহিত হৈ আহিছে। এই সুৰ হৈছে কবিৰ আপোন সুৰ অৰ্থাৎ আধ্যাত্মিকতাৰ, অতীন্দ্ৰিয় ভাব তন্ময়তাৰ সুৰ। সেই বাবেই কবিয়ে নৈসৰ্গিক প্ৰকৃতিৰ বিশাল প্ৰাঙ্গণত প্ৰতিবিম্বিত হোৱা সনাতন সৌন্দৰ্য্যৰ আভাস গছে-পাতে, বিৰিখে-লতাই, আকাশে-বতাহে উপলব্ধি কৰিছে। জাগতিক বৰ্ণ-বৈচিত্ৰৰ অন্তৰালত আত্মগোপন কৰি থকা সত্য শিৱ সুন্দৰৰ লগত মিলনেই কবিৰ চৰম আকাঙ্ক্ষা। যুগ-যুগান্তৰ জন্ম জন্মান্তৰ ৰহস্যৰ সন্ধানব্ৰতী কবি পৰমজনৰ লগত একীভূত হোৱাৰ তৃষ্ণাই হল—পৰম তৃষ্ণা। কবিয়ে সেইজন পুৰুষৰ লগত মিলিবলৈ বিছাৰিলে যিজন "ত্বং বেদ্য পুৰুষম্ বেদ যথা মাসো মৃত্যুম্ পৰিব্যথাঃ।" কবিৰ এই আৰুহ সঙ্গীতৰ সুৰ "অলকানন্দা" কবিতা পুথিখনিৰ উপৰিও অন্যান্য বহুতো কবিতাৰ মাজেৰে প্ৰবাহমান হৈছে। এই আৰুহ সঙ্গীতৰ সুৰে কবিক উন্মনা কৰি এক শান্ত স্নিগ্ধ আৰু বিমল আনন্দত উপনীত কৰিছে। জীৱনৰ গতিছন্দৰ মধুৰতাখিনি কবিৰ বাবে আজন্ম প্ৰেৰণাৰ উৎস। এই ছন্দতে কবিগৰাকীৰ পৰম তৃষ্ণা জাগিছে ঃ

"দূৰণিৰ পখীজাক মিলি যায় দিগন্তত  
মাতি যায় আকুল সুৰত  
প্ৰতিধ্বনি বাজে সুদূৰত  
জীৱন লহৰি মোৰ পিজঁৰাৰ পখীটিও  
মিলি যাব খোজে অনন্তত,  
অসীমৰ অচিন বাটত।"  
(পৰম তৃষ্ণা ঃ নলিনীবালা দেৱী)

তথাপি অশান্ত পথৰ অনাদি যুগৰ যাত্ৰী কবিৰ এই তৃষাৰ শেষ সীমা কৰবাত জানো আছে?

"মৰুৰ তৃষাত ক্লান্তি পিয়াহত কণ্ঠ শুকোৱা  
অনন্ত পথৰ অনাদি যুগৰ পথযাত্ৰী মই।"

অৱশেষত আধ্যাত্মবাদী কবিগৰাকীৰ ব্যথাতুৰ জীৱনৰ দুখ-শোক সেই সকলো সৌন্দৰ্য্যৰ আকৰ, পূৰ্ণানন্দ পৰমাত্মাৰ সন্ধানত সৰ্পি দিবলৈ প্ৰয়াস কৰিছে—'মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য্য তৃষ্ণা

সুখ আশা, হেঁপাহ বুকুৰ  
নহয় ই মৰতৰ ক্ষন্তেকীয়া জীৱনৰ  
সুখ আশা পৰম পদৰ,  
ৰূপ-তৃষ্ণা চিৰ সুন্দৰৰ।"  
(পৰম তৃষ্ণা ঃ নলিনী বালা দেৱী)

আধ্যাত্মিক বেদনাৰ কাৰুণ্যই নলিনী বালাৰ এই সুৰৰ কবিতা ধাৰাক নিয়ৰত সিক্ত শেৱালী ফুল পাহৰ দৰে স্নিগ্ধ আৰু ৰমণীয় কৰি তুলিছে। ভাৰতীয় দৰ্শনে বিশেষতঃ বেদ বেদান্ত, জন্মান্তৰ বাদ, কৰ্ম্মফল বাদ আৰু ভক্তি বাদে নলিনী বালাৰ কবিতাক পুষ্ঠ কৰিছে। বুদ্ধদেৱ আৰু মহাত্মাজীৰ সাম্য, মৈত্ৰী আৰু কৰুণাই দৃষ্টি-ভঙ্গি বোলইছে।

দেশ প্ৰেমত উদ্বুদ্ধ কবিৰ পৰা গীতেৰে আজিও জনসমাজক উদ্বুধ কৰা কৰ্ম্মবীৰ

বৰদলৈৰ পৰম্পৰাৰে নলিনীবালা দেবীৰ কবি মানসত সেয়েহে মূলতে জাতীয়তাবাদী চিন্তাধাৰাই প্ৰভাৱান্বিত কৰাটো একেবাৰে স্বাভাৱিক। সেয়েহে দেৱীৰ কবিতাৰ অন্য এটি সুৰৰ ধাৰা হ'ল স্বদেশানুৰাগ বা স্বদেশপ্ৰীতি। জন্মভূমিৰ প্ৰতিটো ধূলিকণা কবিৰ মানসত পৱিত্ৰ, মৰমৰ সেয়েহে কবিয়ে গাইছে ঃ

"দুখীয়াৰ ভগা পঁজা
একোখনি তীৰ্থ তাত
একোখনি পূণ্যৰ আশ্ৰম।"
(জনমভূমি ঃ নলিনী বালা দেৱী)

* * *

"অ' মোৰ অসমী অ' মোৰ মৰমী
ওপোজা মাটিৰ পৰশ মণি
জান জুৰি নৈয়ে ওমলে সদায়
তোৰেই বুকুৰ মৰম সানি।"

"যুগদেৱতা" কবিতা পুথিখনি এই সুৰৰ হোৱাৰ ওপৰিও অন্য কিছু কবিতাতো এই সুৰ পৰি লক্ষ্যণীয়। এইখন পৃথিবীত মানুহক ভাল্‌পোৱা কবিৰ পক্ষে জন্মভূমিৰ মোহ নিশ্চই তীব্ৰ হবই। "জনমভূমি" "অতি মৰমৰ মোৰ এই খন দেশ" 'আমাৰ ওপজা ঠাই এইখন মৰ্ত্য স্বৰ্গভূমি' 'স্বাধীনতা' আদি কবিতা ৰাজিত জাতীয় শৌৰ্য্য বীৰ্য্য আৰু স্বদেশ প্ৰেমে ঠাই লৈছে। হিমগিৰি বেষ্টিতা ভাৰতৰ নুমলি জীয়াৰী, ভাৰতৰ পূৰ্ব্বদিশৰ সূৰ্য্য উঠাৰ দেশ অসমী আইৰ ৰূপ বন্দনাৰ লগতে ভাৰতৰ মনীষা নাৰী সমাজকো দেৱীয়ে কবিতাৰে আঁকোৱালী লৈছে।

নলিনীবালা দেৱীৰ অসমীয়া কাব্য জগতত এখনি সুকীয়া আসন আছে। তেওঁৰ কাব্য প্ৰতিভাৰ সন্মানাৰ্থে ১৯৪৮ চনত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰে। এই গৰাকী কবিৰ কাগৰ পৰা ওলোৱা প্ৰকাশিত আৰু অপ্ৰকাশিত অবদান সমূহে অসমীয়া ভাষাক আজিও চহকী কৰি ৰাখিছে।

কবিয়ে সৰুৰে পৰাই কবিতা লিখাৰ অনুশীলন কৰিছিল যদিও কবিৰূপে প্ৰতিষ্ঠা লাভ কৰে 'সন্ধিয়াৰ সুৰৰ' প্ৰকাশৰ লগে লগে। 'সন্ধিয়াৰ সুৰ' আৰু 'আপোন সুৰ' দুয়োখনি পুথিতে কবি গৰাকীৰ আত্ম-উপলব্ধি আৰু স্বকীয় জীৱন দৰ্শন আছে। অন্যহাতে যুগ দেৱতাৰ কবিতাসমূহ বেছি ভাগেই স্বদেশানুৰাগী। অশান্ত দীঘলীয়া জীৱন বাটত বাট বুলোতে বুটলী পোৱা তেওঁৰ বিবিধ পৰ্য্যায়ত ভিন্ন ভাৱৰ খণ্ড কবিতাৰ সমাবেশ কৰাৰ উপৰিও যিসকলৰ জীৱন বাটত পৰশ মণিৰ সন্ধানত সোণৰ জিলিকনি উঠিছিল সেই সকলৰ জীৱনৰ চিত্ৰাভাষ কেইটামানো 'পৰশমণি" কবিতা পুথি খনিত সন্নিবিষ্ট কৰিছে। "অলকানন্দা" কবি গৰাকীৰ শেষ বয়সৰ ৰচনা আৰু ইয়াতে তেওঁ সকলোখিনি থৈছে। ইয়াত নলিনী বালাৰ কবি প্ৰতিভাৰ কেউটা দিশ সামৰিছে, অৱশ্যে কৱিৰ তত্ব জিজ্ঞাসাইহে প্ৰাধান্য লাভ কৰিছে।

প্ৰাচীন ভাৰতীয় সংস্কৃতি আৰু আদৰ্শৰ প্ৰতি গভীৰ শ্ৰদ্ধা তেওঁৰ কবিতাসমূহৰ এটি বিশেষ লক্ষণ। নলিনীবালাৰ কবিতা ৰবীন্দ্ৰ নাথৰ লগত তুলনীয়। ছন্দ প্ৰয়োগ, শব্দ চয়ন, ভাৱ ব্যঞ্জনা আৰু চিত্ৰ ৰচনাৰ মাধূৰ্য্যেৰে দেৱীৰ কাব্য সমৃদ্ধ। অসমীয়া সাহিত্যত উচ্চভাৱাপন্ন কবিতা ৰচয়িত্ৰী নলিনীবালা দেৱী ১৯৭৮ চনৰ জানুৱাৰী মাহৰ কোনোবা এটা দিনত আমাৰ মাজৰ পৰা হেৰাই গল, চিৰকালৰ বাবে। থৈ গল মাথো জীৱিত কালত জীৱন বীণত বাজি উঠা কাব্যৰ সুৰৰ ঝংকাৰ। +++

## ॥ আমি প্ৰস্তুতি চলাওঁ ॥

এই জুই আমাৰ বুকুৰ দহনত সৃষ্টি হয়
এই ঘৃণা আমাৰ সত্বাৰ মাজত মূৰ্ত্ত হয়
আমি বিক্ষুদ্ধ হওঁ,
আমাৰ অধিকাৰ,
আমাৰ শ্বহীদ সুহৃদৰ স্মৃতি
যিসকলে মৃত্যুবৰণ কৰিলে
অনাগত মুক্তবিশ্বৰ ৰঙীন স্বপ্ন আমাৰ হাতত তুলি
সেইবোৰ ৰক্ষাৰ বাবে
আমি চলাওঁ সক্ৰিয় প্ৰস্তুতি ।

আমি ঘৃণাকৰোঁ সেই দস্যুবোৰ
যিবোৰে আমাৰ প্ৰাপ্য ৰাখি থলে
আমি ঘৃণাকৰো সেই কুৎসিৎ লালসা লোলুপ
দানৱবোৰ

যিবোৰে
আমাৰ বুকুত অসহ্য যন্ত্ৰনা দিলে
আমি এখন কাঁচি সাজোঁ
সেই ঘৃণ্য হায়েনাবোৰৰ হাঁহিৰে,
সেই কাঁচি আমি শানত দিওঁ
সৰ্বহাৰাৰ বিক্ষুদ্ধ ঘৃণাৰ কমাৰ শালত
আমি চলাওঁ প্ৰস্তুতি ।

দানৱৰ আঘাতসহ লাওখোলাৰে
আমি সাজোঁ এটা হাতুৰি
মুক্তিকামী জনগনক প্ৰস্তুত কৰো
এই হাঁতিয়াৰ চলাবৰ বাবে
এই হাঁতিয়াৰ লৈ
আমি কৰো জেহাদ ঘোষণা
আমি চলাওঁ প্ৰস্তুতি ।

শোষিত, শাসিত, নিঃপীড়িত, ক্ষুধিত, দুঃস্থ
সাম্ৰাজ্যবাদৰ গচকত পিষ্ট
জনগনেই হব তেওঁলোকৰ
সৰ্বকালৰ সুখ, দুঃখৰ অতন্দ্ৰ গৰাকী ।
আমি চলাওঁ
মুক্তিকামী জনগনৰ মুক্তিৰ প্ৰস্তুতি ।
এই জুই আমাৰ বুকুৰ মাজত সৃষ্টি হয় । +++

—জ্যোতিৰ্ময়ী ফুকন ।
স্নাতক, প্ৰথম বাৰ্ষিক (কলা)

# এটা প্ৰশ্ন মোৰ জীৱনৰ

—দিলীপ গগৈ।
প্ৰাক্ স্নাতক, ১ম বাৰ্ষিক ( কলা )।

মই কি ? প্ৰথমেই এটা প্ৰশ্ন
নুসুধিবা মোক।
মোৰ ৰঙালী দিনৰ কথা কৈ
নক্কলাবা মোক।
সময়ৰ আচোঁৰ লাগি সৰিল বহুত ফুলৰ ৰঙিন পাহি
চকু মুদিলেই সিহঁত উলটি আহে
এটি এটি কৈ —
মোৰ দুখৰ ডাৱৰৰ আঁৰে আঁৰে
সিহঁতৰ মাজতেই চকা মকাকৈ
দেখা পাওঁ কেতিয়াবা তোমাক।
তেতিয়াই —
ভঙা ঘৰৰ মাজ মজিয়াত বহি
আকাঙ্খাৰ মেৰ জালেৰে ধৰি ৰখা বহুতো কল্পনা
মুঠি মুঠিকৈ দলিয়াই দিওঁ
হিমালয়ৰ উচ্চ চূড়ালৈ।
মোৰ দুখৰ ভাৱৰ গভীৰতাত প্ৰশ্নবোৰ
আহে আৰু যায়,
সেয়া—মই কি নাজানো।
আচলতে মই পাহৰি যাব ধৰিছোঁ।
মই কি আছিলোঁ!
এক নাম বিহীন শূন্যতাত মাথোন থিয় দি আছো
এটা জীৱনৰ সাক্ষী, এটা শিলৰ প্ৰতিমূৰ্তি স্বৰূপে।++

★

★

# ॥ ফাগুনৰ ছবি ॥

— অমিয় কুমাৰ লাহন
প্ৰাক্তন কানৈয়ান

ফাগুন ফুলনিত এয়া,
আশাৰ মৌচুমী নামে।
বসন্ত মালঞ্চ মন,
'এপলু টেন' হই
তোমাৰ মনৰ পাৰে পাৰে উৰে।

কিন্তু, হায়!
পদূলি মূৰৰ সউ আগলটি কলাপাত
কৰেনো মলয়া বা·ত
কিয় বাৰু চিৰিলি চিৰিলি ?
তুমিতো নুবুজা সোন,
নীড়হাৰা চাতকীৰ আলুক আহবান;
আৰু,
ধূপ-ধূনা বেলপাত
তুলসী তলৰ কামনাত
বিদেশী বনিক বোৰে
চপায় নে নচপায় হায়
পালতৰা নাওঁ,
এই বন্দৰত ....!! ++

## যুগৰ আহ্বান

—অঞ্জলি গগৈ ।
স্নাতক, ২য় বাৰ্ষিক ( কলা )

তোমাৰ চকুজুৰি
যেন নিয়ৰত তিতি থকা একোপাহ শুভ্ৰ শেৱালি
আছে তাত প্ৰভাতী শৰতৰ
মিঠা সম্ভাষণ ।
সূৰ্য্যৰ ৰক্তিম পোহৰৰ বেঙনি
পুৱাতেই উদ্ভাসিত হোৱা
তাতো যেন আছে
যুগৰ আহ্বান
নতুন পৃথিৱী গঢ়াৰ ।
হিল্লোলেৰে ভৰা
এজাক পছোৱা বতাহ
যেন বৈ আহিছে
কদৰ্য্যতাৰে পূৰ্ণ সমাজক
নতুন ৰূপত গঢ় দিবলৈ ।
পূৰ্ণিমাৰ জোনাক নিশাৰ
তমসাবিহীন শীতল জ্যোতি
ইয়াতো আছে
শোষণৰ অমানিশা আঁতৰাই
এখন নিষ্কলুষ পৃথিবী গঢ়াৰ
মধুৰ আহবান ।
আমিও নতুন পুৰুষ
কলুষতাৰে পূৰ্ণ পৃথিবীক
নতুনকৈ গঢ় দিবলৈ
এই মধুৰ লগনত
আমিও হ'লো একতাবদ্ধ,
ইও যে যুগৰেই আহবান । +++

## অসমীয়া ভাষা

—অধ্যাপক মদন মোহন গোস্বামী,
পদাৰ্থ বিজ্ঞান বিভাগ ।

শুৱলা আমাৰ অসমীয়া ভাষা
শুৱলা কথাৰে ভৰা,
সাৱলীল গতি, লয়লাস ছন্দ
অসমীয়া ভাষাৰ বৈশিষ্ট্য,
শুৱলা শব্দমালা অন্তৰ কপোঁৱা
অন্তৰৰ অৰ্থ তাতেই নিহিত ।
ভাষাৰ এই সুঁতিটো নোৱাৰে শুকায়
কালৰ সোঁতে ইয়াক নোৱাৰে মোহাৰিব
চিৰকাল ই বৈ থাকিব,
ক'ত ধুমুহা ই ওফৰাই পেলাব,
আমাৰ এই অসমীয়া ভাষা শক্তিদায়িনী
শীতলা, শুৱলা, চিৰবিজয়িনী । +++

# জন্মান্ধ ধৃতৰাষ্ট্ৰ আৰু আমি

একক নহয়, দহক নহয়
শতপুত্ৰ লৈও—
দাউ দাউকৈ জ্বলিছিল
এক সুপ্ত আগ্নেয়গিৰি
ধ্বংস নেদেখিলেও শুনিলেও বুজিলেও,
এফালে কুৰুক্ষেত্ৰ আৰু আনফালে
গতি—ঝাক ঝাক ঝাক ঝাককৈ
কয়লা চালিত ৰেলৰ ইঞ্জিনৰ
এক অদ্ভুত সাদৃশ্য—।
শৃংখলিত মন আৰু শক্তিৰে
তৃষিত অৱনীৰ তৃষাৰ অনলত দগ্ধ হোৱা
হেজাৰ ছগাক বাধা দিয়াৰ শক্তি
এক অলংঘনীয় দেৱাল ।
জীৱন উদাধিত কেৱল মনৰ জুই
এক অদ্ভুত সামঞ্জস্য ।
তাহানিৰ ধৃতৰাষ্ট্ৰ আৰু আমি
একেই বটলত যেন নতুন ফটিকা
দেখিও নেদেখাৰ শুনিও নুশুনাৰ
এক সঙ্কীৰ্ণ শৰনি
সেই একেই শৃংখলিত দেহ আৰু মনলৈ
ঝাক ঝাককৈ চলি যাম
নিজৰ বক্ষত ৰঙা দগমগীয়া কয়লা—
সেই একেই ক'লা ধোঁৱা, একেই বোজা
মন কৃশানুৰ
তথাপি বোবা—
এইয়াই আমি
যেন তাহানিৰ মহাভাৰতৰ জন্মান্ধ গান্ধাৰী পতি
সকলো জানো—কিন্তু—
অৱহেলিত, অক্ষম আৰু অপদাৰ্থ । ++

— লেখনী বৰুৱা
স্নাতক, ৯ম বাৰ্ষিক (কলা)

# পুৰণি পৃথিৱীত এক নতুন ধুমুহাৰ আৱিৰ্ভাৱ

—কৃপাল কুমাৰ বৰুৱা।
স্নাতক, ২য় বাৰ্ষিক (কলা)।

প্ৰকৃতিৰ বুকুত এচাটি বতাহ,
এয়া কিহৰ ?
ফাগুনৰ !
এয়াতো ফাগুন নহয়,
লাহে লাহে ইয়াৰ প্ৰচণ্ডগতি .......
অ,
ই এক ধুমুহা
পুৰণি পৃথিৱীত নতুনৰ আৱিৰ্ভাৱ।
আহা, ধুমুহা আহা —
স্বাগতম জনাইছো তোমাক
তোমাৰ প্ৰচণ্ড গতিত ... .....
উৰুৱাই নিয়া পথৰ কুৎসিত ধূলি-বালি
আৰু
বিষাক্ত আৱৰ্জনাবোৰ।
তোমাৰ প্ৰচণ্ড গতিত
নিঃশেষ হওক বিলাসীৰ গগনচুম্বী সৌধবোৰ।
তোমাৰ প্ৰচণ্ড গতিত
ধ্বংস হওক শোষনকাৰী প্ৰৱঞ্চক সকল
ধ্বংস হওক ৰক্তপিপাসু অক্তোপাচৰ দল
ধ্বংস হওক অত্যাচাৰী নৃশংষতাৰ দল
ধ্বংস হওক নৰাধম প্ৰতাৰকৰ দল
ধ্বংস হওক এই সকলোবোৰ।
তোমাৰ নতুনৰ বা লাগি স্নিগধ হওক পুৰণি কলুষিত
পৃথিৱী। +++

# অপেক্ষা

— দিপালী চেতিয়া
দ্বিতীয় বাৰ্ষিক, স্নাতক (কলা)

ৰৈ আছোঁ মই
এটা দিনৰ বাবে;
যিদিনা সৃষ্টি হব এখন পৃথিৱী,
এখন নতুন পৃথিৱী।
অন্যায়ৰ সমাধিৰে ৰচিত হব যত
এখন মানৱীয় সমাজ।
যত চৌদিশে বিৰাজিত হব
মুক্ত আকাশ, মুক্ত বায়ু
আৰু মুক্ত কণ্ঠস্বৰ।
নাথাকিব তাত,
ফুল, তৰা, গানৰ সমাবেশ;
আৰু ধনৰ তুলাচনীৰে জোখা
প্ৰেমৰ অভিশেষ।
অপেক্ষাৰতা মই, এখন পৃথিৱীৰ বাবে
প্ৰেম যত কৰ্মৰ প্ৰেৰণা,
আৰু জীয়াই থকাৰ সংগ্ৰামৰ
উদ্দীপনা মাত্ৰ। +++

# অনুবাদ কৱিতা

# হো-চি-মিনৰ কৱিতা

## ॥ প্ৰভাত ॥

প্ৰতিদিনেই প্ৰাচীৰ ফালি সূৰ্য্য উঠে পূবত,
জপনাত তলা, সূৰ্য্যৰশ্মিবোৰ আছাৰ খাই পৰে বন্দীশালত
কাৰাগাৰৰ ভিতৰত পৃথিৱীজোৰা অন্ধকাৰ
কিন্তু আমিতো জানো বাহিৰৰ পৃথিৱীখন
সূৰ্য্যৰ পোহৰেৰে উদ্ভাসিত।
( পুৱা ) শুই উঠিলেই প্ৰথম কাম
শৰীৰৰ পৰা টানি টানি জোকবিলাক এৰুওৱা।
পুৱা খোৱাৰ ঘন্টা বাজে আঠটাত
বলা হে, পেট পূৰ কৰি খাই লওচোন।
ইমান নিৰ্য্যাতন — ভালদিন আহিবই।

## ॥ মধ্যাহ্ন ॥

জেলৰ ভিতৰত এটি নিবল দুপৰীয়া, আহ্ কিমান প্ৰিয়!
চাৰি ঘন্টাৰ অলস টোপনি ···
সপোনত দেখিলো ড্ৰেগনৰ পিঠিত উঠি স্বৰ্গলৈ গৈছো
সাৰ পাই এক জোকাৰণিত ঘূৰি আহিলো কয়দিখানালৈ।

## ॥ অপৰাহ্ন ॥

দুটা বাজিল, খোলা বতাহৰ বাবে এতিয়াই জেলৰ
দৰজা উন্মুক্ত হব।
আকাশখন এপলক চাবৰ বাবে সকলোৱে ওপৰলৈ মূৰ তুলিছে।
মুক্ত আত্মাবোৰ স্বাধীনতাৰ আকাশৰ ফালে ধাবিত।
তুমি বাৰু জানানে — তোমাৰ লগৰ মানুহেই
জেলৰ ভিতৰত পচিছে ?

## ॥ সন্ধ্যা ॥

খোৱাশেষ হয় মানে সূৰ্য্য পশ্চিমত অস্ত যায়
আৰু চৌদিশৰ পৰা হঠাতে আৰম্ভ হয়
লোকগীতৰ ঐক্যতান।
বিষন্ন *সিঙ্ সি কাৰাগাৰ
যেন এটি শিল্প মন্দিৰ। +++

— মাধুৰীমা বৰুৱা
স্নাতক, ১ম বাৰ্ষিক ( কলা )

* সিঙ্ সি কাৰাগাৰ—য'ত হো-চি-মিনক বন্দীকৰি ৰখা হৈছিল।

# তিনিটা প্ৰেমৰ কবিতা

— যোগেশ লস্কৰ
স্নাতক, ১ম বাৰ্ষিক (বিজ্ঞান)

## ॥ ইন্ধন ॥

প্ৰেম চাকিটি মোৰ আগতেই নুমাল
শলিতাগচিও পুৰি শেষ হৈ গ'ল,
তুমি বাৰু তাত এগচি শলিতা আৰু
এটুপি তেল নিদিবানে ?

## ॥ ব্যৰ্থতা ॥

তুমি যোৱা পখী
তুমি উৰি যোৱা
মই যে উৰিব নোৱাৰো তোমাৰ লগত
মোৰ যে ডেউকাযুৰি ভঙা ।

## ॥ বেদনা ॥

তোমাৰ ওঁঠত সেয়া হয়তো
গোলাপ ফুলৰ হাঁহি,
মোক কিন্তু সি বেদনাহে দিয়ে
কাঁইটে বিন্ধাদি বিন্ধি । +++

।। কথা কৱিতা ।।

# চকা আৰু গতি

— কবিতা ফুকন
প্ৰাক স্নাতক, ১ম বাৰ্ষিক (কলা)

ক্লান্ত পৃথিৱী এতিয়া পৰম শান্তিত নিদ্ৰা-দেৱীৰ কোলাত ঢলি পৰিছে। জিলিৰ ঝি ঝি ধ্বনি আৰু নিশাচৰ প্ৰাণীৰ এটি দুটি চিঞৰৰ বাহিৰে কতো কেনিও সাৰি শব্দ নাই। হঠাৎ একোচাটি মলয়া বতাহে পৃথিৱীৰ গাত চোঁৱৰ বুলাই সেই টোপনি গভীৰৰ পৰা গভীৰতৰ কৰি তুলিছে। ঠিক সেই সময়তে এটি পুখুৰীত থকা কুমুদিনী আৰু কমলিনী নামৰ দুটি পাটগাভৰুৰ এটিৰ টোপনি ভাগি গল। কুমুদিনীয়ে সাৰ পাইয়ে বায়েক কমলিনীৰ ফালে চালে। কমলিনীৰ তেতিয়াও তন্দ্ৰা গুছা নাই। সেয়ে তাই নিজকে সজোৱাত ব্যস্ত হৈ পৰিল। কাৰণ ইতিমধ্যে আকাশৰ বুকুৰ ডাৱৰফালি ওলাই আহিছে এজন ৰূপহ ডেকা —সেয়া জোন। জোনে ওলাই আহিয়ে কুমুদিনীৰ ফালে চাই এটি মনোমোহা মিচিকি হাঁহি মাৰিলে। সেই হাঁহি দেখি কুমুদিনীৰ হিয়া উতলা হৈ পৰিল। তাইৰ লাজৰ অৱগুণ্ঠন দলিয়াই পেলাই জোনৰ সতে হাঁহিব ধৰিলে। কুমুদিনীৰ এনে নিৰ্লজ আচৰণত কমলিনীয়ে তন্দ্ৰাৰ জড়তা গুচাই লাহেকৈ কলে— "ইমান অস্থিৰ নহবি ভনিটী— ইমান বাউলী হলে জীৱনলৈ বহুতো বিপদ আহে"—কমলিনীৰ উপদেশ শুনি কুমুদিনীয়ে গৰ্জ্জি কলে "মই যি কৰো তোমাক কেলেই? মোৰ ওপৰত কথা কবৰ তোমাৰ কোনো অধিকাৰ নাই।" কুমুদিনীৰ কথা শুনি কমলিনীয়ে বুজি পালে তাই এতিয়া শাসনৰ সীমাৰ বাহিৰত। সেয়ে কমলিনীয়ে মুৰ্খৰ লগত তৰ্ক কৰাতকৈ মনে মনে থকাই ভাল বুজি নিশ্চুপ হৈ ৰল। আৰু কুমুদিনী! পোৱাৰ আনন্দত তাই নাচি বাগি আত্মহাৰা হৈ পৰিল। যেন জোন আৰু তাইৰ বাহিৰে এই সংসাৰত কোনো নাই। কিন্তু কিমান পৰ? পূবাকাশত ঊষাৰোবাৰ ৰুনুজুনু নুপুৰৰ ধ্বনি শুনিয়েই কুমুদিনীৰ সকলো আবেশ, আকুলতা নেওচি জোন নামৰ ডেকাটো কৰবাত লুকাই পৰিল। পূবাকাশত দেখা দিলেহি কৰ্ম্মঠ, বলিষ্ঠ আন এজন যুৱক। তেজোদীপ্ত এখন মুখ। কমলিনীয়ে সেই নৱীন অতিথিক সভক্তিৰে প্ৰণাম জনালে। লাহে লাহে সূৰুয নামৰ সেই ডেকাই কমলিনীৰ শিৰত আলফুলে পৰশ বুলাই নিজৰ কৰ্ত্তব্যত আগবাঢ়ি গল। গভীৰ উপলব্ধিত কমলিনীয়ে তেতিয়া অৱৰুদ্ধ পাহিবোৰ লাহে লাহে মেলি হৃদয়ৰ সকলো মৰম উজাৰি কুমুদিনীক সেই পাহিৰ মাজত আবৰি ধৰি কলে— "দুখ নকৰিবি ভনিটী—পৃথিৱীৰ এয়ে চিৰন্তন নীতি। হাঁহিৰ পাচত কান্দোন—কান্দোনৰ পাছত এদিন হাঁহি আহিবই।" +++

"তাৰ মৰণ ধিক, তাৰ জীৱন ধিক, যি জন্মভূমিক বিপদৰ পৰা, শত্ৰুৰ হাতৰ পৰা ৰক্ষা নকৰি জন্মভূমিৰ লাঞ্চিত, অপমানিত দুৰ্দশাৰ প্ৰতিশোধ নিদি জীৱন ধাৰণ কৰে তাৰ জীৱন ধিক।"

সংগ্ৰাহকঃ সম্পাদক — 'বাঁহী,' ১৮৪৩ শক।

# দাগ

— তিলক বৰা

স্নাতক, ২য় বাৰ্ষিক ( বিজ্ঞান )

গেটখনত ভেঁজা দি প্ৰাঞ্জলহঁতৰ গাড়ীখন চকুৰ আঁৰ নোহোৱালৈকে লীনাই চাই থাকিল। এটা সময়ত গাড়ীখন চকুৰ অদৃশ্য হৈ গ'ল। চোতালৰ কোমল দুবৰিখিনি গছকি গছকি এখুজি দুখুজিকৈ লীনা বাৰান্দালৈ উঠি আহিল। এইটো কাম কেৱল আজিয়েই কৰা নাই, বিয়াৰ পাছৰ দহোটা বছৰতে এইটো সময়ত তাইৰ বাবে এইটো কাম যেন দৈনিক কামৰ ভিতৰতে এটা অপৰিহাৰ্য্য কাম হৈ পৰিছে। বিয়াৰ পাচৰ প্ৰথম সাতোটা বছৰ তাই কেৱল প্ৰাঞ্জলকহে তেনেকৈ বিদায় দিব লগা হৈছিল, কিন্ত আজি তিনি বছৰেই হ'ল বুন্তিকো তাই তেনেকৈ বিদায় দিব লগা হৈছে। বুন্তিৰ অকণমানি হাতখনিৰে টা-টা দিয়া চাই থাকি লীনাই মনত পৰম পুলক অনুভৱ কৰে। সেয়েহে তাই চাই থাকে - দূৰলৈ, বহুদূৰলৈ - যেতিয়ালৈকে বুন্তিৰ লৰি থকা হাত খনি চকুৰ পৰা আঁতৰ হৈ নেযায়।

প্ৰাঞ্জলহঁত ওলাই যোৱাৰ পাছতে ঘৰখনলৈ এক অবৰ্ণনীয় গহীন পৰিবেশ নামি আহে। এই পৰিবেশ লীনাৰ ভাল নালাগিলেও তাই কিন্ত সহ্য কৰি আহিছে যোৱা দহোটা বছৰেই। প্ৰাঞ্জলে আগতে চাকৰি কৰা ঠাইডোখৰত এটা চাকৰ লৈছিল। ভাবিছিল চাকৰ এটা থাকিলে লীনাই অন্ততঃ অকলশৰীয়া অনুভৱ নকৰিব। তাৰ লগতে অন্ততঃ দুই এটা কথাপাতি থাকিব। কিন্তু সিও ছমাহমান থাকি গুছি গল। লীনাই অৱশ্যে চাকৰ-বাকৰবোৰ বৰ এটা ভালো নেপায়। ঘৰখনত কৰিবলৈকো বৰ বেছি একো এটা কাম নাই। যিকেইটা কাম আছে তায়েই নিয়াৰিকৈ চলাই যাব পাৰে। আগৰদৰে এই ঠাইডোখৰতো তাই চাকৰ-বাকৰ লবলৈ ইচ্ছা নকৰিলে, যদিও প্ৰাঞ্জলে বাৰে বাৰে কৈছিল। প্ৰাঞ্জলৰ প্ৰাণখোলা হাঁহি আৰু বুন্তিৰ উৎপাতবোৰকে সুঁৱৰি সুঁৱৰি লীনাই এই অকলশৰীয়া পৰিৱেশটো শেষ কৰি দিয়ে।

এজনী সৰু ছোৱালী — নাম তাইৰ বুন্তি। লীনা প্ৰাঞ্জলৰ একমাত্ৰ সন্তান। বয়স মাত্ৰ সাত বছৰ মানহে হব। অথচ বয়সৰ তুলনাত তাই যেন প্ৰয়োজনতকৈ বেছিহে উৎপতীয়া হৈছে। কেতিয়াবা এই উৎপাত সহ্য কৰিব নোৱাৰি প্ৰাঞ্জলে লীনাক মৃদু ঠাট্টা কৰে -"মাক চাইহে জীয়েক। মাকৰ গাত চাগে এইফেৰা গুণ আছিল"। লীনাই একো নকয়। লগে লগে বুন্তিৰ উৎপাত আৰু একোপ চৰে। লীনাই ভাবে—এৰা, সচাঁ-ইতো। লীনাই এদিন বুন্তিৰ দৰেই উৎপতীয়া আছিল। বুন্তিৰ এতিয়া সাত বছৰহে হৈছে। লীনাই দেখোন কলেজীয়া জীৱনলৈকে উৎপতীয়া আছিল। হাইস্কুলত লগৰ ছোৱালীবোৰে তাইক নাম দিছিল "ধুমুহা"। এৰা তাইতো তেতিয়া সচাঁকৈয়ে ধুমুহাই আছিল। ধুমুহা আঁতৰি গলে প্ৰকৃতি শান্ত হয়। এতিয়া আৰু লীনাৰ আগৰ

উৎপাত নাই। গতিকে তাই আজি ধুমুহা নহয়।

বাথৰুমত সোমাই লীনাই আকৌ এবাৰ ভাবিলে—তাই কিয় শান্ত হ'ল। এই প্ৰশ্নকে বিচাৰি বিচাৰি তাই অতীতলৈ চাপলি মেলিলে। তাই দেখিলে অতীতৰ সোণালী ফ্ৰেমৰ মাজত দুখনি ছবি। বব্ কাট্ চুলিৰে নিজৰ ছবিখন দেখি লীনাই উচাপ খাই উঠিল। তাইৰ কাষতে আন এখন ছবি। লীনাই তন্নতন্নকৈ ছবিখন চালে। এৰা, হয়। সেইখন ৰঞ্জন চলিহাৰে ছবি। লীনাই ভাবিলে—ৰঞ্জন তাইৰ কোন হয়? নাই নাই। ৰঞ্জন তাইৰ কোনো নহয়। ৰঞ্জনৰ নামটো মনত পৰাৰ লগে লগেই লীনাৰ চকুপানীৰ বান্ধ খুলি গল। তাই সিৰঁৰি উঠিল। হৰমুৰকৈ তাই পানীৰ টেপটো খুলি দিলে আৰু চাৰ্ফ'ত তিয়াই ৰখা শাৰীখন দুহাতেৰে তুলি ধৰিলে। শাৰীখনলৈ চাই চাই তাই আক' এবাৰ উচুপি উঠিল। শাৰী খনৰ বাণিবোৰৰ মাজত তাইৰ বাবে যেন কান্দো-নহে বৈ আছিল।

এইখন শাৰী লীনাৰ বৰ মৰমৰ। এইখন শাৰীৰ দামৰ ওপৰত তাই কোনো গুৰুত্ব নিদিয়ে কোনোদিনে। লীনাই ভাবে—"এইখন শাৰীৰ মূল্য একমাত্ৰ সচাঁ মৰমৰ ওপৰতহে নিহিতহৈ আছে।" এইখন শাৰী প্ৰাঞ্জলেও ধুনীয়া দেখে। কিন্তু প্ৰাঞ্জলে লীনাক কোনে দিনে সুধা নাই— "শাৰীখন কোনে দিছিল।" লীনাইও আজি পৰ্য্যন্ত প্ৰাঞ্জলক কোৱা নাই শাৰীখন কোনে দিছিল। তাই ভয় কৰে—কলে জানোচা প্ৰাঞ্জলো লীনাৰ দৰেই গহীনহৈ যায়।

ৰঞ্জন চলিহা। জনৈক কলেজৰ স্নাতক শ্ৰেণীৰ বিজ্ঞান শাখাৰ এজন গহীন-গম্ভীৰ ছাত্ৰ। ডাৰ্ক ফ্ৰেমৰ চচ্‌মাখনৰ মাজত এইজন ৰঞ্জনৰ গাম্ভীৰ্য্য আৰু যেন বেচিকৈহে বাঢ়ি যায়। লীনা সেই সময়ত প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীৰ বিজ্ঞান শাখাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। লীনাই পদাৰ্থ বিজ্ঞানত পঢ়িছিল—"চুম্বকৰ দুই বিপৰীত ধৰ্ম্মী মেৰুৰ মাজত আকৰ্ষণ হয়," কিন্তু লীনাই তাৰ মাজতে এদিন অন্য এটা কথাও উদ্ধাৰ কৰিলে— "মানুহৰ দুই বিপৰীত মনৰ মাজতো আকৰ্ষণ থাকে।" উৎপতীয়া লীনা আৰু শান্ত ৰঞ্জনৰ মাজতো এদিন আকৰ্ষণ হৈছিল আৰু এদিন সেই আকৰ্ষণেই বেচি আকৰ্ষিত হৈ ভালপোৱাত পৰিণত হল। দিন বাঢ়িছিল—চন্দ্ৰকলাৰ দৰে, উচ্চৰ পৰা উচ্চতৰলৈ। লগে লগে লীনা ৰঞ্জনৰ ভালপোৱাও বৃদ্ধি পাইছিল গাঢ়ৰ পৰা প্ৰগাঢ়লৈ। ৰঞ্জনক অধিক ভালপোৱাবলৈ গৈয়েই লীনাও এদিন গহীন হৈ পৰিছিল।

লীনাই যেতিয়া স্নাতকৰ ফাইনেল দিবলৈ ওলাইছে, তেতিয়াই ঘৰুৱা পৰিস্থিতিয়ে বাধ্য কৰা ৰঞ্জনে "শিশু সদনত" চাকৰিত সোমাইছিল। চাকৰি জীৱনৰ প্ৰথমটো দৰমহাৰে এখন অতি ধুনীয়া শাৰী কিনি আনি ৰঞ্জনে লীনাক উপহাৰ দিলেহি। বিনিময়ত ৰঞ্জনেও পাইছিল ধুনীয়া ডিজাইনেৰে হেতা-উপৰা লগোৱা এটা ফুলচুৰেটাৰ। শাৰীখন চাইমেলি লীনাই ৰঞ্জনক দাগ এটা দেখুৱাই কৈছিল "শাড়ীখনত দেখুন দাগ এটা আছে।" ৰঞ্জনেও কলে "চুৰেটাৰটোৰ হাত কেইখন দেখুন মোলৈ চুটিয়েই হৈছে।" লীনাই হাঁহি হাঁহি ভিতৰলৈ সোমাই গৈছিল।

সেইখন শাৰীকেই আজিও লীনাই সামৰি ৰাখিছে। আজি তাই শাৰীখনৰ দাগটো গুচাৰ।

প্ৰাঞ্জলে দাগ গুচোৱা মিক্সাৰ এটা আনি দিছে। শাৰীখনলৈ চাই চাই লীনাই কান্দি দিলে। তাই বাৰু ৰঞ্জনক কি দিব পাৰিলে-আকৌ এবাৰ ভাবিলে। ধনৰ পৰিমাণৰে মানুহ জোখা মাক দেউতাকৰ কথাক বলে নোৱাৰি এদিন অনিচ্ছা-সত্বেও মনত প্ৰবল ক্ৰোধ লৈ লীনাই আই. চি, এচ অফিচাৰ প্ৰাঞ্জল শইকীয়াৰ লগত বিয়া হৈ গৈছিল। লীনাই ভাবিছিল—প্ৰাঞ্জলক তাই কোনো দিনে সহজ ভাৱে ধৰা নিদিয়ে। কিন্তু নোৱাৰিলে। প্ৰাঞ্জলৰ ওচৰত তাই পৰাজিত হ'ল। প্ৰাঞ্জল শইকীয়া অন্য দহজন উচ্চ পদবীধাৰী অফিচাৰৰ দৰে ভেমত উফন্দি ফুৰা মানুহ নহয়। সম্পূৰ্ণ অন্তৰ খোলা অনবৰতে হাঁহি-ফূৰ্ত্তিৰে উৎপাত কৰি থকা প্ৰাঞ্জলৰ লগত লীনা এদিন মিলি গৈছিল। প্ৰাঞ্জলৰ মাজত লীনাই ৰঞ্জনৰ অস্তিত্ব পাহৰি পেলালে। কিন্তু........।

প্ৰাঞ্জলে এই নতুন ঠাইডোখৰলৈ অহাৰ পাছত লীনাই আকৌ ৰঞ্জনৰ অস্তিত্বক সোঁৱৰিব লগা হ'ল। বুন্তিৰ মুখত ৰঞ্জন চাৰৰ কথা শুনি লীনা সিদিনা সচঁকৈয়ে আচৰিত হৈছিল। সকলোবোৰ কথা জনাৰ পাছত লীনা দৃঢ় হ'ল—"হয়, বুন্তিৰ ৰঞ্জন চাৰেই লীনাৰ অতীতৰ ৰঞ্জুদা।" তাইৰ মনত এটা অজানা থং জাগি উঠিল—"ৰঞ্জনে চাকৰি কৰা ঠাই ডোখৰলৈকে প্ৰাঞ্জলো বদলি হৈ আহিব লাগেনে?"

খৰ-ধৰকৈ লীনাই শাৰীখন ধুই পেলালে আৰু প্ৰাঞ্জলে কোৱাৰদৰেই শাৰীখনৰ দাগটোত দাগ মোচন কৰা মিক্সাৰটোৰ কেইটোপালমান পেলাই দিলে। দাগটোৰ ওপৰত তাই পানী দুটোপাল মান পেলাই লাহে লাহে মুচি দিলে। দাগটো লাহে লাহে আতঁৰি যাব ধৰিলে। লীনাই এটা শেঁতা হাঁহি মাৰিলে আৰু বাহিৰলৈ ওলাই আহি পাচ-ফালৰ বাৰাণ্ডাত থকা ৰচিডালত শাৰীখন মেলি দিলে আৰু দূৰৈৰ পৰা শাৰীখনলৈ এখন্তেক চাই ৰ'ল।

কলিংবেলটো দীঘলকৈ বজা শুনি লীনাই আগফালে যাব ধৰিলে। তাই জানে—স্কুল যদি কিবা কাৰণত কেন্সেল হয়, তেতিয়া বুন্তিয়ে প্ৰায়েই স্কুলৰ গাড়ীতেই ঘৰলৈ গুচি আহে আৰু বাহিৰৰ কলিং বেলৰ চুইচ-বুটামটোত বহুত সময়ৰলৈকে হেঁচি থাকে। তাৰফলত কলিং বেলটোও দীঘলীয়াকৈ বাজি থাকে। গতিকে বেল বাজিলে, বুন্তিৰ বাহিৰে যে অন্য কোনো হব নোৱাৰে লীনাই তাক ভালদৰেই জানে। লীনাই বাহিৰলৈ ওলাই আহি টুলৰ ওপৰত চুইচ টিপি থকা বুন্তিজনীক কোলাত তুলি লৈ উপৰ্যুপৰি চুমা খাবলৈ ধৰিলে আৰু সুধিলে—কিয় সিদিনা ইমান সোনকালে স্কুল ছুটী হ'ল।

লীনাই লক্ষ্য কৰিলে—বুন্তিৰ মুখত আন দিনাৰ দৰে আজি হাঁহিৰ ৰেখা নাই। সেয়েহে লীনাই তাইক বাহত সজোৰে ধৰি সুধিলে—"কি হ'ল কোৱা।" থুকাথুকি মাতেৰে বুন্তিয়ে কলে—'জানা মা, আমাৰ স্কুলত আজি "কনড'-লেন্স মিটিং" হৈছিল। আজি পুৱা স্কুললৈ আহোতে আমাৰ ৰঞ্জন চাৰ মটৰ এক্সিডেন্ট হৈ ঢুকাল।"

লীনাই চিঞৰি উঠিল-"কি ?"— কান্দোন আহিব খুজিও লীনাব কান্দোন বন্ধ হৈ গ'ল। গোটেই অতীতটো তাইৰ চকুৰ আগলৈ আহি তাইক বোবা কৰি পেলালে। তাই চৌদিশে এন্ধাৰ দেখিলে। তাই অনুভৱ কৰিলে—তাইৰ দেহৰ কোনোবা এটা অঙ্গ যেন লাহে লাহে আতঁৰি গৈছে। তাই আৰু ৰব নোৱাৰিলে। বুন্তিক কোলাৰ পৰা নমাই পিচ ফালৰ বাৰাণ্ডাখনলৈ দৌৰী গ'ল আৰু শাৰীখনলৈ একে দৃষ্টিৰে চাই ৰ'ল। শাৰীখনৰ যিটোকোৰা ঠাইত দাগটো আছিল, তাই সেইটোকোৰা মণিব নোৱাৰিলে। দাগটো সম্পূৰ্ণকৈ আতঁৰি গৈছে। শাৰীখনৰ মাজত তাই যেন এখন মুখ দেখা পালে। এইখন মুখ ৰঞ্জনৰ। তাইৰ ৰঞ্জুদাৰ ডাঠ ফ্রেমৰ চচ্‌মা পৰিহিত এইজন সচাঁকৈয়ে ৰঞ্জন। ৰঞ্জনে এটা শেতা হাঁহি মাৰিলে আৰু সোঁ হাতখন দাঙি লীনাক যেন সম্ভাষণ জনালে আৰু ক্ৰমে ক্ৰমে আতঁৰি গ'ল। এটা সময়ত ৰঞ্জনৰ হাতখন বুন্তিৰ হাতখনতকৈয়ো সৰু হৈ গ'ল। আৰু এটা সময়ত হাতখন লীনাৰ দৃষ্টিৰপৰা সম্পূৰ্ণ আঁৰ হৈ গ'ল। লীনাই "শ্বো"কেচৰ পুতলাটোৰ দৰে নিথৰ হৈ সেইফালেই চাই ৰ'ল আৰু চায়েই ৰ'ল। +++

" বিশ্ব মানৱৰ হৃদয়ৰ অসংখ্য তাঁৰৰ এডালো যি সাহিত্যিকে তেঁওৰ আঙুলিৰে কপাঁব পাৰিব, তেঁওৰেই প্ৰকৃত সাহিত্যিক।"

সংগ্ৰাহকঃ সম্পাদক —লক্ষ্মীনাথ বেজবৰুৱা

" বিশ্ব মানৱৰ হৃদয়ৰ অসংখ্য তাঁৰৰ এডালো যি সাহিত্যিকে তেওঁৰ আঙুলিৰে কপাঁব পাৰিব, তেওঁৱেই প্ৰকৃত সাহিত্যিক ।"

সংগ্ৰাহকঃ সম্পাদক —লক্ষ্মীনাথ বেজবৰুৱা

# সিহঁতে হাঁহিছে

—নীলাক্ষি বৰুৱা
প্ৰাক স্নাতক, ১ম বাৰ্ষিক (বিজ্ঞান)

সিহঁতৰ হাঁহি মোৰ কাণত পৰাৰ লগে লগে মই উচপ খাই উঠি মোৰ কাষে কাষে আহি থকা মুকুলৰ হাতত জোৰেৰে খামুচি ধৰিলো। মই বোধকৰো অলপ বেছিকৈ কঁপিছো। মই মন কৰিলো মুকুলে মোক আন্ধাৰতে নিৰিক্ষণ কৰিবলৈ বৃথা চেষ্টা কৰিছে। "অই নিলিম! তোৰ আকৌ হ'ল কি?"

"তই শুনা নাই সিহঁতৰ হাঁহিবোৰ? ইচ কেনেকৈ যে হাঁহিছে।" "বুৰ্ব্বক, সিহঁতে নাহাঁহি আৰু কি কৰিব? তোৰ মোৰ দৰে কি দেশৰ সমস্যাৰ বিষয়ে আলোচনা কৰিব? তই সিহঁতৰ হাঁহি শুনি আকৌ ভয় খাইছ, তইয়ো দেখিছো সিহঁতৰ নিচিনা পগলাই।"

মোৰ কথা শুনি মুকুলৰ খং উঠি গল। অগত্যা মই মনে মনে থাকিবলৈ বাধ্য হলো। মুকুলৰ খং উঠাতো অৱশ্যে স্বাভাৱিক। কাৰণ আমিতো কোনো লাখপতিৰ পুত্ৰ নহয় যে, আমাৰ খাদ্য, উপাৰ্জ্জন, ভৱিষ্যত আদিৰ চিন্তা নাই আৰু আমি কোনে হাঁহিছে, কোনে নাই হঁহা তাৰ বিষয়ে চিন্তা কৰি সময় নষ্ট কৰিম! গতিকে এই এশ এবুৰি চিন্তা থাকোতে সিহঁতৰ হাঁহিৰ কাৰণে সি বা মই চিন্তা কৰি মূৰ ঘমাবলৈ যাম কিয়?

সিহঁতৰেই হাঁহি শুনি এদিন মোৰ বন্ধু হেমেনে কৈছিল "বুজিছ নিলিম, এই দুনীয়াৰ যিবিলাক মানুহৰ কৰিবলৈ যদি একোৱেই নেথাকে, দিনটোত নিয়মিত খোৱা পিন্ধা খিনিতো অলপো সময় খৰচ নহয়, তেন্তে সিহঁতে কি কৰি সময় কটাব? সিহঁতৰ জন্মৰ পৰা কঢ়িয়াই লৈ ফুৰা তিনিটা বস্তুৰেই একমাত্ৰ সম্বল। হাঁহি, কান্দোন আৰু চিঞৰ। এই সম্বল তিনিওটাক আৱশ্যক-অনাৱশ্যক কাৰণত ব্যৱহাৰ কৰি সিহঁতে সময়বোৰ পাৰ কৰে। সেইবুলি তই সিহঁতক বিকৃত মস্তিস্কৰ বুলি হাঁহিব নোৱাৰ। আকৌ আনটো শ্ৰেণীৰ মানুহে চৌবিশ ঘণ্টাত কাম চিন্তা ভাৱনা লৈয়ে ব্যস্ত থাকে। যেনে—দালানবিলাকে নিজৰ নিজৰ ধনৰ ভঁৰালবিলাক শোষিত সকলৰ পৰা শোষন কৰি কিদৰে যিমান পাৰো ভৰ্ত্তি কৰো তাৰ চিন্তা। শোষিত সকলে আকৌ কেনেকৈ দুবেলা দুমুঠি যোগাৰ কৰিব পাৰে তাৰ চিন্তাত পাৰ নেপায়। এই চিন্তা ভাৱনা কৰি পাৰ নোপোৱা দ্বিতীয় শ্ৰেণীটোৰ ভিতৰতে আছো তই মই। সেই কাৰণে সমাজে বান্ধি দিয়া নিয়মৰ মাজেদিহে আমি লেখি জুখি হাঁহো, কান্দো বা কথা কওঁ। তাৰ সীমা অলপ চেৰাই গলেই মানুহে আমাক পগলা বুলি কয়।" কথাবোৰ কওঁতে বিদ্রূপত হেমেনৰ মুখখন অলপ বেকা হৈ গৈছিল। তাৰ কথাবোৰ এনেকুৱাই। আমাৰ সকলোবোৰ বন্ধুৱে তাক 'বাগমীবৰ' বুলিহে মাতে।

"অই নিলিম, কি ভাবিছ? বেগাই আহ, নিশা এঘাৰ বাজি গ'ল। ঘৰ পাওঁতে আজি ৰাতি-পুৱাব যেন পাইছো।"

মুকুলে আজি মোৰ অন্যমনস্কতা লক্ষ্য কৰিছে। আন দিনা হোৱা হলে আমি কিবা এটা বিষয় লৈ তৰ্ক-বিতৰ্ক কৰি থাকোতে কেতিয়া ঘৰ পাওঁগৈ কৰও নোৱাৰো। আমাৰ মিটিং শেষ হওঁতে প্ৰায়েই দহ-এঘাৰ বাজে। আমাৰ ঘৰ চহৰৰ পৰা তিনি মাইল মান হব। সেই কাৰণে ঘৰ পাওঁতে ৰাতি বহুত হয়গৈ।

সিহঁতৰ হাঁহি ক্ৰমাত মই স্পষ্টকৈ শুনি-বলৈ পাইছো। মোৰ এনেকুৱা লাগিছে সিহঁতে যেন মোৰ কথা কৈ কৈ হাঁহিছে। মোৰ গোটেই গাটো কিবা এটা কীটে যেন এফালৰ পৰা কামো-ৰিবলৈ ধৰিছে। মোৰ ভীষণ অসহ্য লাগিছে।

এতিয়া আপোনালোকৰ মনত নিশ্চয় প্ৰশ্ন হব, এই হাঁহিৰ উৎস কোনখিনিত আৰু সিহঁত বা কোন?

আপোনালোকে যদি নগাঁও চহৰৰ উত্তৰে ৰজাকটালৈ যোৱা ৰাস্তাটোৰে এমাইল আগোৱাই আহে, তেন্তে আপোনালোকে দেখিব ৰাস্তাৰ কাষতে এটা বিৰাট গোদাম ঘৰ। এই গোদাম ঘৰটো বা কাৰ? ইয়াৰ বিষয়ে মই কব নোৱা-ৰিম। এই গোদাম ঘৰটো কাৰ মই আজিলৈকে নেজানো আৰু জানিবলৈকো কোনো প্ৰয়োজন অনুভৱ কৰা নাই। এই গোদাম ঘৰটোৰ আশে-পাশে কোনো দোকান-প্ৰহাৰ নাই। নিশা এঘাৰ-বাৰ বজাত বিশেষকৈ শীতকালি এই গোদাম ঘৰৰ বাৰান্দাৰ পৰা হাঁহি, কেতিয়াবা হৃদয় বিদাৰি যোৱা কান্দোন বা বুকৎ আৰ্ত্তনাদ শুনিবলৈ পোৱা যায়। বাৰান্দালৈ যদি আপুনি চকু দিয়ে দেখিব জীয়াই থকাৰ নামত তিনিটা জীৱন্ত জকা। সিহঁতৰ গাত কাপোৰ বুলিবলৈ আছে মাথোন একোখন লেতেৰা ফটাকানি আৰু কাষত প্ৰত্যেকৰে একোটা টোপোলা। তাত আছে সিহঁতৰ আহাৰ বুলিবলৈ কেইটামান খুদ-কণ নাইবা সিও শূণ্য। দিনত সিহঁতে সেই টোপোলা কেইটা লৈ চহৰৰ গলিয়ে গলিয়ে, দোকান, বজাৰ, ষ্টেচন আদি সকলোতে আশা ভৰা চাৱনিৰে ভিক্ষা কৰি ফুৰে। সেই কাৰণ চহৰৰ প্ৰায়বোৰ মানুহৰে সিহঁত পৰিচিত।

এতিয়া আপোনালোকৰ মনত কৌতুহল হোৱা স্বাভাৱিক। এই মূল্যহীন তিনিটা পগ-লাৰ হাঁহিৰ কাৰণে মোৰ এই পাতনিৰ আৱ-শ্যকেই বা কি? নিশ্চয়, মই আপোনালোকৰ আগত পাতনি নেমেলিলোহেঁতেন, যদিহে খাদ্যমন্ত্ৰী অহাৰ আগৰাতি মোৰ সেই অভিজ্ঞতা নহল-হেঁতেন।

খাদ্য মন্ত্ৰী অহাৰ আগদিনা চহৰখনত বিশেষকৈ আমাৰ নিচিনা ল'ৰাবিলাকৰ গাত অলপ ওখল-মাখল লাগিছিল। কাৰণ যোৱাবাৰ বানৰ কথা সকলোৰেইতো জানেই। বানত দূৰ্দশাগ্ৰস্ত হোৱা প্ৰায় তিনিখন গাৱঁৰ মানুহক খাদ্যৰ নামত চৰকাৰে কিছুমান বেয়া মমঙা চাউল-চিৰা আদি দিছিল ফলত প্ৰায়বোৰ মানুহৰ বিশেষকৈ সৰু সৰু লৰা ছোৱালীবিলাকৰ গ্ৰহণী হয়। কেন্দ্ৰীয়চৰকাৰে বানপানীৰ কাৰণে অসম চৰকাৰক কেইবালাখো টকা দিয়াটো এই পৰিস্থিতি হবলৈ কিয় পালে, সেই বিষয়ে আমি আলোচনা

কৰি খাদ্য মন্ত্ৰীৰ ওচৰত এখন স্মাৰক পত্ৰ (একো লাভ নহলেও) দাখিল কৰিম বুলি স্থিৰ কৰিলো ।

মিটিং শেষ কৰি ঘৰলৈ ওভতোতে আজিৰ দৰেই প্ৰায় এঘাৰ বাজি গৈছিল । মুকুলৰ বেমাৰ হোৱাৰ কাৰণে সি মোৰ লগত নাছিল । অহ-ৰহ বতাহৰ হোঁহোৱনি আৰু ঢেৰেকনিৰ মাজতো সিহঁতৰ হাঁহি মোৰ কাণত পৰিছিল । তথাপি মোৰ কোনো কৌতুহল হোৱা নাছিল আৰু মই স্বাভাৱিক ভাৱেই আগ বাঢ়িছিলো । হঠাৎ বৰ-যুণ পৰিবলৈ ধৰিলে । মই দৌৰিবলৈ আৰম্ভ কৰিলো । বৰষুণত তিতিবতো নোৱাৰি যি এযোৰ ফটা পেণ্ট-চাৰ্ট আৰু গৰম কাপোৰখন আছে এবাৰ তিতিলে নুশুকোৱালৈকে বাহিৰলৈ ওলাব নোৱাৰি । মই দৌৰি দৌৰি অৱশেষত সিহঁত থকা বাৰান্দাখনত জাপ মাৰি উঠিলো ।

অন্ত নোহোৱা সিহঁতৰ হাঁহিবোৰ হঠাতে মোক দেখি কৰবালৈ যেন উৰাহে মাৰিলে । সিহঁতে প্ৰায় আচৰিত হৈ সিহঁতৰ গাঁতত সোমোৱা সৰু সৰু চকু কেইটাৰে মোক পিটপিটাই চাবলৈ ধৰিলে । মই প্ৰায় হতভম্ব হৈ পৰিলো । মই দেখিলো, সিহঁতে একুৰা জুই ধৰি চাৰিওপিনে বেৰিলৈ জুই পোৱাইছে । জুইৰ পোহৰে সিহঁতৰ জীৰ্ণ ৰুগ্ন মুখ তিনিখন ৰঙচুৰা কৰি তুলিছে ।

হঠাৎ বুঢ়ীজনীয়ে মিচিকিয়া হাঁহি এটা মাৰি (যদিও মই দেখাত বিকৃত দেখিছিলো) কলে—"অ' বোপা তুমিহে । আহা জুইৰ কাষলৈকে চাপি আহা ।" মোৰ অৱশ্যে সচাঁকৈয়ে খুউব ঠাণ্ডা লাগিছিল । মই জুইৰ কাষলৈ চাপিগৈ সুধিলো "কিনো কৰিছা তোমালোকে ? বৰকৈ হাঁহিছিলা যে ।"

মোৰ কথা শুনি তিনিওটাই ধেক ধেকাই হাঁহি দিলে । হাঁহি হাঁহিয়েই দীঘলমূৰা বুঢ়াটোৱে ক'লে—

"আমি লগপোৱা কিছুমান পগলাৰ পাগ-লামিৰ কথা পাতি হাঁহিছো । তুমিও শুনিবা নেকি ?"

মই আচৰিত হ'লো । ইহঁতে কিছুমান পগলাৰ পাগলামিৰ কাৰণে হাঁহিছে ! ই আকৌ কেনে কথা । তথাপি মই নিজকে যিমান পাৰো সহজ কৰিবলৈ যত্ন কৰি ক'লো—

"তোমালোকে ইমানকৈ পগলাৰ পাগলামি কতনো দেখিছা ?"

"দেখিছোতো, বিয়া ঘৰত লগপোৱা পগলাটোৰ কথা মই নেপাহৰো দেই ।" বুঢ়ীয়ে দৃঢ়ভাৱে কথাখিনি কলে ।

"ক চোন বুঢ়ী, এইবাৰ আৰু কাকনো লগ পাইছিলি ।"

সিহঁত দুয়োটাই একেলগে কৈ উঠিল । বুঢ়ীয়ে কোনেও নজনা ডাঙৰ কথা এটাহে যেন শুনাব । এনেকুৱা ধৰণৰ পৰিতৃপ্তি সিহঁতৰ মুখত ফুটি উঠিছিল । চকু কেইটা ডাঙৰকৈ মেলি বৰ আগ্ৰহেৰে বুঢ়ীক সিহঁতে চাবলৈ ধৰিলে । বুঢ়ীয়ে মুখেৰে থুই এসোপা দূৰলৈ পেলাই, মুখখন মচি কবলৈ ধৰিলে ।

"তেতিয়া মই লামডিং ৰেল ষ্টেচনৰ প্লেট ফৰ্মত আছিলো । তাত মই আৰু মোৰ দৰে

বহুত ভিক্ষাৰীয়ে ভিক্ষা কৰি খায়। আমাৰ প্লেটফৰ্মৰ পৰা অলপ দূৰৈত এজন ডাঙৰ বাবুৰ ঘৰত বিয়া হৈছিল। আমি কিবা অলপ পোৱাৰ আশাত বিয়া ঘৰলৈ গৈ পদূলিৰ মুৰত থাকিলোগৈ। মোৰ ওচৰতে ৰুক্মিনীয়ে তাইৰ কেচুঁৱাটো লৈ বহিলহি। কেঁচুৱাটোৰ অৱস্থাও তেনেই শোচনীয়। এমাহমানৰ আগতে তাই গিৰিয়েকৰ মূৰ খাই পাঁচমহীয়া কেঁচুৱাটো বুকুত বান্ধি আমাৰ ওচৰলৈকে আহিল।

বিয়ালৈ বহুত মানুহ আহিছে। খোৱাই খাইছে, নোখোৱাই গেলাইছে। তথাপি বহুত বেলি হল আমাক কোনেও একো এটাকে নিদিলে। মই ৰুক্মিনীৰ মুখলৈ চালো। তাই থৰ হৈ বিয়া ঘৰৰ দুৱাৰ মুখলৈ চাই আছে। কেঁচুৱাটো তাইৰ কোলাতে থেৰেঙা লাগি আছে। মই কেচুঁৱাটোক ভালকৈ চাই উচপখাই উঠিলো।

"এই ৰুক্মিনী, তোৰ চোন পোনাকণ কোলাতে মৰি আছে।"

তাই এবাৰ পোনাকণৰ ফালে চাই জোৰেৰে পোনাকণক বুকুত সাৱতি ধৰি মোক ধমকি দি কলে—

"নাই হবই নোৱাৰে, মোৰ পোনাকণ মৰা নাই। ইয়াক মই মৰিবলৈ নিদিওঁ। ইয়াক মই খাবলৈ দিমেই।"

এই বুলি কৈ তাই ভিতৰলৈ লৰ মাৰিলে পোনাকণক বুকুত সাৱতি লৈ। আমি কোনো উপায় নেপাই তাইৰ কথা-কাণ্ডকে চাবলৈ ধৰিলো। তাই ভিতৰলৈ গৈ বাবুজনক কিবা খুজিছে কিন্তু বাবুজনে খেদোৰে তাইক যাবলৈ কৈছে। কিছু সময় বাবুজনৰ লগত তৰ্ক কৰি তাই অৱশেষত বাবুজনৰ ভৰি এটা জোৰেৰে খামুচি ধৰিলে। বাবুজনে চেষ্টা কৰিও ভৰিটো এৰোৱাব নোৱাৰি, মানুহ এজনক টাঙোন এডাল আনিবলৈ ক'লে। মই আচৰিত হৈছিলো এই বেমাৰি মানুহজনীয়ে ইমান শক্তি ক'ত পালে! বিয়া খাবলৈ অহা মানুহবিলাকৰ মাজত হুলস্থুল লাগিল। হঠাতে মই দেখিলো ৰুক্মিনীক টাঙোন এডালেৰে খুউব মৰিয়াবলৈ ধৰিছে। তাই পোনাকণক সাৱতি ধৰি মাটিত কাঠ এডালৰ দৰে পৰি গ'ল। মোৰ সেই বাবুজনৰ কাণ্ড দেখি ভীষণ হাঁহি উঠিল। বাবুজন একদম পগলা। ৰুক্মিনীৰ গাতাতো একেবাৰে মঙহ নাই। তাইৰ হাড়বোৰ জোৰা কৰিলেই চোন এডাল মজবুত টাঙোন হব। টাঙোনে টাঙোনক মৰিয়ালে কি লাভ হব? তয়েই কচোন শলিয়া?"

"ঠিকেই, একো লাভ নহয়। তাৰ পৰা কি হল?"

"তাৰ পৰা আৰু কি হব? সেই পগলা বাবুজনে কিন্তু তাইক মৰিয়াকেই থাকিল।"

"ধেৎ একদম পগলাৰে।" বুলি বুদায়ে কলে। তাৰ পাচত তিনিওটাই চিঞৰি চিঞৰি হাঁহিবলৈ ধৰিলে। মই ইমান সময়ে বুঢ়ীৰ কথা তন্ময় হৈ শুনি আছিলো। সিহঁতৰ হাঁহিত মোৰ তন্ময়তা ভাগিল। মই ভীষণ অস্বস্তি অনুভৱ কৰিলো। বাহিৰত বৰষুণ একে গতিৰে পৰি আছে। অগত্যা মই বহি থাকিবলৈ বাধ্য হলো।

"তোৰ পগলাৰ কথা বাৰু শুনিলো। এতিয়া মই দেখা পগলাৰ কথা শুন। বোপা তুমিও শুনা।" বুদায়ে কলে।

"কোৱা মই শুনি আছো।" মই অকণমান হাঁহিবলৈ চেষ্টা কৰি কলো। "জানই বুঢ়ী আমাৰ গাৱঁৰ অৱস্থা কেনেকুৱা। তেতিয়া মই মাখিমাৰি গাঁৱত হাজিৰা কৰি খাই আছিলো।

আমাৰ গাৱঁৰ তৰা মহাজনে চলচাতুৰি কৰি গাৱঁৰ মানুহৰ ঘটিটোৰ পৰা লোটাটোলৈকে সকলো কাঢ়ি লৈ গাৱঁৰ মানুহক শুকান জেওবা চেপা দি চেপিছিল। তেতিয়া তৰা মহাজন গাৱঁৰ মানুহৰ সাক্ষাত যম যেন আছিল। পিচে আমাৰ গাৱঁৰ ডেকা লৰাবিলাকে গাৱঁৰ মানুহক মহাজনৰ অত্যাচাৰৰ কথা ভালকৈ বুজাই দি মহাজনক খেদিবলৈ মনস্থ কৰিলে। এবছৰ মান যোৱাৰ পাচত মহাজনে চহৰত মাটি-বাৰী কৰি সচাঁকৈয়ে চহৰলৈ উঠি গল। তাৰ দুবছৰমান পাচত হঠাতে শুনিলো মহাজন গাৱঁলৈ পুনৰ আহিব। তেখেত জিলাৰ 'এমেলে' হব খুজিছে। নিৰ্দ্দিষ্ট দিনত মহাজন গাৱঁলৈ আহিল। গাৱঁৰ প্ৰায়বোৰে মহাজনক চাবলৈ স্কুল খেল পথাৰলৈ আহিল। মহাজনে ধুতী-পাঞ্জাবী আৰু মূৰত গান্ধী টুপি পিন্ধি গাৱঁৰ দুখ-দূৰ্গতিৰ কথা, মঠাউৰি ভাঙি বান পানী হোৱাৰ কথা, উৰলি যোৱা স্কুলঘৰ আদিৰ কথাৰে এটা দীঘল বক্তৃতা দিলে। কথাবোৰ শুনি আমি ভাল পালো আৰু আচৰিত হলো, যি মহাজনৰ মাত শুনিলে এসময়ত বাঘৰ গোজঁৰণিৰ দৰে লাগিছিল, তেওঁৰ মাতটো ইমান মিঠা কেনেকৈ হল? মহাজনে গাৱঁৰ লৰাবিলাকক মাতি নি কিছু টকা দিলে নামঘৰটো মেৰামতি কৰিবলৈ আৰু মাঘৰ বিহুৰ দিনা সকলো ৰাইজে এটা ভোজ খাবলৈ। তাৰ পিচত লৰাবিলাকক কিবা পৰামৰ্শ দি মহাজন গলগৈ।

মাঘৰ বিহুৰ দিনা ৰাতি গাৱঁৰ সকলো ৰাইজে নামঘৰত ডাঙৰ ভোজ খালে। ৰাইজে মন্তব্য কৰিলে আগৰ মহাজন আৰু মহাজন হৈ থকা নাই, তেওঁ সাক্ষাত দেৱতা স্বৰূপ হল।

ভোট দিয়াৰ দিন আহিল। আগতে যিসকল ডেকা লৰাই মহাজনৰ বিৰুদ্ধে গৈছিল তেওঁলোকেই মহাজনক ভোট দিবৰ বাবে ৰাইজক বুজালে যে তৰা নাথ শৰ্মাক ভোটত জিকালে গাৱঁৰ দুখ-দূৰ্গতি নাইকিয়া হব। ৰাইজে লৰাবিলাকৰ কথাত হয়ভৰ দি মহাজনকেই ভোট দিলে আৰু মহাজন জিকিল।

এবছৰ পাৰ হল। গাৱঁৰ স্কুলঘৰ, মঠাউৰি আগৰ দৰেই পৰি বল। গাৱঁৰ মানুহৰ দুখ দূৰ্গতি অকণো লৰচৰ নহল। এদিন মই দেখিলো স্কুলৰ লৰা ছোৱালীবিলাক আৰু গাৱঁৰ লৰাবোৰে ডাঙৰ সমদল যাত্ৰা কৰি 'তৰা শৰ্ম্মা মূৰ্দ্দাবাদ' বুলি চিঞৰি চিঞৰি আহিছে। তেতিয়া মোৰ সিহঁতৰ পাগলামি দেখি ভীষণ হাঁহি উঠিল। এই ডেকা লৰা বিলাকৰ 'চিতল মাছৰ ইলোটি সিলোটি' দেখি কাৰ হাঁহি নুঠিব কচোন?"

তাৰ কথা শেষ হোৱাৰ লগে লগে তিনিওটাই হাঁহিবলৈ ধৰিলে। যেন সেই হাঁহিৰ অন্ত নাই। সিহঁতে হাঁহি হাঁহি মোকেই যেন বিদ্ৰূপ কৰিছে। মোৰ ভীষণ অস্বস্তি লাগিল। সিহঁতৰ এইবাৰ হাঁহি নহয় যেন তিনি কুৰা বিক্ষোভৰ জুই। এই তিনিকুৰা জুই একেলগ হৈ এটা বুলটলৈ ৰূপান্তৰিত হৈছে আৰু এই বুলেটটোৱে মোক যেন খেদি আহিছে। বাহিৰত বৰষুণ একেগতিৰে পৰি আছে। মই জাপ মাৰি ৰাস্তা পালোহি। এইবাৰ মই বৰষুণলৈ আওকাণ নকৰি, মোৰ গোচাক যোবলৈ আওকাণ নকৰি দৌৰিবলৈ ধৰিলো। +++

# উপলব্ধি

—শেৱালী চেতিয়া।
স্নাতক, ১ম বাৰ্ষিক (কলা)

"—বাইদেউ, কিবা আনিবলৈ দিব নেকি ?"

চক খাই উঠিছিল 'বাইদেউ'। হোষ্টেল চুপাৰ 'সুশীলা বাইদেউ'—কলেজৰ অধ্যাপিকা 'বৰুৱা বাইদেউ'। বাৰাণ্ডাৰ ৰেলিংডালত ধৰি কিমান সময় তন্ময় হৈ আছিল নিজে কবনোৱাবা-কৈয়ে। 'হোষ্টেল বয়' টোৰ মাততহে সাৰ পাই গৈছিল যেন টোপনীৰ পৰা। নিজকে অপ্ৰস্তুত লাগি গল বৰুৱা বাইদেউৰ।

"হ, একো আনিব নালাগে যা"—

প্ৰকৃততে আনিব লগা আছিল বহুত, কিন্তু কবলৈ মন নগল। খেলিমেলি হৈ যোৱা চিন্তাৰ আঁতডাল জোৰাবলৈ ঠিক কৰিছিল বাইদেৱে। মনত পৰিছিল তাহানি হোষ্টেলটোলৈ-য'ত বাইদেৱে অতিক্ৰম কৰিছিল জীৱনৰ সোণোৱালী চাৰিটা বছৰ। আবেলি চাহ খাই উঠি সন্মুখৰ ৰাষ্টাটোলৈ ওলাই যোৱা ছোৱালীবোৰ দেখি, ফিল্ডত বহি হাঁহিৰ জাউৰী তুলি গাজা পিটি থকা মঞ্জু, ৰিমাহঁতক দেখি কিবা এক অবুজ বেদনাত বাইদেউৰ অন্তৰখনে হাঁহাকাৰ কৰি উঠিছিল। 'ইমান হাঁহিব পাৰে এই ছোৱালীবোৰে' বাইদেৱে মনতে কয়। কিন্তু নিজেওটো এদিন এনেকুৱা এখন হোষ্টেলৰ ফিল্ডত বহি কৰবী-হঁতৰ লগত হাঁহিৰ খলকনি তুলিছিল, ভাবিছিল 'হাঁহিয়েইতু জীৱন'। আজি এইয়া জীৱনৰ আবেলি পৰত থিয় হৈ বাইদেৱে উপলব্ধি কৰিছে 'বেদনাইহে জীৱন'।

মনটো উৰা মাৰিল বহুদিনলৈ-অতীতলৈ। লগে লগে বাইদেউৰ নিজকে এজনী সৰু ছোৱালীৰ নিচিনা লাগি গ'ল। হঠাৎ অতীতৰ স্মৃতিবহ এজাক বতাহে বাইদেউৰ মনটো খন্তেকৰ কাৰণে উন্মনা কৰি তুলিলে। তেতিয়া বাইদেউ আছিল প্ৰাক স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। বৰ্ত্তমানৰ সুশীলা বাইদেউ তেতিয়া কলেজৰ মৰমৰ শীলা। সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীণ হৈ নতুন উৎসাহ, আশা-আকাংখ্যা ও উদ্যমেৰে শীলা আহিছিল কলেজীয়া ও হোষ্টেলীয়া জীৱনৰ পাতনি মেলিবলৈ। ধুনীয়া গান গাব পৰা, গল্প-কৱিতা লিখি প্ৰাইজ পোৱা শীলাই প্ৰথম বছৰতে সকলোৰে পৰা আদৰ সন্মান আদায় কৰিব পাৰিছিল। তেতিয়া শীলাৰ বাবে পৃথিৱীখন এটা ধুনীয়া সপোন। মনৰ মণিকোঠাত শীলাই তেতিয়া সোণৰ কাৰেং সাজিছিল।

কিন্তু শীলাই তেতিয়া ভাবিব পৰা নাছিল ফুলাম বেড কভাৰখনৰ তলত লুকাই থকা কুৎসিত, লেতেৰা বিচনাখনৰ কথা। ভাবিব পৰা নাছিল জ্বলি থকা চাকিৰ শিখাত কৃত্ৰিম পোহৰ বিছাৰি মৰা চগাবোৰৰ কথা।

শীলাই সুন্দৰ অভিনয় কৰিছিল। সেইয়া প্ৰমাণিত হৈছিল কলেজৰ প্ৰথম বছৰতে 'বেষ্ট একট্ৰেচ' হোৱাত। 'বেষ্ট একট্ৰেচ' হিচাবে সুখ্যাতি লাভ কৰি শীলাই আৱিষ্কাৰ কৰিলে সেই বছৰৰে 'বেষ্ট এক্টৰ্' হোৱা দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ অঙ্কুৰ ফুকনক আৰু দুয়ো আগবাঢ়ি গৈছিল আন এখন নাটকৰ অভিনয়ত।

'অঙ্কুৰ ফুকন' এটা মিঠা মিঠা লগা নাম তেতিয়া শীলাৰ বাবে। অঙ্কুৰ আছিল অভিনেতা লগতে ভাল তাৰ্কিকও। অঙ্কুৰৰ পুৰুষসুলভ গুণ ও সুন্দৰ ব্যক্তিত্বই অকল শীলাকেই নহয়, বহুতকে মুগ্ধ কৰিছিল। অঙ্কুৰবো হয়তু ভাল লাগিছিল শীলাক—সেয়েহে কলেজ কেন্টিনত, ক্লাচ ৰুমৰ সন্মুখত অফ্ পিৰিয়দ বোৰত শীলাক লগ ধৰিছিল প্ৰতিদিনে, কথা পাতি কটাই দিছিল বহুতো সময় আনকি ক্লাচ খতি কৰিও —। আৰু পাছত এদিন অঙ্কুৰে সুধি পেলাইছিল শীলাক তাইৰ মনৰ কথা। শীলা প্ৰস্তুত নাছিল অঙ্কুৰৰ এনেধৰণৰ প্ৰশ্নৰ সন্মুখীনতাৰ বাবে। সদায় কথা পতা অঙ্কুৰৰ ওচৰত শীলা সেইদিনা সহজ হব পৰা নাছিল আৰু একো কবও নোৱাৰিছিল। এইয়া কি হৈ গ'ল—? অঙ্কুৰক তাইৰ ভাল লাগে সচাঁ, কিন্তু তাক ভালপোৱাৰ কথা তাইতু ভবা নাছিল। তেন্তে কি কৰিব তাই? ইতিমধ্যে লগৰ ছোৱালীবোৰে তাইক জোকাবলৈ আৰম্ভ কৰিছিল। লগে লগে শীলাই বহুত কথাই ভাবিছিল। মাক দেউতাকৰ একমাত্ৰ আদৰৰ লাড়ু তাই .....। তথাপিও শীলাই অঙ্কুৰৰ অনুৰোধ প্ৰত্যাখ্যান কৰিব নোৱাৰিলে। মৰম-লগা অঙ্কুৰটোক তাই সদায় শ্ৰদ্ধা কৰি আহিছে আৰু অঙ্কুৰৰ প্ৰতি থকা সেই শ্ৰদ্ধা ও মৰম-খিনিৰ বাবেই অঙ্কুৰৰ কথা ভাবি মাক দেউতাকৰ অজ্ঞাতে অঙ্কুৰৰ সুৰতে সুৰ মিলাইছিল, ভাবিছিল অঙ্কুৰক লৈ তাই সুখী হব ......।

প্ৰাক্‌স্নাতক পাচ কৰি অঙ্কুৰ গুচি গৈছিল মেডিকেল পঢ়িবলৈ-। লগত লৈ গৈছিল নতুন উদ্যম, আশা, শীলাৰ সৰল অনুৰোধ ও প্ৰেৰণা-বোৰ। শীলা থাকি গৈছিল একেখন কলেজত পাছৰ তিনিটা বছৰ।

মেডিকেল পঢ়িব গৈ অঙ্কুৰে শীলাক পাহৰি যোৱা নাছিল। সপ্তাহত এখনকৈ শীলাই চিঠি পাইছিল—। অঙ্কুৰৰ মিঠা উপদেশ, অভিমান, অনুৰোধবোৰত শীলাই পাইছিল নতুন প্ৰেৰণা, আশা। কিন্তু পাছলৈ অঙ্কুৰে যেন এমাহত এখন চিঠি পঠাবলৈও পাহৰি গৈছিল ...। লগৰ ছোৱালী কৰবীহঁতৰ মতে অঙ্কুৰে মেডিকেলত পঢ়ি থকা সিহঁতৰ বাগানৰে বন্তিক ভাল পায়। শীলাই বিশ্বাস নকৰিলেও পাছলৈ অঙ্কুৰৰ চিঠিয়ে বিশ্বাস কৰাবলৈ বাধ্য কৰাইছিল। অঙ্কুৰৰ চিঠিবোৰত যেন আগৰ দৰে মৰম নাই, মাত্ৰ দুশাৰীমান বাক্য, ভাল-বেয়া আৰু পঢ়া-শুনাৰ খবৰ। শীলাই অঙ্কুৰলৈ লিখিছিল তাৰ নিষ্ঠুৰতাৰ কথা —। চিঠি পাই অঙ্কুৰ সিহঁতৰ ঘৰ পাইছিলহি, বুজাই দিছিল পৰীক্ষাৰ বাবেহে সি চিঠি দিব পৰা নাছিল, কোনো বন্তিক সি ভাল নাপাই, পাই শীলাকহে। শীলাৰ সৰল মনটোৱে তাতেই বুজনি মানিছিল —।

সন্মানেৰে বি, এ, পাচ কৰি শীলাই ইংৰাজী সাহিত্যত এম, এ, পঢ়িবলৈ ঠিক কৰিছিল অঙ্কুৰৰ কথামতেই —। মাক দেউতাকেও

একমাত্ৰ জীয়েকক পঢ়ুৱাৰ কথাই ভাবিছিল যদিও বিয়াৰ কথাও চিন্তা নকৰাকৈ নাছিল আৰু সেই চিন্তাৰ ফলস্বৰূপে এদিন শীলাহঁতৰ ঘৰত উপস্থিত হৈছিলহি কেমিকেল ইঞ্জিনিয়াৰ মিষ্টাৰ সুৰজিত বৰুৱা ....। কিন্তু বিমুখ হৈ উভতি গৈছিল সুৰজিত বৰুৱা ···। শীলাই কৈছিল "মই এম, এ. পাচ কৰিহে বিয়া সোমাম, তাৰো-পৰি মোৰ বিয়া প্ৰায় ঠিক হৈ আছে -।" দেউ-তাকে মনতে আঘাট পাইছিল যদিও অঙ্কুৰৰ কথা শুনি একো আপত্তি কৰা নাছিল। কাৰণ, সুৰজি-ততকৈ অঙ্কুৰ কোনো গুণে তলৰ নাছিল -।

অঙ্কুৰ সচাঁকৈয়ে ডাঃ উপাধি লৈ শীলাৰ ওচৰলৈকে আহিছিল। শীলাৰ দেউতাকে জানিছিল মাত্ৰ 'ডাঃ অঙ্কুৰ ফুকন' নামৰ লৰ টোহে ....। তাৰ ঘৰ, পৰিয়ালৰ বিষয়ে সবিশেষ জানিবলৈ সুধি পেলাইছিল সেইদিনা ...। উত্তৰত অঙ্কুৰে কৈছিল " খুৰাদেউ মা-দেউতা মোৰ কোনো নাই, মামাহঁতৰ ঘৰত থাকিয়েই মই ডাঙৰ দীঘল হৈছো ···। মামাৰ নাম জয়ন্ত সন্দিকৈ ...।"

শীলাৰ দেউতাক থমকি ৰৈ গৈছিল ···। মূৰটো তেওঁৰ ঘূৰোৱা যেন লাগিছিল ...। "জয়ন্ত সন্দিকৈ" আকৌ এবাৰ মনত পেলাবৰ চেষ্টা কৰিলে তেওঁ ...। সেইয়া এক অন্য কাহিনী ..। জয়ন্তৰ লগত শীলাৰ দেউতাক প্ৰশান্ত বৰুৱা একেলগে পঢ়িছিল। প্ৰশান্ত আছিল গহীন গম্ভীৰ আৰু জয়ন্ত বৰ উদণ্ড স্বভা-ৱৰ। হয়তু বিপৰীত স্বভাৱৰ বাবেই দুয়ো দুয়োৰে বেছি কাষ চাপি গৈছিল ...। লজেতক পঢ়ি থাকোতেই জয়ন্তই এজনী ছোৱালী ভাল পাইছিল —তাই আছিল লেবাৰৰ ছোৱালী। জয়ন্তৰ মাক দেউতাকে তেনে এজনী ছোৱালী বোৱাৰী হিচাবে লবলৈ অমান্তি হৈছিল। কিন্তু ইতিমধ্যে সিহঁতৰ গোপন প্ৰণয়ৰ ফলস্বৰূপে জন্ম হ'ল এতিয়াৰ 'অঙ্কুৰ'। মাক দেউতাকে গম পাই লৰালৰিকৈ জয়ন্তক বিয়া পাতি দিলে বেলেগ ছোৱালীৰ লগত — বৰ্ত্তমানৰ অঙ্কুৰৰ মামী ...। আৰু অঙ্কুৰৰ জন্মদাত্ৰী মাতৃয়ে মনৰ দুখত আত্মহত্যা কৰিছিল। কুপ্ৰচাৰৰ ভয়ত জয়ন্তই নিজা পুত্ৰক ভাগিনিয়েক হিচাবে আদৰি ললে। কিন্তু মনৰ ভাৱ দমাই ৰাখি অঙ্কুৰক কলে "অঙ্কুৰ তুমিতু জানা শীলা মোৰ একেজনী ছোৱালী। মই তাইক বিয়া দিব বিছাৰো এখন সম্পূৰ্ণ ঘৰলৈ।"

"কিন্তু শীলাই যে মোক ভালপায় খুৰাদেউ-"

'তাই এতিয়া একো বুজা নাই, সৰু ছোৱালী। এদিন যেতিয়া বুজিব ...।" অঙ্কুৰৰ আচৰিত লাগিল এম, এ, পাচ কৰিলে অথচ সৰু ছোৱালী! লগে লগে আকৌ কৈছিল 'তুমি আৰু আজিৰ পৰা ইয়ালৈ নাহিবা,— শীলাৰ বিয়া মই ঠিক কৰি পেলাইছো।"

কথা শুনি শীলাই মাত্ৰ কান্দিছিল। নাকান্দিয়েই বা কৰিব কি? একমাত্ৰ সন্তান হিচাবে তাই মাক দেউতাকৰ অবাধ্য হব নোৱাৰে আৰু অঙ্কুৰকো তাই মনে প্ৰাণে ভাল পায়. সেয়ে আনৰ লগত বিয়া সোমোৱাতো তাই সাজু নহয়।

শীলাহঁতৰ ঘৰৰ পৰা সেইদিনা অহাৰ পিছত অঙ্কুৰে ভাবিছিল— "বিয়াৰ বাবে এখন সম্পূৰ্ণ ঘৰৰ দৰকাৰ। কিন্তু মোৰ মা-দেউতা মৰিল তাৰ বাবে জানো দোষী মই?" শীলাৰ দেউতাকৰ প্ৰতি এক অজানা বিদ্ৰোহে ঠাই ললে অঙ্কুৰৰ

"অসমীয়াৰ জাতীয় জীৱন এটা মহা সঙ্কটাপন্ন অৱস্থাত উপনীত হৈছে। এই সময়ত সকলো অসমীয়াই, জাতিৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে বিশেষভাৱে পৰিশ্ৰম নকৰিলে অসমীয়াৰ অতীত যুগৰ গৌৰৱৰ ৰবি চিৰকাললৈ কাল সাগৰত ডুব যাব।"

—লক্ষ্মীধৰ শৰ্ম্মা

'অসম বন্তি,' ৩১ মাঘ ১৮৫৪ শক।

সংগ্ৰাহক ঃ সম্পাদক

মনৰ মাজত আৰু মোমায়েকৰ কথামতেই বস্তিক বিয়া কৰাবলৈ ঠিক কৰিলে ... ।

অঙ্কুৰৰ এই কাপুৰুষতা ও নিষ্ঠুৰতা দেখি শীলা মৰ্মাহত হৈছিল, ভাগি পৰিছিল। মনৰ দুখত গুচি আহিছিল এইখন কলেজলৈ অধ্যাপনা কৰিবলৈ লগতে হোষ্টেল চুপাৰ হৈ — অকনমান শান্তি বিছাৰি ......। হয়তু পাইছে, হয়তু নাই-পোৱা। এৰা চুপাৰ হৈ অহা সাতোটা বছৰৰ ভিতৰত আজিহে নিজৰ জীৱন বুৰঞ্জী এফালৰ পৰা জুকিয়াইছে —। হোষ্টেললৈ আহি কিবা এটা ভাল লগা পৰিবেশ পাই নিজৰ জীৱনৰ ব্যৰ্থতাৰ কথা পাহৰি যাবলৈ চেষ্টা কৰিছে শীলাই ...! অজানিতে দুটোপাল চকুলো সৰি পৰিল তাইৰ ...। সন্মুখৰ ফিল্ডখন কুঁৱলীয়ে আৱৰি ধৰিছে—ছোৱালীবোৰ সোমাই আহিছে। চকুলোখিনি মোহাৰি পেলালে শীলাই। নাই, এই চকুলোৰ কোনো অৰ্থ থাকিব নোৱাৰে। হাঁহি আৰু বেদনাৰ সমষ্টিটোৱেইতু জীৱন—। আৰু আজিতু তাই 'শীলা' নহয় — আজি তাই এখন কলেজৰ মৰমৰ, শ্ৰদ্ধাৰ, গহীন-গম্ভীৰ 'বৰুৱা বাইদেউ'। এৰা, তাই যত্নবান হব লাগিব, তাই নিজৰ আদৰ্শৰে অনুপ্ৰাণিত কৰিব লাগিব হাজাৰ-শীলাক যাতে সিহঁতৰ জীৱনবোৰ ব্যৰ্থ হবলৈ নাপায়। 'বৰুৱা বাইদেউ' মনতে এবাৰ উচ্চাৰণ কৰিলে শীলাই .. । +++

"অসমীয়াৰ জাতীয় জীৱন এটা মহা সঙ্কটাপন্ন অৱস্থাত উপনীত হৈছে। এই সময়ত সকলো অসমীয়াই, জাতিৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে বিশেষভাৱে পৰিশ্ৰম নকৰিলে অসমীয়াৰ অতীত যুগৰ গৌৰৱৰ ৰবি চিৰকাললৈ কাল সাগৰত ডুব যাব।"

—লক্ষ্মীধৰ শৰ্ম্মা

'অসম বন্তি,' ৩১ মাঘ ১৮৫৪ শক।

সংগ্ৰাহক ঃ সম্পাদক

# স্বপ্ন ভংগ

—মীৰা বৰগোহাঁঞি
১ম বাৰ্ষিক, স্নাতক (বিজ্ঞান)

এটা নাম, পৰিণীতা—পৰিণীতা চলিহা। এখন কলেজৰ উদ্ভিদ বিভাগৰ সহকাৰী অধ্যাপিকা পৰিণীতা চলিহা। কল্পনাৰ পৰীৰ দৰেই ধুনীয়া এখন মুখ—এপাহ ৰঙা গোলাপৰ দৰেই মৰমলগা। পূৰ্ণিমাৰ জোনটো চাই চাই হেপাঁহ নপলোৱাৰ দৰেই হেপাঁহ নপলায় পৰিণীতাৰ মুখখন চাই চাই। হাঁহো নেহাঁহোকৈ হঁহা মধুৰ হাঁহিটো সকলোৰে অতি প্ৰিয়। পৰিণীতা কলেজৰ ছাত্ৰ-ছাত্ৰী বিলাকৰ অতি মৰমৰ—শ্ৰদ্ধাৰো। সকলোৰে মাজত পৰী বাইদেউ বুলিয়ে জনাজাত আছিল। কেতিয়াবা ছোৱালীবিলাকৰ মাজত পৰীৰ ৰূপৰ গুণগুণনিও হৈছিল লগতে যে গুণৰো।

আজি পৰিণীতাই কলেজত দুটা ক্লাচ নকৰাকৈয়ে গুচি আহিছে। নিজৰ কোঠাৰ বিচনাত পৰি উচুপিছে—ওলাই অহা উচুপনিবোৰক আজি বাধা দিব পৰা নাই। হয়তো চেষ্টাও কৰা নাই—যেন আজিয়ে হেপাঁহ পলোৱাই কান্দিব—মাত্ৰ আজিয়ে। কান্দক, কান্দি কান্দি যদি কিবা শান্তি পোৱা যায় পাওঁক। আন কোনো দিনে কোনো কথাতেই পৰী ইমান দুৰ্ব্বল হৈ পৰা নাছিল। কিন্তু আজি এই দুৰ্ব্বলতা বাৰু কিহৰ বাবে?

কলেজীয়া জীৱনৰ আৰম্ভণীতেই পৰীয়ে লগ পাইছিল ভাস্কৰজিতক—ভাস্কৰজিত বৰুৱা। তাইতকৈ এবছৰ চিনিয়ৰ আছিল। কিয় জানো প্ৰথম চিনাকিতেই তাইৰ ভাল লাগিছিল ভাস্কৰক। ইফালে ভাস্কৰৰো ভাল লাগিছিল পৰীক। এদিন ইজনে সিজনক ভাল পাই পেলাইছিল। যৌৱনৰ প্ৰথম পুৱাত আন বহুতে ভৱিষ্যতৰ সোণালী সপোন ৰচনা কৰাৰ দৰে সিহঁতেও কৰিছিল। সপোন দেখিছিল এটা সুন্দৰ সুখী ভৱিষ্যতৰ। কল্পনা কৰিছিল এখন ৰঙীণ পৃথিৱীৰ—য'ত থাকিব মাথো সিহঁত, ভাস্কৰজিত আৰু পৰিণীতা।

সিহঁতৰ জীৱনলৈও বসন্ত নামি আহিছিল। নতুন পাতে কুঁহি পেলাইছিল। বহুত যেন সলনি হৈ গ'ল। দিন আহে আৰু যায় বছৰ বাগৰে। ইতিমধ্যে প্ৰাকস্নাতক মহলাৰ শিক্ষা শেষ কৰি ভাস্কৰ গুচি গৈছিল গুৱাহাটীলৈ ইঞ্জিনীয়াৰিং পঢ়িবৰ বাবে। পৰীৰ বেয়া লাগিছিল নিজক বৰ অকলশৰীয়া অনুভৱ কৰিছিল। তথাপি শান্তনা দিব পাৰিছিল নিজক। ভাস্কৰ এদিন ইঞ্জিনীয়াৰ হোৱাৰ সপোন দেখিছিল। সঘনে চিঠিপত্ৰ দি আছিল ভাস্কৰে—দিছিল পৰীয়েও। চিঠি পোৱা অলপ পলম হলেই পৰী চিন্তিত হৈ পৰিছিল মনে মনে। লগৰ ছোৱালীবিলাকে পৰীক কিমানযে নোজোকাইছিল।

এদিনা পৰীয়েও প্ৰাকস্নাতক মহলাৰ শিক্ষা শেষ কৰিছিল। এইবাৰ কিন্তু পৰীয়ে নিজৰ ইচ্ছানুযায়ী স্থানীয় কলেজত পঢ়া নাছিল। তাইৰও মন গৈছিল দূৰত হোষ্টেলত থাকি পঢ়িবলৈ। গুৱাহাটীৰ আৰ্য্য বিদ্যাপীঠ কলেজতে তাই বি, এচচি পঢ়িছিল। প্ৰথম দিনা হোষ্টেললৈ আহিবৰ পৰত তাইৰ খুব ভালও লাগিছিল বেয়াও লাগিছিল। ঘৰখনৰ পৰা, মাক দেউতাকহঁতৰ পৰা আঁতৰি দূৰত থাকিব লগা হোৱাৰ বাবে তাইৰ মনে নীৰবে উচুপি উঠিছিল। প্ৰথমতে হোষ্টেলত পৰীৰ মন অলপো বহা নাছিল। ঘৰলৈ, ঘৰত এৰি থৈ অহা তাইৰ সাগৰফেনা জোপালৈ আৰু ৰজনীগন্ধা ফুল জোপালৈ খুব মনত পৰিছিল। ৰাতি প্ৰায়ে ভাবিছিল সাগৰফেনা জোপাৰ কাঁইটবোৰৰ কথা ৰজনীগন্ধা ফুল থোপাৰ কথা। সৰু সৰু লৰা ছোৱালীবিলাকে সাগৰফেনা জোপাৰ ওচৰলৈ যাবলৈ বৰ ভয় কৰিছিল। মনত পৰিছিল তাইৰ মৰমৰ হেপাহৰ ভাস্কৰজিতলৈ। ভাস্কৰজিত বৰুৱা—পৰীক বলিয়া কৰি তোলা এটা নাম। হোষ্টেলৰ নতুন নতুন পৰিবেশৰ লগত নিজক খাপ খুৱাই লবলৈ পৰীৰ বেচি দিন লগা নাছিল। আন বহুতৰ লগত পৰীও মিলি পৰিছিল।

বছৰে বাগৰ সলালে, পৰীয়েও ক্ৰমে বি. এচচি, পাচত এম, এচচি, পাছ কৰিলে। ভাস্কৰেও ইঞ্জিনীয়াৰিং পাছ কৰি ইঞ্জিনীয়াৰ হল। পৰী এতিয়া এখন কলেজৰ অধ্যাপিকা উদ্ভিদ বিভাগৰ। ৰেলি পুৱৰত উদয় পশ্চিমত অস্ত যোৱাৰ দৰেই গতানুগতিকতাৰে পৰীৰ জীৱনৰ দিনবোৰ পাৰ হৈ গৈছে—পাৰ হৈছে ভাস্কৰৰো।

পৰীক কলেজৰ ছাত্ৰ-ছাত্ৰীবিলাকে বৰ ভাল পাইছিল, মাতিছিল পৰী বাইদেউ সম্বোধনেৰেই। অথচ কম কথা কোৱা গহীন পৰীলৈ ছাত্ৰ-ছাত্ৰী বিলাকে ভয়ও কৰিছিল অলপ। পৰীৰ জীৱনৰ পঁচিশটা বসন্ত পাৰ হৈ গল, কিমান পাত সৰি পৰিল—কিমান ফুল ফুলি সৰি মৰহি গল পৃথিবীখনৰ যেন বহুত পৰিবৰ্ত্তন হল। কিন্তু পৰিবৰ্ত্তন নহ'ল ভাস্কৰ পৰীৰ মনৰ। সিহঁত একে হৈ থাকিল। সচাঁ হৈ ৰল ইজনে সিজনৰ বাবে। ঘৰখনে সমৰ্থন নকৰা ভাস্কৰক পৰীয়ে পাহৰিব নোৱাৰিলে—নোৱাৰিলে ভাস্কৰৰ মনৰ পৰা আঁতৰি আহিবও। হৃদয়ত আঁকি ৰখা ভাস্কৰৰ ছবিখনক পৰীয়ে মচিব নোৱাৰিলে। কিয় জানো ঘৰখনে সমৰ্থন কৰিব পৰা নাছিল ভাস্কৰক? এই প্ৰশ্নৰ উত্তৰ বিচাৰি পৰীৰ মনে হাহাকাৰ কৰি উঠে। কেতিয়াবা ভাবে নিজকে সোধে—"ভাস্কৰৰ অতীতৰ কিছুমান কাহিনী শুনিয়ে নেকি বাৰু সমৰ্থন কৰিব পৰা নাই?" এইবোৰ প্ৰশ্নৰ উত্তৰ পৰীয়ে আজিও পোৱা নাই হয়তো নাপাবও কোনো দিনে। ঘৰখনক ফাঁকি দি পৰীয়ে মনে মনে ভাস্কৰক ভাল পাই থাকিল। তথাপি কেতিয়াবা তাইৰ মনে কান্দি উঠে মাক দেউতাকক ফাঁকি দি অহাৰ বাবে। এবাৰ ক'ৰ বাৰ পৰা বিয়াৰ প্ৰস্তাৱও আহিছিল—একে বাৰতেই পৰীয়ে বিয়াত নবহো বুলি কৈ দিলে। পৰী যিমানে জনা বুজা হৈ আহিল মনটোও ভাৰাক্ৰান্ত হৈ পৰিল। ইতিমধ্যে তাইৰ ভনীয়েকৰও বিয়া হৈ গল।

মাক-দেউতাকক মান্তি কৰাব নোৱাৰি পৰীয়ে এবাৰ ভাস্কৰলৈ লিখিছিল "…তুমি তোমাৰ ভাল লগা দ্বিতীয় কোনোবা এজনী ছোৱালীক বিয়া কৰোৱা ভাস্কৰ।…" কিন্তু ভাস্কৰ যে নাৰাজ। ওৰেজাৱন সি চিৰকুমাৰ হৈয়ে কটাব অথচ এনে ভুল নকৰে। চিৰদিন পৰীৰে হৈ ৰব সি। ইজনে সিজনৰ পৰা বহু ব্যৱধানত থাকিলেও সিহঁত যে মনৰ নিচেই কাষতে। এটা লৰাৰ জীৱন এনেদৰে কটোৱাব লগা হোৱাৰ বাবে দুখ লাগে পৰীৰ। ভাস্কৰ কিন্তু নীৰৱ—কোনো দুখ নাই তাৰ। এই জনমত নহলেও মৃত্যুৰ পিচত নিশ্চয় সিহঁতৰ মিলন হব সেয়ে ভাবে সি। সিহঁতৰ পৱিত্ৰ ভালপোৱাক অপমান কৰিব নিবিচাৰে সি—নকৰে কেতিয়াও।

কেতিয়াবা পৰীৰ দুৰ্ব্বল মনে ভাস্কৰৰ কাষলৈ দৌৰি গুচি যাব বিচাৰে অথচ নোৱাৰে। তাই যে বন্দী ঘৰখনৰ মৰমত। ঘৰখনক তাই বাদ দিব নোৱাৰে ইফালে এৰিব নোৱাৰে ভাস্কৰকো। পৰী নিৰুপায়! টাবত ৰোৱা তাইৰ সাগৰফেনা জোপালৈ চাই ভাবে "সাগৰফেনা জোপা বহুত ডাঙৰ হ'ল—ক'ত বসন্তৰ যে পৰশ পৰিল, ফুল ফুলিও সৰি পৰি গল অথচ পৰী পৰী হৈয়ে ৰল। তাইৰ কল্পনাৰ ফুলপাহে পাহি মেলিবলৈ নাপালেই—কোনোবাই যেন আহি কলিটোকে চিঙি নিলেহি।

কোনোবা দ্বিতীয় এজনী ছোৱালীক বিয়া কৰাবৰ বাবে ভাস্কৰলৈ অনুৰুধ কৰি লিখা চিঠি খনৰে উত্তৰ পৰীয়ে আজি পাইছে। পৰীৰ এই চেষ্টাও ব্যৰ্থ হল। তাইৰ বাবেই ভাস্কৰৰ জীৱনটোও অথলে যোৱা সহিব পৰা নাছিল পৰীয়ে। সেয়ে তেনে অনুৰোধ কৰিছিল। এৰা, কিয়েবা কৰিব পৰীয়ে? ভাস্কৰে লিখিছিল "…তোমাৰ চিঠি পায় আচৰিত নহৈ নোৱাৰিছো পৰী। কোনো দিনেইতু ভবা নাছিলো—আশা কৰা নাছিলো মই তোমাৰ এনে এটা অনুৰোধলৈ। এনে ভাব কিয় আনিছা নাজানো। পাহৰি নাযাবা এদিন তোমাক কোৱা কথাবোৰ। জীৱনটো এনেদৰেই ভাল লাগিছে মোৰ। মইতু কোনো দিনেই অকলশৰীয়া অনুভৱ নকৰো। মই চিৰদিন তোমাৰেই হৈ ৰম পৰী। তোমাৰ মৰমবোৰক লৈয়ে কটাই দিম এই জীৱন—অতীতৰ স্মৃতিবোৰক ৰোমন্থন কৰি। ভুল নুবুজিবা, তুমি মোক তেনে অনুৰোধ নকৰিবা পৰী।…" ইত্যাদি ইত্যাদি বহু কিবা কিৰি লিখিছে ভাস্কৰে।

ভাস্কৰৰ চিঠি পাই পৰীয়ে আজি কান্দিছে নিজৰ বাবে নহয় তাইৰ মৰমৰ ভাস্কৰৰ বাবেহে। ভাস্কৰে যেন এনেদৰেই প্ৰতিশোধ লৈছে নিজৰ ওপৰতে। দিগন্তত ডেউকা ভগা চৰাইৰ দৰেই পৰীয়ে ধৰফৰাই আছে। বহুত প্ৰশ্নৰ উত্তৰ বিচাৰি পৰীৰ মন ব্যাকুল হৈ পৰিছে। কান্দি কান্দি পৰী ভাগৰি পৰিল। কি কৰিব এতিয়া তাই হাঁহিব নে আকৌ কান্দিব? নাই নাই পৰীয়ে আৰু নাকান্দে—হাঁহিব, চিৰদিন হাঁহিয়ে থাকিব। কোনো দুখ নাই তাইৰ। পৰীয়ে নিজকে ধন্য মানিছে ভাস্কৰৰ দৰে বহল মনৰ এটা লৰাক ভাল পাব পৰাৰ বাবে। ধন্য তাইৰ জীৱন।

তথাপি ভাবিছে ভাস্কৰৰ কি হব এতিয়া, সি কি ওৰেজীৱন এনেদৰেই কটাই দিব কেৱল তাইৰ বাবেই ? এৰা, হয়তো সেয়ে হব। তাইতো ভাস্কৰক ভালদৰেই জানে, বুজে। পৃথিবীত কিজানি একমাত্ৰ তায়েই যি ভাস্কৰক জানে বুজে। মানুহ মৰমেৰে জীয়াই থাকে—জীয়াই থাকিবলৈ মানুহক মৰম লাগে, অকণমান সচাঁ পৱিত্ৰ মৰম। পৰীয়েও বিচাৰিছিল কাৰোবাৰ অকণমান সচাঁ পৱিত্ৰ মৰম আৰু সেই মৰমৰ মাজত জীৱনটো পাৰ কৰিবলৈ। পাইছিল, পৰীয়ে একমাত্ৰ ভাস্কৰৰ পৰাই যেন সকলো পাইছিল। সেয়ে ভাস্কৰৰ মৰমৰ মাজত জীৱনটো পাৰ কৰাৰ সপোন দেখিছিল। কিন্তু পৰীৰ সেই সপোন সপোন হৈয়ে ৰল। কিযে ওলট পালট হৈ গল সিহঁতৰ কল্পনাবোৰ ! কিয় বাৰু পৰীয়ে ঘৰখনক মান্তি কৰাব পৰা নাই, কিহৰ বাবে তাইৰ এই দুৰ্ব্বলতা? কতবোৰ প্ৰশ্নৰ উত্তৰ পৰীয়ে যে আজিও পোৱা নাই।

পৰীয়ে আজি কান্দিছে। কিয় কান্দিছে বাৰু ? আনন্দত নে দুখত ? এয়া হয়তো কোনেও নুবুজিব—কোনেও। কিয় জানো তাই আজি ইমান ভাগি পৰিছে? হেপাহ পলোৱাই কান্দি ললে পৰীয়ে আজি। তাইৰ উচুপনিবোৰক কোঠাৰ বেৰখনৰ বাদে আন কোনেও যেন শুনা নাই দেখা নাই। পৰীয়েও নিবিচাৰে তাইৰ এই দুৰ্ব্বলতা আনৰ আগত প্ৰকাশ কৰিব। লাহে লাহে অন্ধাৰ নামি আহিল। ক'লা দৈত্য এটাই যেন কোঠাটোক গিলি ধৰিলেহি। ইচ্ছা কৰিয়ে পৰীয়ে কোঠাৰ লাইটটো নজলালে। কেতিয়াবা ফুলতকৈ কাঁইটকে ভাল লগাৰ দৰে পৰীৰো আজি পোহৰতকৈ আন্ধাৰকে ভাল লাগিছে। অদূৰত গীৰ্জাঘৰৰ ঘণ্টাৰ কোব সেয়া বতাহত ভাঁহি আহি পৰীৰ কাণত পৰিছেহি। পৰীৰ ভাব হৈছে সেয়া যেন কোনোবাই তাইৰ বুকুতহে কোবাইছে আৰু তাই যন্ত্ৰণাত বিচনাত পৰি আছেহি। আন্ধাৰৰ সুযোগতে চকুপানীবোৰ শেষ কৰি ললে তাই। এতিয়া মনে মনে গাইছে তাইৰ কবিতাৰ সেই টুকুৰাটো—"আজি মই ক্লান্ত, গতিহাৰা মোৰ জীৱনৰ পথ নাপালো ৰত্ন, ভাগিল মোৰ সেই অলীক স্বপ্ন।"++

"প্ৰকৃত প্ৰণয় যেতিয়া হয়, পাৰস্পৰিক ভাল পোৱাৰ উদ্বেগ যেতিয়া হয়, সেই ক্ষেত্ৰত নাৰীয়ে পুৰুষৰ কাৰণে বিসৰ্জ্জন দিব নোৱাৰা কোনো বস্তুৱেই নাই।"

—হেম বৰুৱা

সংগ্ৰাহক ঃ সম্পাদক।

# ইণ্টাৰভিউ

—সঞ্জীৱ কুমাৰ বৰঠাকুৰ
স্নাতক, প্ৰথম বাৰ্ষিক ( বিজ্ঞান )

জনবহুল ৰাজপথটো হঠাৎ শান্তহৈ পৰিল। অসংখ্য পথিকৰ পদধুলি লৈ নিজকে ধন্যমনা পথটো আজি শান্ত হৈ পৰা দেখি অলপ আচৰিত হৈছো। প্ৰথম অৱস্থাত মই ধৰিব পৰা নাছিলো, হাতত এটা ছাতিলৈ অকলশৰে আগবাঢ়িছো। কিন্‌কিনিয়া বৰষুণজাকে হয়তো ৰাজপথৰ পাপবোৰ ধুই নিকা কৰিবলৈ এটা ব্যৰ্থ চেষ্টা কৰিছে। বলিয়া বতাহ জাকে বোধহয় ৰাজপথৰ বদনাম গাবলৈ পাই চঞ্চল হৈ উঠিছে। ৰঙা ৰঙা তামোলৰ পিক্‌বোৰ ৰাস্তাৰ বুকুত কেচাঁ ঘাঁ যেন লাগিছে। গাড়ীৰ ডিজেল পৰি থকা অংশবোৰত পানীপৰি ৰামধেনুৰ সাতোৰঙৰ কিৰণ চিটিকি পৰিছে। সাতোৰঙে সাটোতাকৈ চিন্তা মনলৈ আনি দিছে। চহৰৰ ৰাজপথটো কিয় আজি শান্তহৈ পৰিছে, কোনো দেশনেতাৰ মৃত্যু হোৱা নাইতো ? নে মোৰ অজানিতে চহৰত কিবা এটা ভয়াবহ ঘটনা সংঘটিত হৈ গ'ল যাৰ বাবে মানুহবোৰ ৰাজপথটোলৈ ওলাই আহিবলৈ সাহ কৰা নাই।

বৰষুণ জাক অলপ সময়ৰ আগতে শান্তহৈ পৰিছে, ছাতিটো এতিয়া আৱৰ্জনা যেনহে লাগিছে। মোৰ ধাৰণা বোধহয় ভুল। ৰাস্তাত এজন দুজন পথিকক দেখা পাইছো। আকাশৰ কলিয়া ডাৱৰবোৰেও ধীৰে ধীৰে গতি কৰি সূৰুজ দেৱতাক পথ এৰি দিছে। বিভোৰ ভাৱত বলিয়ান হৈ মই মোৰ পথত আগবাঢ়িছো। ৰাস্তাৰ কাষৰ হোটেলৰ কাপপেলট বোৰৰ শব্দ সঘনে শুনিবলৈ পাইছো। ৰাস্তাৰ মাজে মাজে পানীৰ ডোঙা বান্ধিছে। বান্ধিবই P. W. D. ৰ ৰাস্তাটো! পেন্টটো অলপ কোঁচাই লৈছো। জেওৰা খুটি কেইডাল দেখি কোনোবাই হাঁহিলেও হাঁহক। সেইবুলি আৰু পেন্টটোত বোকা লগাব নোৱাৰি। খুব সাৱধানে আগবাঢ়িছো। কৰবাত অফিচৰ ইন্টাৰভিউটো ( Interview ) তেল লৈ যাব। মাজে মাজে মন্ত্ৰীৰ নামবোৰ আওৰাই গৈছো! যিহে দুৰ্কপাল, পৰা প্ৰশ্নটোও চাগে সেই সময়ত পাহৰি যাম। খুব সাৱধানে ডাঙৰ ডিজেল এখনক বাট দিবলৈ গৈ বাটৰ কাষত থিয় দিছো, পেন্টত বোকা নলগাকৈ। মুঠৰ ওপৰত চাকৰিটো পাব লাগিব। দূৰৰ পৰা চাৰি আলিৰ বৰ গছজোপা দেখি ভাল লাগিছে। অলপ আগতে বৰষুণ হৈ যোৱাৰ বাবে গছজোপা বেছ সেউজীয়া দেখিছে! থিকেই সেউজীয়া ৰঙটো শান্তি, শস্যশ্যামলা আৰু সৃষ্টিৰ প্ৰতীক। গছজোপা পাৰহৈ বাওঁফালে অলপ ঘুৰিয়েই যিটো তিনি আলি পাব তাৰ থিক সোঁফালৰ দুমহলীয়া অফিচটোৱেই মোৰ লক্ষ্য স্থান। বাটত জন সমাগম লাহে লাহে বৃদ্ধি পাই আহিছে। ই যেন বাৰিষাৰ পানীৰ

থলহে। মই মোৰ গতি প্ৰয়োজনতকৈ বৃদ্ধি কৰি দিছো। অলপ সোণকালে পালে মোৰেই ভাল। অলপ জিৰাই লব পাৰিম। ৰাস্তাত গাড়ী ঘোঁৰাৰ গতি খৰহে আহিছে। প্ৰতিখন গাড়ীয়েই মোক পাচ পেলাই এটা বিকট হৰ্ণ বজাই আগবাঢ়ি গৈ মোৰ গতি শক্তিক যেন ইতিকিং কৰিছে। হৰ্ণতেও বিকৃত স্বৰৰ হলেও হৰণটো যে বজালে নহলেটো চেপা মাৰি পিটিকা কৰি দিলে হয়।

সেউজীয়া আঁহত গছজোপাৰ তলত মানুহ কিছুমান থুপ খোৱা দেখিছো। ক'তো বেলগছৰ বাহিৰেতো ক'তো শিৱলিঙ্গ ওলোৱা বুলি শুনা মনত নপৰে। হয়তো সৃষ্টিৰ কৰবাত ভুল হৈছে। আজি কেইদিন মানৰ আগতে তাত এজনী মাইকী মানুহ বহি থকা দেখিছিলো। বেচেৰিৰ অৱস্থাৰ ফালে চৈথৈবচ। বয়স বাইছ তেইছৰ ভিতৰত হব যদিও খাবলৈ নোপোৱাৰ বাবেই তিৰিছ পয়ত্ৰিছ বছৰ হৈছে যেন লাগে। ইন্টাৰভিউলৈ বৈ বৈ আমনি লাগিলে তামোল এখনকে খাম বুলি অনা দহ পইছাটোকে হাতত লৈ গছজোপাৰ গুৰিৰ মানুহৰ জুমটোলৈ আগবাঢ়িছো। তামোল খন যেনিবা নাখালোৱেই কি লোকচান টা হব। আমাৰ দৰে মধ্যবৃত্ত শ্ৰেণীটোৱেই যদি তাহাঁতক সহায় নকৰো কৰিব কোনে ? শুভ কামত আহিছো যেতিয়া অলপ দানকে কৰি যাওঁ, কৰবাত যদি পূণ্য হয় হওঁক।

মানুহৰ ভিৰ ফালি গছজোপাৰ গুৰিলৈ মানুহজনীক লক্ষ্য কৰি আগবাঢ়িছো, হাতৰ দহপইছাটো এনেভাৱে মুঠিমাৰি নিছো যেন দহ পইছা নহয় দহ টকাহে। কিছু সময়ৰ বাবে হলেও মানুহজনীৰ অৱস্থাটো দেখি মই জলকা মাৰি বৈ গৈছিলো। এইপিনে কেইবাদিনো গৈছো যদিও মানুহজনী ইমান ভালদৰে মই লক্ষ্য কৰা নাছিলো। মানুহজনী এছ নহয় ছোৱালীয়েই হব মূৰত দেখোন সেন্দূৰৰ চিনেই নাই। থিক ছোৱালীয়ে হব, ছোৱালীজনী বগাই আছিল সম্ভৱ। অলপ শকত হোৱাহলে থুতৰিৰ তিলটোৱে সৈতে বেছ ধুনীয়া লাগিল হয়। ব্লাউজৰ হাত খন দেখোন বৰ ঢিলা ? বেচেৰি চাগে আগতে শকতেই আছিল। কোৱা শুনিছো কোনোবা বানপানী দুৰ্দশাগ্ৰস্থ গাৱঁৰ পৰা তাই চহৰলৈ আহিছিল, কিবা এটা চাকৰি পোৱাৰ আশাত। চাকৰী ! ইমান সহজে এটা চাকৰি লাগ বুলিলেই জানো পায়। তাতে পুঁজিপতি দেশত নিবনুৱা কি নতুন সমস্যা ! য'ত মুনাফা লাভৰ উদ্দেশ্যে উৎপাদন চলে, য'ত দেশৰ অৰ্থনৈতিক ক্ষমতা কেইজন মান পুঁজিপতিৰ হাতত তাত "বেকাৰ" কি নতুন শব্দ। দুনীয়াত দুদিন বেছিকৈ থাকিবলৈ, পেটৰ দায়ত, মুঠৰ ওপৰত দুদিন জীয়াই থাকিবলৈ কিবা আশ্ৰয় বা সম্বল পোৱাৰ আশাত লাজমান কাটি কৰি গাৱঁৰ গাভৰু জনী ধাপলি মেলি আহিছিল সভ্যতাৰ মুখা পিন্ধি জীয়াই থকা চহৰৰ বুকুলৈ। তাই যদি শকতহে থকা অৱস্থাত আহিল হয় তাইৰ বাবে কামৰ অভাৱ নহলহেঁতেন। পিন্ধি থকা গেৰুৱা ব্লাউজটো সেউজীয়া শাৰীখনে যে কি ধুনীয়া দেখিলে হয় তেতিয়া। মানুহ সুন্দৰৰ পূজাৰী। সৌন্দৰ্য্য লৈ আমি সকলো বলিয়া। সেইবুলি সৌন্দৰ্য্য মাধুৰী বিলোৱা গোলাপ পাহক জহৰ কোটৰ বুকুত নিবিচাৰো। আমি ভালপোৱো গোলাপ পাহক কাঁইটৰ মাজত

থাকিয়েই সৌন্দৰ্য্য, অমিয়া বিলোৱাটো আমি বিচাৰো। তাই দেখিবলৈয়ে ধুনীয়া তাক আপুনি মই নতশিৰে মানি লম। সেইবুলি নাৰী হ'ল বুলি, পেটৰ জ্বালাত তাই পুৰুষৰ ভোগৰ সামগ্ৰী হোৱাতো মই মনে কামে বাঞ্ছা নকৰো। সেই জীৱন, জীৱন নহয়! সেই জীৱন আমাৰ সমাজৰ এটুকুৰা নগা ঘাঁহে মাথোন। মানুহৰ জীৱনত কোনোবা ডোখৰত কোনোবা মূহুৰ্ত্তত কিবা এটা ভুল কৰি দিয়ে। যি ভুলে জীৱনটো ভয়াবহ অৱস্থা এটালৈ নিবলৈ ভয় নকৰে। বেচেৰিয়েও কিবা এটা ভুল কৰিলে। অৱশ্যে ভুল কৰি ভালেই কৰিলে। নহলে আজি চাৰি দিনে ইমান শান্তিৰে আহঁত জোপাৰ তলত আগৰ body টোৰে কটাব পাৰিলে হয় জানো?

বহু বছৰৰ পুৰণি চাৰিআলিৰ আহঁত জোপাৰ তলত এজনী অবলা নাৰীৰ এটা মৃতদেহ পৰি আছে। সৌ সিদিনা ১৫ আগষ্টৰ বাবে গছ-জোপাৰ তলটো পকাৰে বান্ধি দিছে বাবে গছজোপা আৰু জয়াল জয়াল লাগিছে। চাৰিআলিৰ বিভিন্ন শ্ৰেণীৰ বিভিন্ন মানুহে মোৰ দৰে নাৰী গৰাকীৰ মৃতদেহৰ ওপৰত দৃষ্টি নিবদ্ধ কৰি বিভিন্ন চিন্তাত চিন্তানিত হৈ আছে। বহুতে বহুত মত পোষণ কৰিছে। নগৰ পালিকা অফিচত ইতিমধ্যে খবৰ দিয়া হৈ গৈছে যে শটো অতি সোণকালে নিয়াৰ ব্যৱস্থা কৰিব লাগে। নহলে এটা পচা গন্ধই ঠাই ডোখৰৰ পৰিবেশ অস্বাস্থ্যকৰ কৰি তুলিব।

এজন গণ্যমান্য ব্যক্তিয়ে মুখৰ ভিতৰতে কিবা ভোৰভোৰাই আছে। কাণপতাত গম পালো — তেখেতৰ আপত্তি হল মানুহজনীয়ে এনেকুৱা ফটা কাপোৰ পিন্ধি মৰা উচিত নাছিল। তেখেতৰ যুক্তি — "এনে মৃত্যুয়ে সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ডেকাচাম পথভ্ৰষ্ট হৈ সমাজৰ লাজ কাণ নামানি বিপথে পৰিচালিত হয়।" গম পালো ব্যক্তিজন চহৰৰ শিৰফুটা লেক। কোনোবা এটা অঘাইটং লৰাই টিটকিৰি মাৰি মুখতে কৈ দিলে — "আপোনাৰ কথাষাৰ বেচেৰিয়ে মৰাৰ আগতে ভাবিবলৈ সময় নাপালে। এনেকৈ খাবলৈ, পিন্ধিবলৈ নাপাই আৰুটো মানুহ মৰিব। এইবাৰৰ পৰা মৰেই বাৰু তেনে মানুহ বোৰক মৰাৰ আগতে আপোনাৰ উপদেশৰ কথা কম।" মানুহজনে লাজ পাব বুলি হাঁহিটো টিপা মাৰি অন্যমনস্ক ভাৱে আন ফালে চাই দিছিলো। ইতিমধ্যে ভদ্ৰ চিন্তাশীল ব্যক্তিজন স-সন্মানে আঁতৰি গৈছে।

হঠাৎ মানুহবোৰ চঞ্চল হৈ উঠিল। মানুহ-বোৰে ভয়ে ভয়ে বাট এৰি দিছে। কেইটামান বাটত ঘূৰি ফুৰা শকত কুকুৰ মৃতদেহৰ কাষ চাপি আহিছে। ভয়ে ভয়ে মানুহবোৰে কুকুৰ কেইটালৈ চাই আছে। ওপৰৰ পৰা তললৈ, তলৰ পৰা ওপৰলৈ মানুহজনীক শুঙিবলৈ কুকুৰ কেইটাই আৰম্ভ কৰি দিছে। মানুহবোৰে আগ্ৰহেৰে নগৰ পালিকা অফিচৰ পৰা আহিব লগা মানুহ কেই-জনলৈ বাটচাই আছে। ময়ো অফিচলৈ যাবলৈ প্ৰয়োজন বোধ কৰিছো যদিও ঘটনাতো শেষলৈকে চাই যাবলৈ মন গৈছে। এটা সময়ত কুকুৰ কেই-টাই কেং কেং কৈ চিঞৰি উঠিল। কুকুৰবোৰে গেৰুৱা শাৰীখন ফালিবলৈ আৰম্ভ কৰি দিছে। ভয় আৰু লাজত মানুহবোৰে ইজনে সিজনলৈ

চাইছে। আচৰিত ! অথচ এজনেও কুকুৰ কেই-টাক আঁতৰাই দিবলৈ চেষ্টা কৰা নাই। প্ৰতিজনে অতি আগ্ৰহৰে মাঠোন ঘটনাটোহে লক্ষ্য কৰিছে।

এখন প্ৰকাণ্ড গাড়ী যোৱাৰ শব্দ হৈছে। সম্ভৱ নগৰ পালিকাৰ গাড়ী। কেইজনমান বন্দুক ধাৰী মানুহ গৰপ গৰপকৈ পকা ৰাস্তাৰ ওপৰত জপিয়াই পৰিছে। দেশ যেন যাওঁ যাওঁ অৱস্থা। এক-মাত্ৰ সিহঁতৰ হাতত থকা বন্দুক কেইটাৰে দেশক ৰক্ষা কৰিব লাগিব। থিক এনে এটা ব্যস্ততাৰ মাজেৰে মানুহৰ জুমক ফালি মানুহ কিজন আগবাঢ়ি আহিছে। সিহঁতো আমাৰ দৰে তেজ-মঙহৰে মানুহ। উত্তেজনাপূৰ্ণ ঘটনাটো চোৱাৰ লোভ বন্দুক ধাৰী কিজনেও সামৰিব পৰা নাই।

কুকুৰ কেইটা খুব ব্যস্তহৈ পৰিছে। কাপোৰ বোৰ ফালি মানুহ জনীক প্ৰায় নাঙঠ কৰি পেলা-ইছে। মোৰ ধাৰণা সচাঁ কাৰণ, মানুহজনীৰ ভৰি কেইটা বগা আৰু মিহি, ইতিমধ্যে কুকুৰ কেইটাৰ এটাতকৈ ইটোৰ কাৰ্য্য-কলাপ চৰি গৈছে। এটা প্ৰকাণ্ড কুকুৰে হঠাত মানুহজনীৰ বুকুৰ ওপৰত কামুৰি দিলে ! কিছুমান শুকান চৰকা ক'লা তেজ ওলাই পৰিছে। গেৰুৱা চিলা ব্লাউজটোৱে মানুহ-জনীৰ সন্মান ৰক্ষা কৰাত অক্ষমতা প্ৰকাশ কৰিলে। মানুহবোৰে উত্তেজনাৰে আগ্ৰহেৰে ঘটনাটো চাই আছে।

গুৰুম গুৰুম, গুৰুম-বিকৃত কেইটামান শব্দৰ সৃষ্টি হ'ল। বন্দুকৰ নলী কেইটাৰ মুখৰ পৰা ধোঁৱা ওলাইছে। মানুহবোৰে ক্ষন্তেকতে কি হল তত ধৰিব নোৱাৰিলে। যেতিয়া গম পালো কুকুৰ কেইটাক হত্যা কৰা হৈছে ! খণ্ডত মানুহ-বোৰ চিঞৰি উঠিল — "কুকুৰ কেইটা মাৰিবলৈ তহঁত কোন ? শটো নিবলৈ যে মানুহ পঠিয়াব লাগে চৰকাৰৰটো খবৰেই নাইটো নায়েই বেচেৰা কুকুৰ কেইটাই শটো খোৱাও সহ্য কৰিব নোৱা-ৰিলি" ?

মানুহ কিজন গহীন ভাৱে হাতত বন্দুক কেইটালৈ গাড়ীত উঠি বহিল। ইতিমধ্যে কুকুৰ-কেইটাৰ "শ" গাড়ীত উঠোৱা হৈ গৈছে। যাবৰ সময়ত চিঞৰি গল — "মৰা মানুহ চোঁচৰাই নিয়া আমাৰ কাম নহয়। দেখা নাই কুকুৰ কেইটাৰ ডিঙিত বেল্ট নাই - বলিয়া কুকুৰ। চৰকাৰৰ আদেশ বলিয়া কুকুৰ মৰা উচিত। মোৰ এনে লাগিছে — মানুহবোৰত'ক চৰকাৰে যেন বেল্ট নথকা কুকুৰবোৰক হে বেছি ভয় কৰে। আমি ডিঙিত যেন বেল্ট নথকা কিছুমান শান্ত কুকুৰহে মাত্ৰ।

মই খৰকৈ অফিচলৈ আগবাঢ়িছোঁ -বহুত দেৰী হ'ল। মানুহজনীৰ গেৰুৱা ব্লাউজটো, সেউজীয়া শাৰীখন, আৰু বগা কোমল বুকুখন দেখি বাৰে বাৰে জাতীয় পতাকা খনলৈ মনত পৰিছে। মুখস্থ কৰি আহিছো ইন্টাৰভিউত শুধিব পাৰে ভাৰতীয় জাতীয় পতাকাৰ ৰং কেইটাৰ অৰ্থ কি ? সেউজীয়া — শান্তি, শস্য-শ্যামলা আৰু সৃষ্টিৰ প্ৰতীক। বগাই পবিত্ৰ, গেৰুৱাই — ত্যাগৰ প্ৰতীক আৰু অশোকচক্ৰৰ কথা মই কি কম ! ভাবি পোৱা নাই। মোৰ দেখোন মানুহজনীৰ বগা বুকুত কুকুৰে কামুৰি গোলকৈ ঘাঁ কৰি দিয়া অংশটোকে অশোক চক্ৰ যেন লাগিছে। +++

---

বিঃ দ্ৰঃ ১৯৭৮-৭৯ চনৰ মহাবিদ্যালয় সপ্তাহৰ গল্প প্ৰতিযোগীতাত শ্ৰেষ্ঠ পুৰস্কাৰ প্ৰাপ্ত। — সম্পাদক

# যৌতুক

—গুণেশ্বৰ মহন্ত
স্নাতক, ৯ম বাৰ্ষিক (কলা)
বৈশ শাখা ।

মনোহৰে পুতেকৰ বিয়া পাতিবলৈ ওলাইছে । এৰা হয়, পুতেকৰ বিয়াখন পাতিব লগা হৈছেও । বুঢ়ীজনীয়ে পাঁচজন মানুহক ঢেকীত ধান বানি কিমান দিন ভাত খুৱাব । মনোহৰো দিনক দিনে বুঢ়া হৈ আহিছে । ডাঙৰ পুতেকৰ সংসাৰখন চাই যাবলৈ বৰ হেপাহ । ঘৈণীয়েক সেউতীয়েও সদায় একেষাৰ কথাকে কৈ থাকে । বোৱাৰীয়েকৰ হাতত ঘৰ খনৰ চাবিকোছা সোধাই দিব পাৰিলে বুঢ়ী জনীয়ে অলপ জিৰণী লব পাৰে, দুই চাৰি ধৰ্ম্ম কথাত মন দিব পাৰে । চিৰদিন সংসাৰখনৰ কথা চিন্তা কৰিলে হব জানো ?

"শিশুকাল গলে ধূলায়ে খেলোতে
যৌৱন কাল গলে ৰঙে,
বৃদ্ধ কালতে হৰিৰ নাম নললে
লব কোন কালে (মোৰ গুৰু ঐ)।।"

এই নীতি বচনষাৰোতো মানি চলিব লাগে । পুতেক ডাঙৰ হৈছে চৰকাৰৰ ঘৰত কাম পাইছে । পুতেকৰ বিয়াখন পাতি দি, গো-বোৱাৰীৰ হাতত সংসাৰৰ ভাৰখন সোধাই দি বুঢ়া বুঢ়ী তীৰ্থ যাত্ৰালৈ ওলাবৰ মন ।

বিয়াৰ কথা এইবাৰে নহয়—আগতে বহু বাৰ মনোহৰে কথাষাৰ পুতেকৰ কাণত পেলাইছিল । কিন্তু পুতেক হৰেনে এই বিষয়ে একো গুৰুত্ব দিয়া নাছিল । হৰেনে পিতাকক বুজাইছিল—"পিতাই, মই বিয়া নকৰাও বুলি নকওঁ সদ্যহতে মই চাকৰিত সোমাইছোহে । টকা-পইছা যোগাৰ হওক, ভাইটি আৰু ভন্টিকো মানুহ কৰিব লাগে । ঘৰ এটিও বান্ধিব লাগে । আজিৰ দিনত লৰাৰ বিয়া পতাতো একো ডাঙৰ কথা নহয়, আচল কথা হল ছোৱালী অনাৰ পিচত উদ্ভৱ হোৱা সমস্যাবোৰ সমাধা কৰিব পৰাটোহে । গাই এজনী কিনি আনিয়ে গাখীৰ খাব নোৱাৰি । গাইজনী চৰাবলৈ এজন গৰখীয়া, বান্ধিবলৈ এডাল পঘা, ৰাতি লবলৈ এটি সৰু ঘৰো লাগিব । দানা-পানীৰ লেঠাটো আছেই ।"

পুতেকৰ যুক্তিত মনোহৰে হাৰ মানিছিল । কালৰ বুকুত পাঁচটি বছৰ হেৰাই গল । মনোহৰৰ সৰু পুতেকে মেট্ৰিকৰ দেওনাখন পাৰ হল । ছোৱালীজনীও গাৱঁৰ চাৰি-পাটীত বহা স্কুলখনৰ পৰা এমাইল দূৰৰ বেঞ্চত বহা স্কুল খনলৈ গৈছে ।

মনোহৰে থিৰাং কৰিছে যে তেওঁ এইবাৰ চকুক সুধি চাউল নৰহাই। পুতেকৰ বিয়া এইবাৰ পাতিবই। সেউতীৰো সেয়ে মত বোৱাৰী আনি এইবাৰ ঘৰ সোমোৱাবই।

ছোৱালী কতো চোৱা-চিতা কৰা নাই। আগতে পুতেকক মাতি পঠাব। কবতো নোৱাৰি ল'ৰাই হয়তো কৰবাত মন দিয়ে থৈছে কিজানি। হৰেন অৱশ্যে তেনেকুৱা ল'ৰা নহয়। হৰেনৰ ওপৰত মনোহৰৰ পুৰামাত্ৰাই বিশ্বাস আছে।

পিতাকৰ পৰা চিঠি পাই হৰেনে এইবাৰ একো অজুহাত নেদেখুৱালে। তেওঁৰ মনৰ আকাংখা আংশিকভাৱে হলেও পূৰণ হৈছে। ভেটিতো কেঁচা হলেও ঘৰটো চকুত লগাকৈয়ে বান্ধিছে। ঘৰটোৰ সন্মুখত ভনীয়েক মনোৰমাই ফুলৰ আঁচুসূতা তুলি দিয়াত ঘৰটোৰ সৌন্দৰ্য্য দুগ্ধত চেনী মিহলোৱাৰ দৰে হৈছে।

"চোৱা মনোহৰ, মোৰ ছোৱালীজনী তুমি সৰুৰ পৰাই দেখি আহিছা। মইনো কি কম, তাই অৱশ্যে মেট্ৰিকটো পাছ কৰিব নোৱাৰিলে মানে মই নপঢ়োৱালো। বুজিছা মনোহৰ, ছোৱালী বেছিকৈ পঢ়াই লাভ নাই। পঢ়ি শুনি সিহঁত বাবুৱনী হয়, তোমাৰ মোৰ ঘৰত চুৱা ধুবলৈ, গোবৰ পেলাবলৈ লাজ পাই। শিক্ষিতা ছোৱালী এজনী বিয়া কৰাই আনি তুমি কি কৰিবা। হৰেন বোপাৰ দৰে চিধাচিধি লৰা এজনলৈ যেই-সেই ছোৱালী এজনী আনিব নোৱাৰি দিয়াচোন। তুমি মোক কথা দিয়া। মোৰ ছোৱালীলৈ তুমি একো দিব নেলাগে। মই তোমাৰ অৱস্থাৰ কথা কিবা নুবুজোনে? লাগিলে তোমাকে খৰচৰ বাবদ কিছু টকা দিম। ধৰা ধাৰলৈ দিলো, সময়ত মই হৰেন বোপাৰ পৰা উভতাই লম।"

"আপুনি এতিয়া যাওক মহাজন। সময়ত মই আপোনাক জনাম।"

"মনোহৰকাই তুমি এই মাহৰ ভিতৰতে বিয়াখন পাতা। ছোৱালী আৰু খৰচ পাতি মোৰ। তুমি এক পইচাও খৰচ কৰিব নেলাগে। মাত্ৰ দৰাজন সাজি গলে হল। বিয়াৰ পিচতে হৰেন বোপাক চাকৰিৰ পৰা লৈ আহিম। সেইবোৰ মাখিমৰা কেৰাণীগিৰি কৰি কেই পইচা ইনকাম কৰিব? তেওঁ মোৰ লগত ঠিকা কৰিব। এবছৰৰ ভিতৰতে তোমাৰ এই খেৰীঘৰ পকীঘৰত পৰিণত হব।" ঠিকাদাৰ গঙ্গাৰাম আহি মনোহৰক এইদৰে কলে।

ঠিকাদাৰৰ কথাত মনোহৰৰ মন গলিছিল যদিও তেওঁকো একো সিদ্ধান্ত নিদিয়াকৈ বিদায় দিলে।

"বুজিছা মনোহৰ, শিক্ষকতা কৰিয়ে বুঢ়া হলো। গঙ্গাৰামহঁতৰ দৰে অসৎ প্ৰবৃত্তি লৈ ধন ঘটা হলে আজি তোমাৰ মোৰ অৱস্থা এনেকুৱা নহয়। মোৰ একেজনী মাত্ৰ ছোৱালী। তাইক এঠাইত গতাই যাব পাৰিলে মৃত্যুৰ সময়ত অকণ শান্তি পালো হয় কিজানি। হৰেন মোৰ ছাত্ৰ, তেওঁক মই জানো, তেওঁৰ চিন্তা উচ্চ, আশা মহৎ। এদিনময়ে তেওঁক

কৈছিলো 'হৰেন, তোমাৰ জীৱনত উন্নতি আছে। তোমাক মই একো বস্তু দি সহায় কৰিব নোৱাৰো। মোকো তুমি একো দিব নেলাগে। কথাটো তুমি ভাবি চিন্তি চোৱা। পিচে পৰেও মোক জনাবা।" হেডপণ্ডিত উঠিল।

"মনোহৰ, তুমিও খেতিয়ক ময়ো খেতিয়ক। সকলৰ পৰা খেতি কৰিয়ে বুঢ়া হলো। এনেস্থলত তুমি খেতিয়কৰ মূল নুবুজিবানে? মহাজন বা ঠিকাদাৰৰ ছোৱালী তুমি হৰেন বোপালৈ বিয়া কৰাই আনিব পাৰিবা—কিন্তু পাৰিবা জানো তেওঁলোকৰ লগত খোজ মিলাই খোজ কাঢ়িব? গাদীৰ ওপৰত শুই শুই ডাঙৰ দীঘল হোৱা ছোৱালী এজনী আহি তোমাৰ ঘৰত উদং চালপীৰাখনত নুশুবে, পীৰাত বহি ভাত নেখায়। ফলত কি হব জানা—হৰেন বোপাক কুটৰি থাকিব টাউনলৈ নিবলৈ। পিছৰ দশা কি হব তুমিয়ে ভাবি চোৱা। গতিকে সেইবোৰ মহাজন, ঠিকাদাৰৰ ছোৱালী তুমি বাদ দিয়া। আমি খেতিয়কে খেতিয়কে মিতিৰ পাতো। মোৰ ছোৱালীক তুমি কিহত পাৰিবা ৰন্ধা-বঢ়া, বোৱা-কটা, ৰোৱনী-দাউনী তুমি কতো একো খুট নোপোৱা। নিজৰ ছোৱালীৰ গুণ নিজে বখানিব নেপায়। তথাপি তোমাৰ আগত কলো আত্মীয় বুলি।"

"বুজিছো কৃপাৰাম, তোমাৰ কথাত যুক্তি আছে। সদ্যহতে তুমি যোৱা। বোপাও আহি পাওক। কথাটো আলোচনা কৰিলৈহে মই তোমাক জনাব পাৰিম।"

"আলোচনা কৰা, আলোচনা কৰা। কথাতে কয় 'ভাবি চিন্তি কৰে কাজ, হাৰে জিকে নাই লাজ।" কৃপাৰামে বিদায় ললে।

কথাৰ মেৰপাকত পৰি আৰু চলাহি কথাত ভোল গৈ সেউতীৰ কথামতে মনোহৰে ঠিকাদাৰ গঙ্গাৰামকে কথা দিবলগা হল। হৰেনৰ সৰু ভায়েক নৰেনে আপত্তি কৰিছিল যদিও ঠিকাদাৰে যেতিয়া টাউনত চাকৰি দিম বুলি কলে নৰেনো নিমাত হল।

মাঘৰ ৭, ৮ তাৰিখে বিয়াৰ দিন ঠিক কৰা হল। ছোৱালী গঙ্গাৰাম ঠিকাদাৰৰ দ্বিতীয়া কন্যা মনোমতীয়ে পচন্দ হল।

পিতাকৰ পৰা চিঠি পাই হৰেনে জনাই দিলে—"পিতাই আগতীয়াকৈ যি কৰিব লাগে সকলোবোৰ আপোনালোকে শেষ কৰক। মোৰ কামৰ বৰ হেঁচা পৰিছে। ফেব্ৰুৱাৰীত ইলেকচন আছে—সেয়ে অফিচাৰে কাকো ছুটী নিদিও বুলি কৈছে। গতিকে মই বিয়াৰ তিনি দিনমান আগতহে গৈ পাম। টকা দেৰহাজাৰ পঠাই দিলো। ইয়াৰে অগ্ৰিম কামখিনি কৰিব। বাকী কাম মই গৈ কৰিম।"

আজি মাঘৰ ৪ তাৰিখ। বিয়ালৈ আৰু তিনি দিন বাকী। দূৰৰ আত্মীয় দুই চাৰিজন আহি পাইছে ইতিমধ্যে। ঠিকাদাৰৰ ঘৰত ৰভাৰ কাম শেষ হৈছে। বিয়াৰ দুদিন ৰাতিক দিন কৰিবলৈ ক'ৰবাৰ পৰা দাইনামো এটাও ঠিকাদাৰে যোগাৰ কৰিছে। মনোহৰৰ ঘৰত ৰভা দিবলৈ টিন, টিৰপাল আদি ঠিকাদাৰে আনি দিছে। বাৰজন বনুৱাই ৰভাৰ কামত লাগি আছে। ৰভা প্ৰায় শেষ হওঁ হওঁ অৱস্থা।

ইতিমধ্যে সাজঁ লাগিছে। মনোহৰৰ চোতালৰ একাষত বহি বনুৱা কেইজনে ভাগৰ পলুৱাইছে। চাদা পিহি পিহি হিন্দীতে কিবা কথা পাতিছে। ঠিকাদাৰে মাজত এবাৰ 'ভটভটিখনত' উঠি আহি কাম কাজ কিমান দূৰ আগবাঢ়িছে চাই মনোহৰক দুই এটা উপদেশ দি গল।

গধূলি গাৱঁৰ বয়োবৃদ্ধ লোকসকল আহি ৰভাৰ তলত বহিল।

"গাখীৰ মাজুলীৰ তিতাৰামৰ তাত লগোৱা হ'ল নে কমলাবাৰীৰ পানীৰামৰ তাত লগালে।"

"বেণ্ডপার্টী কোন জোৰা মাতিলে?"

"দিনত জলপান খুওৱা হব নে ভাতৰ দিহা কৰিছে?'

মনোহৰে যথাৰীতি মতে প্ৰশ্নৰ উত্তৰবোৰ দি গল।

বুঢ়াসকলৰ আৰু এটা তৰ্কৰ বিষয় হল— বিয়াৰ দিনা দুপৰীয়া ৰাইজে কাৰ তাত খাব? বিয়াৰ দিনা দুপৰীয়া ৰাইজে কাৰ তাত খাব? একেকেখন গাৱঁতে যিহেতু দুয়োখন বিয়া—একেলগেতো দুয়ো ঘৰতে খাব নোৱাৰি। কিছুমানে কয় "দৰাৰ ঘৰত দুপৰীয়া খাওঁ আৰু ছোৱালীৰ ঘৰত ৰাতি খাওঁ আৰু যদি দৰাইও ভাতৰ দিহা কৰিছে তেতিয়াহলে বিয়াৰ পিচ দিনা অৰ্থাৎ খোৱা-খুৱীৰ দিনা দৰাৰ ঘৰত ভোজ খাওঁ। একেদিনাই দুয়ো ঘৰতে ভোজ খাব নোৱাৰি। কিয়নো দুয়োখন ঘৰত উৎসৰ্গা কৰোতে গধূলি জলপানতো খাবই লাগিব।"

"ঠিকাদাৰে হেনো কাছৰ মঙহেৰে ভোজ খুৱাব।"

"হৰেনেও ৰাতি জলপানৰ লগত মিঠাইৰ ব্যৱস্থা কৰিব।"

"ঠিকাদাৰৰ টকাৰ কি অভাৱ কাছৰ মঙহ কিয় ৰৌমাছেৰেও খুৱাব পাৰে।"

"হৰেন মনোহৰৰ প্ৰথম ল'ৰা। ডিব্ৰুগড়ৰ কেছাৰিত চাকৰিও কৰে। তাৰ সন্মান এটাওতো আছে। ৰাতি কিয় দিনত জলপানৰ লগতো কিজানি মিঠাই দিয়ে। চিঠিত পিতাকলৈ লিখিছেও — মিঠাই ব্যৱস্থা সি নিজে আহি কৰিব।"

পধূলি আঠ বজাৰ বাছত হৰেন আহি যেতিয়া ঘৰ পালে মনোহৰ আৰু সেউতীৰ উখলমাখলৰ সীমা চেৰাই গল। বিয়াৰ বস্তু বাহানিবোৰ মটৰ ষ্টেণ্ডত থকা বুলি কোৱাত চাৰিজন বনুৱাক পঠাই দিলে। লগত নৰেনো গ'ল।

হৰেনে কাপোৰ-কানি সলাই লৈ পিতাকৰ ওচৰত বহিল। "ৰভাখন সোণকালে দিলে। বিয়াৰ বাকী কাম-কাজ কিমানখিনি আগবাঢ়িছে? সকলোবোৰ মিতিৰক নিমন্ত্ৰণ কৰা হলনে?"

মনোহৰে এফালৰ পৰা পুতেকৰ প্ৰশ্নৰ উত্তৰ দি গল। নৰেনক চাকৰি দিব খোজাৰ পৰা আৰম্ভ কৰি টিন, টিৰপাল বিনা বেতনে বনুৱাৰ দ্বাৰা কাম কৰাই দিয়াৰ পৰা ছোৱালীৰ লগত কি কি বস্তু দিব, গাখীৰ ক'ত ঠিক কৰিলে, ৰাইজে কি কলে সকলোবোৰ কথাই হৰেনক কলে।

পিতাকৰ কথাবোৰ শুনি হৰেনৰ মূৰ গৰম হৈ গল। অলপ ৰুঢ়স্বৰে পিতাকক কলে

"তাৰ মানে আপুনি ছোৱালীজনী ৰূপ গুণ চাই পছন্দ কৰা নাই ? পছন্দ কৰিছে ছোৱালীজনীৰ দেউতাকৰ টকা-পইচা চাই । ঠিকাদাৰে মোক কিনি নি তেখেতৰ ছোৱালী মোৰ লগত বিয়া দিবলৈ ওলাইছে। আপুনি এবাৰো আপোনাৰ,মোৰ, ঘৰখনৰ সন্মানৰ কথাটো চিন্তা কৰি চোৱা নাইনে ? সমাজে কি কব ? মোৰ বন্ধু-বান্ধৱৰ আগত মই মুখ দেখুৱাম কেনেকৈ ? ছিঃ ছিঃ আপুনি টকাকহে ডাঙৰ দেখিলে।"

"বৰ্ত্তমান যুগৰ কোনো শিক্ষিত ল'ৰাই ছোৱালী পছন্দ কৰাৰ ভাৰ মাক-দেউতাকৰ হাতত এৰি নিদিয়ে । মই আপোনালোকৰ ওপৰত বিশ্বাস ৰাখিছিলো । আপোনালোকৰ সুখৰ কাৰণে নিজৰ স্বাৰ্থ ত্যাগ কৰিছিলো । কিন্তু আপোনালোকে মোৰ কাৰণে অকণো নেভাবিলে । ঠিকাদাৰ নিচিনা ধনী মানুহ এঘৰৰ লগত আমাৰ ঘৰখন মিলিবই বা কেনেকৈ ? ছোৱালীজনী আমাৰ লগত খাপ খাব কেনেকৈ ? যদি তেওঁ মোক মুৰেৰে খোজ কাঢ়িবলৈ কয়, কাঢ়িব লাগিব । এইটো নকৰিব সেইটো নকৰিব মই মানিব লাগিব । আৰু যদি নেমানো তেওঁ মোক স্বামী বুলিও ক্ষমা নকৰি কৈ উঠিব—আপুনি কোন মোৰ ওপৰত ? এইটো দেউতাই মোৰ যৌতুকত দিয়া বস্তু – সেইটো, সৌটো, এই সকলোবোৰ । আপুনি মোক কি দিছে আজিলৈ··· ··" হৰেনে আৰু কব নোৱাৰিলে । +++

"সাহিত্যিকৰ কৰ্তব্য আৰু দায়িত্ব ধৰ্মভাৱৰ ফুলনিত ওখ আদৰ্শৰ নানা ৰঙৰ ফুল ফুলাই জগতক সৌৰভময় কৰি তোলা । এই সকলেই সমাজৰ শিক্ষক আৰু ভাল বেয়া উপদেশ দাতা ।"

—নগেন্দ্ৰ নাৰায়ণ চৌধুৰী
সভাপতি, অসম সাহিত্য সভা
ত্ৰয়োদশ অধিবেশন, শিৱসাগৰ
১৯৩৯ চন ।

সংগ্ৰাহক ঃ সম্পাদক

# নদী বৈ যায়

—দুদুমণি কোঁৱৰ
স্নাতক, ১ম বাৰ্ষিক ।

— " ব'লানা নিলিমদা ।"

— " ক'ত ? "

— " ৰংঘৰত আদালত দিছে খুউব ভাল পিক্‌চাৰ । অমিতাভ আছে । মোৰ যে ই-মা-ন ভাল লাগে অমিতাভক । ব'লানা । "

— " হয়নেকি ? যাম, কিন্তু ···। "

" কিন্তু কি ? তোমাৰ প্ৰতিটো কথাতেই প্ৰশ্নবোধক চিনডাল থাকিবই । এইডালক এৰি তুমি কথা কব নোৱাৰা নেকি ? কি ভাবিছা, ব'লানা । "

— " যাম । মই ভাবিছোঁ চিনেমা চোৱাৰ কথা । "

— " চিনেমা চোৱাৰ কথা আক' কি ভাবিব লাগিছে ? "

— " ভাবিব লাগিব মণি । সময়ৰ প্ৰতিটো খোজতে, প্ৰতিটো মুহূৰ্ত্ততে প্ৰতিটো কথাই ভাবিব লাগিব । আমিতো আৰু Western মানুহ নহয় ! "

— "তুমি এইবোৰ কি কৈছা নিলিমদা ?"

— " বস্তু জুখিবৰ বাবে যেনেকৈ দগা পাল্লা থাকে মানুহৰ ভাল আৰু বেয়া জুখিবৰ বাবেও এখন সমাজ থাকে মণি । এই সমাজত মানুহৰ ভাল গুনটোতকৈ বেয়া গুনটো সদায়ে বেছি প্ৰকট হৈ দেখা দিয়ে । সেয়েহে মণি মই ভাবিছোঁ।·· ।"

— " কি ভাবিছা ?

— " চিনেমা চাবলৈ নোযোৱাৰ কথা । "

— " সঁচাই তুমি এইবোৰ কি কৈছা নিলিমদা ? "

— " জানা মণি, দূৰৰ পৰা চালে পাহাৰটোৰ সেউজীয়া ৰংটো খুউব ভাল লাগে । আটাইতকৈ কি ভাল লাগে জানা, তাৰ প্ৰতিটো শৃঙ্গ, প্ৰতিটো ঘৰ আৰু প্ৰতিটো একাঁ-বেকাঁ বাট । কিন্তু যেতিয়া পাহাৰটোৰ ওচৰলৈ ক্ৰমশঃ গৈ থাকিবা তেতিয়া তোমাৰ বেচি ভাল লাগিব তাৰ প্ৰতিজনী চঞ্চল পাহাৰী ছোৱালীক । তোমাৰ তেতিয়া মন যাব পাহাৰ আৰু ভৈয়াম লগ লগাই এখন নতুন অসম গঢ়িবলৈ । আৰু কি মন যাব জানা, তোমাৰ মন যাব এজনী ধুনীয়া পাহাৰী ছোৱালীক তোমাৰ জীৱন যাত্ৰাত সহযাত্ৰী হিচাবে লবলৈ । কিন্তু গোলাপ ফুল ছিঙাৰ পূৰ্ব্বে তুমি সাৱধান হব লাগিব যাতে গোলাপৰ কাঁইটে তোমাক কোনো-পধ্যেই বিন্ধিব নোৱাৰে । ঠিক সেইদৰে চিনেমা চাবলৈ যোৱাৰ আগতেও ভাবিব লাগিব তাৰ ফলা-ফল কি হ'ব ! "

— " তুমি এইবোৰ কি কৈছা মই একো বুজা নাই নিলিমদা । "

— " বুজিবা মণি, সকলো বুজিবা ।

আনদিমাৰ দৰে তোমাৰ অনুৰোধ আজি অন্ততঃ এই মূহূৰ্তত মই প্ৰত্যাখান কৰিব লাগিব। জীৱনত বহুতো ফাগুন উপভোগ কৰিলোঁ কিন্তু হৃদয়ঙ্গম কৰিব নোৱাৰিলোঁ কোনটো ফাগুন বেচি উপভোগ্য হৈছিল। তুমিটো জানাই প্ৰতিটো ডেকাৰেই কাম্য এজনী ধুনীয়া ছোৱালীৰ সান্নিধ্য। সান্নিধ্য নাগালেও প্ৰতিটো ডেকাই কাম্য কৰে এজনী ধুনীয়া ছোৱালীৰ একাপ চাহ। কিন্তু তোমাৰ আৰু মোৰ ক্ষেত্ৰত এইটো সম্পূৰ্ণ পৃথক আছিল। তোমাক মই ভাল পাইছিলোঁ — মোৰ নিজা ভনীৰ দৰে। সেয়েহে মই তোমাক মৰম কৰিছিলোঁ, তোমালোকৰ ঘৰলৈ প্ৰায়েই সন্ধ্যা ফুৰিবলৈ আহিছিলোঁ, একেলগে চিনেমা চাবলৈ গৈছিলোঁ, একেলগে বহি বহুতো কথা পাতিছিলোঁ — ভাল আৰু বেয়া। মই জানো যে, একেটা সিকিৰে দুটা পৃথক ভাগ আছে। মই ইমানখিনি কথা জানিও এটা সামান্য ভুল কৰি পেলালোঁ মণি। হয়তু এই সামান্য ভুলৰ বাবেই মই ওবে জীৱন উজাগৰে কটাব লাগিব। এজনী গাভৰুক মনোকষ্ট দিয়াৰ ইচ্ছা মোৰ অন্তৰত এধান মানো নাই মণি। এজনী গাভৰুৰ নাৰীত্বত হাত দিয়াৰ সমান যে পাপ এই পৃথিবীত আৰু দ্বিতীয় পাপ নাই তাক মই খুউব ভালদৰেই জানো আৰু সেই, সেই পিশাচ মনোবৃত্তি পুহি ৰখা বিধৰ পুৰুষ মই নহঁও। ইমান ঠেক গণ্ডিৰ হোৱাহলে আজি ইমানদিনে তোমাক মই হয়তু বহুত কিবাকিবি কৰিব পাৰিলোঁহেঁতেন। কিন্তু তুমি আজি ক'ব পাৰিবানে মই তোমাক কেতিয়াবা বেয়া ব্যৱহাৰ কৰিছোঁ বুলি? ''

—" নি-লি-ম-দা, তোমাৰ হৈছে কি? ইমান অধৈৰ্য্য কিয় হৈছা?"

—" নোৱাৰা মণি, তুমি কেতিয়াও ক'ব নোৱাৰা। ঠেঁলাজলৰ পৰিৱৰ্ত্তে এন্ট'কুইনাইন টেব্‌লেট্ খালে হয়তু পেটৰ বেমাৰ ভাল হব কিন্তু কৰি নবকান্ত বৰুৱাৰ পৰিৱৰ্ত্তে যদি নিলিম বৰুৱাক কবিতা লিখিবলৈ দিয়া হয় তেতিয়া জানো নিলিম বৰুৱাই কবিতা লিখিব পাৰিব? নোৱাৰে মণি কেতিয়াও নোৱাৰে।"

—" নিলিমদা, তুমি কি ... ....?

—" মণি, তুমি হয়তু ভাবিছা আজি মই পাগল হৈছোঁ বুলি। কিন্তু মই পাগল হোৱা নাই আৰু পাগল হোৱাৰ উপক্ৰমো হোৱা নাই। এটা মানুহ ইমান সোণকালে পাগল হব নোৱাৰে মণি।

—" তোমাক কোনে কি কলে কোৱানা?

" কম মণি, সকলো ক'ম। আজি কথা কোৱাত মোৰ কোনো আক্ষেপ নাই। মই ক'ম তুমি মাথো শুনি যাবা। তুমি জানাই ঘৰৰ ছজন ককাই-ভাইৰ ভিতৰত মই আছিলো ঘৰৰ কনিষ্ঠ পুত্ৰ। সেয়েহে ঘৰৰ পৰা তথা ককাইদেউহঁতৰ পৰা খুৱেই মৰম পাইছিলোঁ। ঘৰৰ মা-দেউতাৰ ভগৱানৰ ওচৰত এটা নিঠুৰ মনোবৃত্তি সদায়ে বিৰাজ কৰি আছিল। কাৰণ, মা-দেউতাৰ কন্যা সন্তান নাছিল। সেয়েহে আমাৰ ঘৰৰ সকলোৱেই ছোৱালীক খুউব মৰম কৰিছিলোঁ, ভাল পাইছিলোঁ। মামাৰ একমাত্ৰ ছোৱালী সন্তান 'বুলি' যেতিয়া আমাৰ ঘৰলৈ আহিছিল, তেতিয়া তাইক আমি কিমান যে মৰম কৰিছিলোঁ — তাক মই তোমাক ঠিক বুজাই কব নোৱাৰিম। মানে বুজাই কবলৈ মোৰ ভাষাতীত। মেট্ৰিক যেতিয়া দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ পৰিয়ালৰ শুভাশীৰ্বাদ শিৰত লৈ শিৱসাগৰ কলেজত ভৰ্তি হঁও তেতিয়া

বহুত ছোৱালী লগ পাইছিলোঁ। সকলোকে মৰম কৰিছিলোঁ, ভাল পাইছিলোঁ—হাঁহি-ধেমালীৰে কথাৰ ফুলজাৰি মাৰিছিলোঁ। আই, এছ, চি পাচ কৰাৰ পিচত যোৰাহাট অভিযান্ত্রিক মহাবিদ্যালয়ত পঢ়োতেও দুই এজনী ছোৱালী লগ নোপোৱা নহয় —পাইছিলোঁ। কিন্ত মই ভাবিব পৰা নাছিলোঁ যে এজনী ছোৱালীক মৰম কৰাৰ অৰ্থ সাধাৰণ বজকুৱা দৃষ্টিত 'লাভ' কৰা হব পাৰে! —what is 'Love'? হয়তু তেতিয়া মই 'লাভ' শব্দটোক খুউব সূক্ষ্ম-সাম্য দৃষ্টিৰেহে বিশ্লেষণ কৰি চাইছিলোঁ। যিহেতু তেতিয়া মোৰ এটা অভিলাসেই অন্তৰত ঠাই পাইছিল — কেনেকৈ মই অভিযান্ত্রিকৰ গ্ৰেজুৱেচন্ লব পাৰোঁ। সচাঁই সেই একেটা অভিলাসেৰেই ক'তো দ্বিতীয়বাৰ নো-ৰোৱাকৈ একেবাৰেই ইঞ্জিনীয়াৰিংৰ গ্ৰেজুৱেচন্ লৈ ওলাই আহিছিলোঁ। প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান পাই পাছ কৰিছিলোঁ বাবেই বান নিয়ন্ত্রণ বিভাগৰ অভিযন্তা হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলোঁ অসমৰ পূব কোনত অৱস্থিত সৰু অথচ প্ৰাকৃতিক সৌন্দৰ্য্যৰে গৌৰৱশালী ছৈখোৱা চহৰত। চহৰ-খন মোৰ ভাল লাগিছিল— তাতোকৈ ভাল লাগি-ছিল চহৰৰ আশে-পাখে সিচঁৰিত হৈ থকা সম্ভ্ৰান্ত পৰিয়ালবোৰৰ ছিঙিব নোৱাৰা মৰমৰ এনজৰী ডালক। ভাল লাগিছিল তাৰ নিজ্জুঁ স্বভাৱৰ গাভৰুবিলাকক। তাহাঁতৰ মৰম চেনেহবোৰক দলিয়াই মই এখন্তেকো থাকিব পৰা নাছিলোঁ। সেয়েহে অলপ দিনৰ ভিতৰতেই আমাৰ মাজত সম্ভাৱৰ চিন প্ৰকট হৈ পৰিছিল। মই ছাত্ৰৱস্থাৰে পৰা অভিনয় ভাল পাইছিলো। কলেজত থাকো-তেও বহুবাৰ অভিনয় কৰি দৰ্শকৰ পৰা প্ৰশংসা লাভ কৰিছিলো।"

"এবাৰ বহাগ বিহুত কামৰ অজুহাতত মই ঘৰলৈ যাব নোৱাৰিছিলোঁ। ককাইদেউহঁতে ঘৰলৈ মাতিছিল যদিও শেষত মই নোযোৱা-টোকে ঠিৰং কৰিছিলোঁ। ঘৰৰ মৰম চেনেহৰ পৰা বঞ্চিত হৈছিলোঁ যদিও ইয়াৰ মৰমত মই আপ্লুত হৈ পৰিছিলোঁ। সেইবাৰেই ইয়াত প্ৰথম বাৰৰ বাবে বহাগী বিদায় উৎসৱ উদ্‌যাপন কৰা হৈছিল। নিশাৰ সাংস্কৃতিক অনুষ্ঠানত আমি এখন নাটক অভিনয় কৰিছিলোঁ। মই নাটকৰ নায়কৰ অভিনয় কৰিছিলোঁ আৰু মোৰ বিপৰীতে নায়িকাৰ চৰিত্ৰটো অভিনয় কৰিছিলা তুমি অথাৎ মিচ্ মণিকা গোঁহাইয়ে।"

— "নিলিমদা, তুমি এইবোৰ কি কৈছা? তোমাক কিন্ত আজি বেচ্ সাহিত্যিক, সাহিত্যিক লাগিছে দেই!"

"— লাগিব মণি, শুনি যোৱা। সেই বিহুতেই তোমাৰ আৰু মোৰ প্ৰথম চিনাকী হৈছিল। তাৰ পিচত দিন আগুৱাবলৈ ধৰিলে। তুমিও কলেজৰ দেওনা পাছ কৰি বেকাৰ হৈ ঘৰত থাকিবলৈ ললা। তোমাৰ আৰু মোৰ মাজৰ মৰম-চেনেহ গাঢ়ৰ পৰা গাঢ়তৰ হৈ আহিব ধৰিলে। তাৰ পিচত তুমি নানা প্ৰশ্ন শুধি মোক ভাৰা-ক্ৰান্ত কৰি তুলিলা। ইয়াৰ পিচৰ পৰ্ব্ব আৰম্ভ হ'ল। ৰিব্ ৰিব্ মলয়াৰ পৰশত ব্ৰহ্মপুত্ৰৰ নিজান পাৰত বহি এদিন তুমি মোক আকাশেদি উৰি যোৱা শৰালি দুটা দেখুৱাই কৈছিলা —

'নিলিমদা, সৌ শৰালি দুটাই কেনেকৈ গাতে গা লগাই উৰি গৈছে চোৱানা। মোৰ যে ইমান ভাল লাগিছে।' মই তোমাৰ কোনো কথাৰেই উত্তৰ দিয়া নাছিলো। এনেকৈ বহু দিন পাৰহৈ গল। মই তোমাৰ মতি-গতি বেচ ভালদৰে হৃদয়ঙ্গম কৰিব পাৰিছিলো। মই ভালদৰেই জানো যে এজনী ভৰযৌৱনা গাভৰুৱে এজন হৃদয়বান ডেকাৰ ওচৰত কিহৰ মিণতি কৰে। কিন্তু মই তোমাৰ আকাৰ ইঙ্গিতৰ সেই সুযোগ গ্ৰহণ কৰা নাছিলো। তাৰ পিচদিনাই তুমি মোলৈ এখন চিঠি দিছিলা তাত তুমি মোক 'অকঁৰা' বুলি অভিহিত কৰিছিলা। কাৰণ মই সুযোগ গ্ৰহণ কৰিব নাজানো।"

"মই তোমাৰ সুযোগ কিয় গ্ৰহণ কৰা নাছিলো তাৰু এতিয়া কওঁ শুনা। সচাঁই তোমাক মই অন্তৰৰ নিভৃত কোণৰ পৰাই ভাল পাইছিলো, মৰম কৰিছিলো। তুমি হয়তু ওপৰৰ কথাখিনিৰ পৰাই থূলমূল সিদ্ধান্তত উপনীত হব পাৰিছা নিশ্চয়। তোমাক মই ভাল পাইছিলো মোৰ নিজা ভনীৰ দৰে। সেয়েহে তোমাক মই মোৰ নিজা ভনীৰ দৰেই ব্যৱহাৰ কৰিছিলো--একেলগে ফুৰিছিলো, চিনেমা চাইছিলো। কিন্ত তোমাক মই বেয়া ব্যৱহাৰ কৰা নাছিলো। অজানিতে যদি মই তোমাৰ ওচৰত কিবা ভুল কৰিছিলো তাৰ বাবে তুমি মোক মাফ কৰিবা। যিহেতু আজিয়েই তোমাৰ লগত কথা পতা আৰু তোমালোকৰ ঘৰলৈ অহা শেষ।"

—"তুমি আৰু নকবা নিলিমদা। মই সকলো বুজিছো। তুমি কিন্তু আমাৰ ঘৰলৈ অন্ততঃ মোৰ ওচৰলৈ আহি থাকিবা নিলিমদা নহলে মই—।"

"—অধৈৰ্য্য নহবা মণি। মই সাধাৰণ এজন বান নিয়ন্ত্ৰণ বিভাগৰ ইঞ্জিনীয়াৰ। মই হয়তু এখন ভঙা দলং মেৰামতি কৰিব পাৰিম কিন্তু মই তোমাৰ অন্তৰ ভাঙিলে মেৰামতি কৰিব নোৱাৰিম মণি। সেয়েহে তুমি মোক পাহৰি পেলাবা। তুমি তোমাৰ মা-দেউতাক ভালদৰে বুজাই দিবা যে নিলিম বৰুৱাই নিজ স্বাৰ্থ পূৰণৰ হকে তোমালোকৰ ঘৰলৈ অহা নাছিল। আহিছিল কণমান সচাঁ মৰম, সচাঁ অনুকম্পা বিচাৰি। তোমাৰ মা-দেউতাৰ পৰা তিৰস্কাৰ শুনি মই বৰ লজ্জিত মণি। মোৰ বিশ্বাস তুমি তেওঁলোকক ভালদৰে বুজাই দিব পাৰিবা। যিহেতু তুমি কলাত স্নাতক।" নিলিম বৰুৱাৰ শেষৰ কথা কেইটা ৰৰ ঠুকা-ঠুকি ভাৱে ওলাই আহিছিল। অচল ঘড়ীৰ দৰে নিলিম বৰুৱাৰ অন্তৰখনো অচল হৈ পৰিছিল। প্ৰতিটো ক্ষণতে নিলিম বৰুৱাৰ মন বিক্ষুব্ধ হৈ উঠিছিল।

মণিকা গোহাঁইৰ চকুত সন্নিহিত হৈ থকা ৰঙা ৰঙা তেজবোৰ ক্ৰমে চকুৰ পানীলৈ ৰূপান্তৰিত হৈ গৈছিল। খুউব জোৰেৰে জিভাৰে তালোক টিপি নিলিমৰ নিচেই কাষলৈ আহি কৈছিল—"নিলিমদা তুমি ইমান ধুনীয়া। মই আশা ৰাখিছো যেন তোমাৰ বাঞ্চিত আগমনে মোক নতুনত্ব দিব, জীয়াই থকাৰ কণমান প্ৰেৰণা দিব। তুমি যেন মোক নাপাহৰা নিলিমদা।"

"যেতিয়া তুমি পৃথিবীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা; আৰু ওচৰ-চুবুৰীয়া সকলোৱে হাঁহিছিল; কিন্তু তুমি এনে কাম কৰিবা যাতে তুমি যেতিয়া পৃথিবী এৰি যোৱা, তেতিয়া যেন তুমি হাঁহি হাঁহি যোৱা আৰু আনে যেন তোমাৰ নিৰ্মিত্তে হিয়া ভুকুৱাই কান্দে।"

— হেম চন্দ্ৰ গোস্বামী
সভাপতি, ৭ম অসম ছাত্ৰ সন্মিলন
গুৱাহাটী অধিবেশন।

সংগ্ৰাহকঃ সম্পাদক

চেতনাৰ ৰন্ধ্রে ৰন্ধ্রে তিক্ত বেদনা অনুভৱ কৰি আজি এই মূহূৰ্ত্তত নিলিমৰ দুচকু সেমেকি উঠিছে। নিলিমে মণিক নিজৰ বুকুৰ মাজত সুমুৱাই দুগালে দুটা চুমা আঁকি দিলে। কিমান মৰম লগা অথচ ধুনীয়া মণিজনীক এবি আহি-বলৈ পাই নিলিমৰ অন্তৰ দগধ হৈ গল। গভীৰ তাড়নাত নিলিমৰ মনুষ্যত্ব ক্ষুন্ন হৈ গল—নিলিম কান্দি উঠিল।

বাহিৰত তেতিয়া ক্ষীণ আন্ধাৰ। চুই দিলে মৰহি যোৱা ফুলৰ দৰে মণিৰ কথা ভাবি ভাবি নিলিম বৰুৱা ক্ষীণ আন্ধাৰত লীন হৈ গল—নিজকে বৰ অপৰাধী অপৰাধী ভাবি। ++

"যেতিয়া তুমি পৃথিবীলৈ আহিছিলা, তুমি কান্দি কান্দি আহিছিলা; আৰু ওচৰ-চুবুৰীয়া সকলোৱে হাঁহিছিল; কিন্তু তুমি এনে কাম কৰিবা যাতে তুমি যেতিয়া পৃথিবী এৰি যোৱা, তেতিয়া যেন তুমি হাঁহি হাঁহি যোৱা আৰু আনে যেন তোমাৰ নিৰ্মিত্তে হিয়া ভুকুৱাই কান্দে।"

— হেম চন্দ্ৰ গোস্বামী

সভাপতি, ৭ম অসম ছাত্ৰ সন্মিলন

গুৱাহাটী অধিবেশন।

সংগ্ৰাহকঃ সম্পাদক